## Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/165 | Language of work: Assamese |
| Author (s) / Editor (s): Lakshinath Bezbaruah | |
| Title: বাঁহী | |
| Transliterated Title: Baãhai | |
| Translated Title: | |
| Place of Publication: Kolkotā (Calcutta) | Publisher: Editor. |
| Year: 1913, 14, 15, 16, 17, | Edition: |
| Size: 21 cms | Genre: magazine |
| Volumes: IV, V, VI, VII, VIII | Condition of the original: Brittle. |
| Remarks: 1st 2 volumes reprinted in the year 1999. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|

# সূচী


| বিষয় | পৃষ্ঠা |
|---|---|
| মোহন বাঁশী | ১১৩ |
| সন্ধাকালের তারা | ১১৪ |
| অনন্ত | ১২১ |
| উর্মিলার চিন্তার ছবি | ১২৭ |
| গুরু চরিত্র | ১৩২ |
| কালি কথা | ১৩৭ |
| চিঠি | ১৪৫ |
| নেতাজী তোমার | ১৫২ |
| আত্মীয়া প্রতিবেশীর মধ্যে আমার ঠাঁই | ১৫৭ |

# মোহন বাঁহী।

বাজিছে মোহন বাঁহী সাতোটি সুৰত।
ঢালিছে অমিয়া তত্ত্ব বিশ্ব জগতত॥
অবিৰাম বাজি সেই অনাহত সুৰ।
নিছে ছিঙ্গি হৃদয়-গাঁঠিৰ শত মূৰ॥
সি সুৰৰ ৰাগিনীত বিশ্ব মতলীয়া।
হ্লাদিনী ৰাধিকা কৃষ্ণ প্ৰেমত বলিয়া॥
প্ৰথম সুৰত প্ৰাণী ৰমে ভূলোকত।
উলটি যমুনা বয় ব্ৰজৰ মজত॥
দ্বিতীয়ত ভুবলোকে প্ৰাণৰ উলাহ।
গোকুলত গৰু গাইৰ বিনন্দ বিলাহ॥
তৃতীয়ত স্বলোকত কামনাৰ ক্ষয়।
ব্ৰজত দামুৰী গাই হৰমুৰা হয়॥
চতুৰ্থত মহলোকে মনৰ বিৰাম।
অসুৰৰ উপদ্ৰৱ মুক্ত ব্ৰজ ধাম॥
পঞ্চমত জনলোকে বুদ্ধিৰ বিৰতি।
ব্ৰজত গোপিনী সবে এৰে নিজ পতি॥
ষষ্ঠ সুৰে তপলোকে অহঙ্কাৰ লয়।
ব্ৰজবাসী সকলোতে দেখে কৃষ্ণময়॥
সপ্তমত সত্যলোকে আত্মদৰিশন।
ব্ৰজৰ কুঞ্জত ৰাধা কৃষ্ণৰ মিলন॥

শ্ৰীহেমচন্দ্ৰ গোস্বামী।

---

# সম্পাদকৰ চৰা।

এবাৰ আমি কোনো কথাৰ লেচুত লেখিছিলোঁ যে "দুৰ্ব্বোৰ গুৰুবাদী সকলক গুৰু লাগে; নহলে নচলে।" এনেকৈ কোৱা দেখি আমাক এজনে সুধিছে যে,—আমি গুৰুবাদৰ বিৰুদ্ধবাদী নে কি? উত্তৰত কওঁ যে, আমি সঁচাসঁচিকৈয়ে গুৰুবাদৰ বিৰোধী নহওঁ। এই ভৱ-সংসাৰ তৰিবলৈ গুৰুৰ সহায় লাগে, নতুবা বৰ মস্কিল হয়; আৰু অনেকৰ পক্ষে গুৰু নহলে ভৱসংসাৰ তৰা একেবাৰে অসাধ্যই হয়।

* *

পানীত বুৰি থকা নেদেখা পৰ্ব্বত বা চটত নলগাকৈ সমুদ্ৰত জাহাজখন চলাই লৈ গৈ গন্তব্য ঠাই পোৱাবলৈ যেনেকৈ বহুদৰ্শী বিজ্ঞ কাপ্তানৰ আৱশ্যক, ইহজীৱনটোকো সেইদৰে আওবাটৰ বিপদবপদা বাধি লৈ গৈ ঈশ্বৰৰ ওচৰ পোৱাবলৈ বহুদৰ্শী বিজ্ঞ গুৰুৰ আৱশ্যক। ক'ত লুকাই-থকা পৰ্ব্বত আছে, ক'ত মণিৰ নোবাবা চট আছে, সেইবোৰ ভালকৈ জানিবলৈ আৰু কোনটো চুটি আৰু সুগম বাট সেইটোৰ ভালকৈ উৱাদিহ বুজি নিৰাপদে অকুল মহাসমুদ্ৰত জাহাজখন চলাই লৈ যাবলৈ যেনেকৈ সেই কাপ্তানজনে অনেক শিক্ষা কৰিব লাগে, বহুদৰ্শন কৰি সাধনা কৰি জ্ঞান লভিব লাগে, তেহে তেওঁ যাত্ৰীসকলৰ জীৱবোৰৰ দায়িত্ব লৈ নিৰাপদে যাব পাৰিব, সেই দৰে গুৰুজনেও তেওঁৰ শিষ্যসকলক শঙ্কটময় বাটত লৈ যাব পৰা হবলৈ অনেক সাধনা অনেক শিক্ষা অনেক বহুদৰ্শিতা উপাৰ্জ্জন কৰিব লাগে, নতুবা তেওঁ নাও বুৰাই, তেওঁৰ ওপৰত চকু মুদি বিশ্বাস কৰি আত্মসমৰ্পণ কৰি যাওঁতাসকলক অটল সমুদ্ৰৰ গৰ্ভলৈ নিব, আৰু নিজেও যাব। অশিক্ষিত, কেচা, অপাৰগ, অযোগ্য লোক কাপ্তান হবলৈ গলে যেনেকৈ তেওঁ লোকৰ বধৰ ভাগী আৰু আত্মঘাতী হব, অবিজ্ঞ, অশিক্ষিত, সাধনাশূন্য, ঈশ্বৰবিমুখী, অধৰমী, লোভী, অযোগ্য লোকও—তেহলৈ তেওঁ প্ৰকৃত গুৰুৰ সন্তানেই হওক, বা বংশৰেই হওক, গুৰুৰ আসন অধিকাৰ কৰোঁতা "গুৰুদেৱ" হওক,—সেইদৰে আত্মঘাতী হব। তেনে কাম কৰিবলৈ গৈ আৰু তেওঁৰ বিশ্বাস কৰি তেওঁৰ ওপৰত নিৰ্ভৰ কৰি থকা লোকৰ তেওঁ বধৰ ভাগী হব। এই



কাৰণেই মহাপুৰুষ মাধৱদেৱে তেওঁৰ পিছত কোনে তেওঁৰ ধৰ্ম্মৰ ভাৰ লব, এই কথা তেওঁক সোধা ভকতসকলক কৈছিল যে "যি বুঢ়া আঙ্গুলিৰ ওপৰত পৰ্ব্বতৰ গুৰু ভাৰ বহন কৰিব পাৰিব, তেওঁ হে গুৰু হবৰ উপযুক্ত।" এই কথাষাৰ অলঙ্কাৰ-লগা কথা নহয়, প্ৰকৃত কথা। লক্ষ লক্ষ প্ৰাণীৰ ইহকাল পৰকালৰ জীৱনৰ দায়িত্ব এটা পৰ্ব্বত নেলাগে লক্ষ লক্ষ পৰ্ব্বতততকৈয়ো গধুৰ। এই কাৰণেহে মাধৱদেৱে মনত দুখ কৰি তেওঁৰ ঘোষাৰ এঠাইত লেখিছে—

"নাজানে শাস্ত্ৰৰ নয়, যেহি আসে তাকে কয়,
ছেদিবাক নপাৰে সংশয়।
গুৰু বোলাই উথাপিতো লোকৰ মাজত ফুৰি
মাগ্য সতকাৰ খুজি লয়॥"

আমি দঢ়াই দঢ়াই কব পাৰোঁ যে গুৰুৰ প্ৰকৃত দায়িত্ব কি, আৰু সি নো কি গুৰুভাৰ এইটো কথাৰ মৰ্ম্ম ভালকৈ অন্তৰেৰে সৈতে যদি আজিকালি "গুৰু সকলে" ধাৰণা কৰিব পাৰিলেহেঁতেন, তেন্তে অকিঞ্চিৎকৰ পাৰ্থিব মাগ্য সংকাৰ সুখ সম্পদৰ নিমিত্তে, তেওঁলোকৰ এশজনৰ ভিতৰৰ নিৰানব্বইজনে "গুৰু গিৰি" কৰিবলৈ কেতিয়াও কদাপিও আগ নাবাঢ়িলহেঁতেন। তেওঁলোকৰ পক্ষে Ignorance is bliss হৈছে, অৰ্থাৎ জানিবা তেওঁলোকে জাহাজৰ এঙ্কাৰ কেবিন অৰ্থাৎ থেটালিত সোমাই শুই থস্তেকীয়া স্বৰ্গ-সুখ লভিছে বুলি ভাবি আছে, গোটেইবোৰ যাত্ৰীৰে সৈতে জাহাজ যে এতিয়াই বুৰি থকা পৰ্ব্বতৰ টিঙত পৰি ভাগি বুৰি সাগৰৰ তলি পাবগৈ তেওঁলোকৰ সেই কথাৰ হু নাই।

* *

আজিকালি আমাৰ শিক্ষিতসকলৰ বহুতে গুৰুৰ আৱশ্যকতা অস্বীকাৰ কৰি কয়, যে, ঈশ্বৰ আমাৰ পিতা মাতা; পিতা মাতাৰ ওচৰলৈ যাবলৈ এজন গুৰুক, যাটনি ধৰিবৰ সকাম কি? আমি কওঁ আছে,—পিতা মাতাক চিনাই দিবলৈ। পিতা মাতাৰ অলেখ সন্তানৰ ভিতৰৰ তুমি এজন। তেওঁ যদিও তোমাৰ আগতে আছে, তোমাৰ ওচৰতে আছে, তথাপি তেওঁক জনা এজনে আঙ্গুলিয়াই দেখুৱাই চিনাই নিদিলে তুমি তেওঁৰ কাষৰ পোৱাটো, তেওঁৰ কোলা পোৱাটো বৰ টান; কাৰণ তেওঁৰে ডাও দি থকা মায়া আদি

অনেক ফান্দিদাৰে তোমাৰ চাৰিউফালে ঘূৰি ফুৰি তোমাক কোলাত তুলি লবলৈ হাত মেলি আছে, ঠিক বাটেদি সেইবোৰৰ হাত সৰুৱাই লৈ যাবলৈ তোমাৰ যদি গুৰু বা Guide অৰ্থাৎ বাট দেখুৱাওঁতা নেথাকে, তেন্তে তোমাক বাটতে সেই জুৱাচোৰবোৰে নেকানেক কৰিব। তুমি অজ্ঞানী কেঁচুৱা লৰা; তোমাৰ ওচৰত অনেক মতা তিৰুতা মানুহ; এটাইবোৰে তোমাক বেঢ়ি আছে; কোনোজনীয়ে তোমাক গুৰ চেলেকাই তোমাক লৈ তোমাৰ মাৰাৰ ভাও দি ভুলাই যাব; কোনোটোৱে হাঁহি মুখেৰে তোমাৰ আগত জুনুকা এটা বজাই তাকে তোমাক দি ভুলাই লৈ যাব; কোনোৱে ফুলাম বানুনলা আৰু ভুৰুকা গোটাচেৰেককে তোমাক দেখুৱাই তোমাক কোলাত তুলি লৈ যাব; আৰু সেইটো বা সেইজনীকে তুমি বোপাই বা আই বুলি ভাবি লদি তেওঁৰ কোলাত উঠি নিশ্চিন্ত হৈ বৰত হাঁহি যাবা, কিন্তু সেইটো বা সেইজনীয়ে তোমাক কাত বেচেলৈ তুমি সমালিকতো ভবা নাই; কিন্তু সিহঁত এলাপেচা নহয়, সিহঁতে তোমাক বেচিবই বেচিব; কাৰণ সিহঁত তোমাৰ আচল আই বোপাই নহয়; আচল মাক বাপেকেহে সন্তানৰ মৰম বুজে; পোৱাতীয়ে হে কেঁচুৱা কোলাত লব জানে; আচল আই বোপাইৰ তুমি কাষৰকে নাপলা গৈ।

* *

যদি বোলা গুৰুজনে নো কেনেকৈ ঈশ্বৰৰ ওচৰলৈ যাবলৈ বাট চিনি পালে, তেৰেঁ। তো আমাৰে নিচিনা মানুহ হে, তেওঁ নো কেনেকৈ ঈশ্বৰক চিনি পালে? ইয়াৰ উত্তৰ —শিক্ষা, অনুশীলন, ঈশ্বৰ চিন্তা আৰু সাধনাৰ দ্বাৰাই তেওঁ সেই বাট চিনিছে। বিশিষ্ট গুৰুৰ সাহায্যত আৰু সাধনাৰ কৃপাত এই শিক্ষা অনুশীলন আৰু সাধনা হয়। বিশিষ্ট গুৰুৰ সাহায্যত এইবোৰ লাভ কৰি সাধনাত সিদ্ধি লভাজনে হে শিষ্যত নিজে গুৰুৰ গুৰু-ভাৱ লব পাৰে। কোনো এটা সামান্য কামতে সিদ্ধি লভিবলৈ মন পুতি একাগ্ৰ হৈ শিক্ষা, অনু-শীলন আৰু সাধনা কৰিলেহে সি সিদ্ধি হয়। ঈশ্বৰলাভ ঈশ্বৰজ্ঞান ইমান উজু নে যে সি বহি শুই ভাত খাই খেমালি কৰি গান বাজনা খোল মৃদং হাৰমনিয়ম বজাই, তামোল খাই নাও খেলাই ফুৰিলেই হব? দিনে ৰাতিয়ে পৰিশ্ৰম কৰি মনপুতি নালাগিলে ধন ঘটিব নোৱাৰি; বিশ্ববিদ্যালয় আৰু টোলৰ মহলাৰ উঠিব নোৱাৰি; চাকৰি কৰিলেও চাকৰিত অভিজ্ঞতা লাভ



কৰি উন্নতি কৰিব নোৱাৰি; সাহিত্য চৰ্চ্চা কৰিলেও তাত কৃতকাৰ্য্য হব নোৱাৰি; এইবোৰতকৈও হেজাৰগুণে টান আৰু দুৰ্গম দুঃসাধ্য কাম ধৰ্ম্মাচৰণ ঈশ্বৰচিন্তা আৰু ঈশ্বৰলাভ ইমান অনায়াসে লভিব পৰা অৰ্থ নে যে পুৱাৰ পৰা গধূলিলৈকে সংসাৰৰ যত অনৰ্থ চিন্তা কৰি এই মহা অৰ্থ লভিম?

• •

কিন্তু বিশিষ্ট গুৰুৰ উপদেশত একান্তমনে চলি, একাগ্ৰভাৱে সাধনা কৰিলে এনে দুঃসাধ্য বস্তুও সুসাধ্য হয়, দুৰ্গম পথো সুগম হয়, টান কাম পিছত উজু হয়, দুষ্প্ৰাপ্য ঈশ্বৰলাভ সুপ্ৰাপ্য হৈ পৰে। গুৰুৱে অনেক সাধনা কৰি, অনেক চিন্তা অনেক অনুশীলন কৰি দি সুগম বাট উলিয়াই লৈছে, তেওঁৰ কঠোৰ সাধনাৰ আৰু জীৱনব্যাপী বিস্তৰ পৰিশ্ৰমৰ ফল তুমি তেওঁৰপৰা তেওঁৰ অনুগ্ৰহত উপদেশ স্বৰূপে লাভ কৰিলা, তাকে এতিয়া তুমি নিজে পৰিশ্ৰম কৰি আত্মসাৎ কৰিবলৈ চেষ্টা নকৰিলে সেই অমূল্য বস্তু তোমাৰ নহয়! গুৰুৱে অনেক পৰিশ্ৰমৰ ফল জহা চাউলৰ প্ৰসাদ তোমাক দিলে, তুমি তাক, অশ্ৰদ্ধা বা চেলেংপেতেংকৈ নহয়, ভক্তি ভাৱে শ্ৰদ্ধাৰে ৰুচিৰে ভোজন কৰি জীণ নিয়াব পাৰিলেই সি তোমাৰ হব; তাক নাখালে, বা অশ্ৰদ্ধা বা অনিচ্ছাৰে খালে সি তোমাৰ নহয়, সি অজীৰ্ণ হে উৎপাদন কৰিব। গুৰুৰ শান্তিবাৰি তোমাৰ হৃদয়-ক্ষেত্ৰত পৰিল, যদি তুমি হৃদয় ভালকৈ চহাইছা, সেই বাৰি তুমি শুহি লব পাৰিবা, আৰু তেতিয়া তোমাৰ হৃদয়ত ধৰ্ম্মবীজো অঙ্কুৰিত হৈ বাঢ়িব।

• •

ফেৰেডে, ভল্টা, গেলভেনি আদিয়ে ইলেক্‌ট্ৰিচিটিৰ বিষয়ে অনেক তথ্য,—ষ্টিফেন্‌চনে ষ্টিম ইঞ্জিনৰ বিষয়ে অনেক জ্ঞান, ভালেমান পৰিশ্ৰম, ভালে-মান পৰীক্ষা, ভালেমান সাধনা কৰি উলিয়াই দিলে, সেইবোৰ তথ্য তেওঁলোকৰ কত সাধনাৰ ফল; সেই ফল তুমি ভোগ কৰিব লাগিছা, আৰু বিজুলী আৰু ষ্টীম তোমাৰ পক্ষে সহজপ্ৰাপ্য আৰু দিনৌ ব্যৱহাৰৰ পদাৰ্থ হৈছে; তেওঁ-লোকৰ ইমান সাধনাৰ বস্তু পাই তাৰ গুণ বুজিবলৈ তুমি তেওঁলোকৰ চৰণৰ তলত বহি ভক্তিভাৱে শিক্ষা কৰি চৰ্চ্চা কৰিব লাগিব, তেহে তুমি তাৰ প্ৰকৃত তত্ত্ব বুজি আনকো শিক্ষা দিব পাৰিবা: এনেই কেলি-কন্দলি কৰি য়ুৰোপীয়

সাজ পিন্ধিচ কি মেজত বহি তুমি ফেৰেডে, গেলচ্ছেনি হৈছা বুলি ভাবি থাকিলে খালি হাঁহিয়াতৰ পাত্ৰৰ বাহিৰে আৰু কি হবা? মহাপুৰুষ শঙ্কৰদেৱ মাধৱদেৱ দামোদৰদেৱৰ ধৰ্ম্মৰ তত্ত্ব আৰু মূলবীজ আত্মসাৎ নকৰি বা কৰিব নোৱাৰি, তাক বিকৃত কৰি, তেওঁলোকৰ সত্ৰত কেপ্ কৰা বৰগাৰু আৰু চন্দ্ৰাতাপৰ তলত বহি গুৰু বোলাই কেলি-কন্দলি কৰি থাকিলে তোমালোকো হাঁহিয়াতৰ পাত্ৰ নহবা জানো? বৰং "বৈজ্ঞানিকে" বিজ্ঞান নাজানি quack "হাতুৰীয়া" বা ফাকতীয়া হলেও বৰ হানি নাই, কাৰণ তেওঁ নিজে হে নিন্দাৰ পাত্ৰ হব, লোকৰ বিশেষ হানি নহয়; কিন্তু ধৰ্ম্ম-"গুৰুৱে" ধৰ্ম্ম নাজানি ঈশ্বৰক নাজানি, শিষ্যক সদুপদেশ দি তৰাব নোৱাৰিলে নিজে যে যাবই, আৰু লোককো তল নিয়াব; অৰ্থাৎ তেওঁ 'আপুনি মজিলি ভাই লঙ্কা মজাইলি' হব। এইদেখি হে'কওঁ, তোমালোকে যদি মহাপুৰুষ সকলৰ ধৰ্ম্ম নাজানা, বা ভালকৈ নাজানা, বা জানিও ধেমালি ভাবি তাকে লৈ নাচি-বাগি আছা, বা হাতৰ আগত এনে শুদ্ধ সত্য ধৰ্ম্মক পাই তাৰ মোল বুজুজি তাক আত্মসাৎ নকৰি বা কৰিব নোৱাৰি মাথোন পাৰ্থিব মান সংকাৰ খুজি লৈ ডাঙৰ বোলাই থাকিব খুজিছা, তেন্তে তোমালোক মহাপুৰুষসকলৰ ধৰ্ম্মৰ আসনৰপৰা নামা। এতিয়াই নামা।— ধৰ্ম্মৰ সত্ৰ তোমালোকৰ নিজৰ সুখৰ নিমিত্তে "জমিদাৰী" বা "তালুকদাৰী" নহয় জানিবা। কিন্তু প্ৰকৃত গুৰু হৈ, শঙ্কৰ মাধৱ দামোদৰৰ গাদিত উঠি তোমালোকে আমাক তোমালোকৰ চৰণৰ ধূলি দিয়া আমি সেৱা কৰি লম; নতুবা তাত উঠিবৰ তোমাৰ অধিকাৰ নাই, নুঠিবা; উঠিছা যদি নামা; কাৰণ, উঠি তুমিও নুবুৰিবা, আৰু তোমাক আশ্ৰয় কৰা অলেখ অজ্ঞান লোককো নুবুৰাবা।

* *

ওপৰত কৈছোঁ যে গুৰু লাগে। গুৰু ঈশ্বৰ লাভৰ পথপ্ৰদৰ্শক। অনেক সাধনা অনেক শিক্ষা আৰু চিন্তা কৰি গুৰুৱে সেই পথ জানে আৰু তেওঁৰ উত্তৰাধিকাৰী প্ৰকৃত গুৰুৱেও তেওঁৰপৰাই সেই শিক্ষা আৰু চিন্তাৰ ফল লভি নিজেও অনুশীলন আৰু সাধনা কৰি তাক আত্মসাৎ কৰি উপযুক্ত গুৰু হয়। এতিয়া প্ৰশ্ন হৈছে যে, প্ৰথম গুৰুজনক কোনে শিষ্য কৰিলে? সেই জনে ক'ত উপদেশ পালে? উত্তৰত কওঁ,—মহাপুৰুষ গেলিলিও, নিউটন, ফেৰেডে,



গেলছেনি, হীকেন্‌চনে যেনেকৈ নিজ নিজ বিষয়ৰ তথ্য চিন্তা, মনৰ একাগ্ৰতা, আৰু কঠোৰ সাধানাৰ দ্বাৰাই উদ্ভাৱন কৰিলে, মহাপুৰুষ গুৰুজনেও সেইদৰেই ধৰ্ম্মৰ প্ৰকৃত তথ্য সৰ্ব্ব সাধাৰণে আচৰণ কৰিব পৰা ধৰ্ম্মৰ মূল বীজ চিন্তা, গবেষণা, সাধনাৰ দ্বাৰাই উলিয়ালে। বুদ্ধই বাৰ বছৰ কঠোৰ সাধনা কৰি, মহম্মদ খৃষ্টই অনেক কাল কঠোৰ চিন্তা আৰু সাধনা কৰি, নিজৰ তীক্ষ্ণ বুদ্ধি গভীৰ চিন্তা সুদৃঢ় ভক্তিৰ দ্বাৰাই প্ৰকৃত ধৰ্ম্মৰ তথ্য উলিয়ালে; অৱশ্যে তেওঁলোকক সেই সাধনাৰ বাটত সহায় কৰিবলৈ অতীত কালৰেপৰা জ্ঞানী আৰু ঈশ্বৰভক্তসকলৰ চিন্তাৰ ফল স্বৰূপে গোটখোৱা শাস্ত্ৰনিবদ্ধ জ্ঞানৰ সমষ্টি আছিল। কিন্তু শাস্ত্ৰ-সমুদ্ৰ মন্থন কৰি তাৰপৰা ঈশ্বৰৰ তত্ত্ব আৰু ভক্তি-ধৰ্ম্ম ৰূপ মাখন উলিয়াব পৰাটো তেওঁলোকৰ নিচিনা মহাপুৰুষসকলৰ হে সাধ্যায়ত্ত, যাৰে তাৰে নহয়। বিক্ষিপ্ত সত্যৰাজি কেন্দ্ৰীভূত concentrated কৰি উলিয়াই লোকৰ উপকাৰৰ অৰ্থে ব্যৱহাৰ্য্য কৰিবলৈ master-mind মহাপুৰুষৰ আৱশ্যক। ঈশ্বৰৰ ৰাজ্যত সত্য চিৰন্তন নতুন নহয়, কিন্তু সি খনিৰ ভিতৰত থকা সোণৰ বা হীৰাৰ দৰে। "ৰেডিয়ম" নামৰ অমূল্য পদাৰ্থ সামান্য "পিচ্‌ব্লেণ্ড" নামৰ বস্তুতে আছিল, ইমান মানুহে তাক উলিয়াব নোৱাৰিলে, কুৰি (Currie) দম্পতীৰ হাতত হে সি ধৰা পৰিল, আৰু সকলোৰে দৰ্শনগোচৰ আৰু ব্যৱহাৰ্য্য হল। সাধাৰণ পুৰুষে নিগূঢ় সত্য, গুহানিহিত ধৰ্ম্মতত্ত্ব উলিয়াব নোৱাৰে; সেই কাম ঈশ্বৰাংশসম্ভূত ঐশ্বৰিক গুণ সম্পন্ন মহাপুৰুষৰ হে। কিন্তু মহাপুৰুষৰ কৃপাত সি সাধাৰণৰ প্ৰাপ্য বস্তু হয়। কলম্বচেহে আমেৰিকা আৱিষ্কাৰ কৰিব পাৰিলে, সাধাৰণ কাপ্তান স্মিথ বা জনে নোৱাৰিলে। কিন্তু কলম্বচে আৱিষ্কাৰ কৰি দি, কেনি কেনে বাটেদি আমেৰিকালৈ যাব লাগে, তাৰ বিৱৰণেৰে সৈতে যেতিয়া তেওঁৰ অভিজ্ঞতাৰ মেপ (chart) কৰি দিলে তেতিয়া স্মিথ আৰু জন কাপ্তানে দিনৌ তালৈ পাৰি দিব পৰা হল। ড্ৰেক, মেগেলিন, কুকে প্ৰথমতে জাহাজেৰে পৃথিৱী প্ৰদক্ষিণ কৰিলে, তাৰ পিছত তেওঁলোকৰ অভিজ্ঞতাৰে অভিজ্ঞ হৈ উইলচন, জনচন সকলোৱে তেনে কাম কৰিব লাগিছে। অৱশ্যে সকলো কলম্বচ, ড্ৰেক, মেগেলিন, কুক হব নোৱাৰে; আৰু ৰামদেৱ, গোপীকৃষ্ণ গোসাঁইকো আমি শঙ্কৰদেৱ দামোদৰদেৱ হবলৈ আশা কৰিব নোৱাৰোঁ; কিন্তু তেওঁলোক স্মিথ, জন, উইলচন আৰু জনচন হবলৈ আশা

কৰিব পাৰি তো? আৰু তেনেকুৱা হৈ হে তেওঁলোকে ভৱসংসাৰৰ তৰণী-খনৰ গুৰিয়াল হৈ শিষ্য যাত্ৰী লৈ নাওমেলিবলৈ সাহ কৰা উচিত নহয় জানো? সমুখত বিপদ কি ভয়ঙ্কৰ তেওঁলোকে টং কৰি চোৱা যুগুত নহয় নে? মহাত্মা যিচু খৃষ্টৰ দৰে কওঁ—"Father they know not what they are doing!" হে পৰম পিতা, তেওঁলোকে কি কৰিব লাগিছে, নাজানে!

* *

কোনোৱে কয়, ইহানবিলাক শাস্ত্ৰ আছে যেতিয়া, শাস্ত্ৰ পঢ়িয়েই দেখোন ঈশ্বৰৰ বিষয়ে ধৰ্ম্মৰ বিষয়ে জ্ঞান হব পাৰে, সেই কামলৈ গুৰু কেলেই? আমি কওঁ, কোনোৱে পাৰিব পাৰে, সকলোৱে নোৱাৰে। ঘৰত পঢ়ি private (প্ৰাইভেট্) এণ্ট্ৰেন্‌চ, ইণ্টৰ্মিডিয়েট আৰু বি, এ, কোনো কোনোৱে দিয়ে, পাছো হয়; কিন্তু এটায়ে নোৱাৰে; আৰু তাৰ বাহিৰে প্ৰাইভেট্‌কৈ পঢ়া-সকলেও কলেজৰ প্ৰফেচৰৰ "নোট" অৰ্থাৎ ব্যাখ্যা কলেজত পঢ়া বন্ধু ছাত্ৰৰ পৰা সংগ্ৰহ কৰিব লগীয়াত পৰে। ইয়াৰ উপৰিও প্ৰাইভেটে পৰিশ্ৰম কৰিব লাগে অনেক সৰহ; আৰু প্ৰাইভেটে এটা কথাৰ মানে বিচাৰিবলৈ আৰু সন্দেহ মাৰিবলৈ অনেক কিতাপ ঘুটিব লাগিব, তথাপি খৰচি নসৰে; কলেজত পঢ়োতাই তেতিয়াই তেওঁৰ প্ৰফেচৰৰপৰা তাৰ মানে পাব, আৰু বিশদ বুজ-নিত অলপ সময়তে তেওঁৰ খুকুৰি মৰিব।

* *

আজিকালি সকলো দেশতে ধৰ্ম্মটো ব্যৱসায় হৈ পৰিছে। সকলো ঠাইতে শিষ্যৰ উপকাৰৰ বাবে গুৰু নহৈ গুৰুৰ উপকাৰৰ বাবে শিষ্য হৈ "ওলোটা বুজিলি ৰাম" হল। ধৰ্ম্ম প্ৰবৰ্ত্তক মহাপুৰুষসকলে যি উদ্দেশে সত্ৰ স্থাপনা কৰিলে সেই উদ্দেশ উলটি পৰিল। গুৰুক মান লাগে, সংকাৰ লাগে, হাতী লাগে, দোলা লাগে, লগুৱা লাগে, লিকচৌ লাগে, ভাল খাবলৈ লাগে, ভাল পিন্ধিবলৈ লাগে। ধৰ্ম্ম স্থাপক মহাপুৰুষসকলে কিন্তু এইবোৰ ভৰিৰে ঠেলি পেলাইছিল; বজাই দিব খোজা মান সংকাৰ তুচ্ছ পদাৰ্থ বিবেচনা কৰিছিল। হায়! বিধিৰ কি বিড়ম্বনা! তেওঁলোকে যিহৰ বিৰুদ্ধে অস্ত্ৰ ধাৰণ কৰি জীৱন পাত কৰিছিল, তেওঁলোকৰ প্ৰচাৰিত "ধৰ্ম্মপালক" সকলৰ হাতত সিয়েই ফেৰ



ধৰি বাঢ়িল। তেওঁলোকে জাতিভেদ বিনাশ, ওখ সৰুৰ ভেদ, ধন ঐশ্বৰ্য্যৰ অভিমান ধ্বংস সাধন কৰিবৰ নিমিত্তে যি ধৰ্ম্মৰ সত্ৰ সংস্থাপন কৰিছিল, সেই সত্ৰবোৰ জাতিভেদ, ডাঙৰ সৰু, ঐশ্বৰ্য্য বিভৱৰ পূৰ্ণ প্ৰভাব বিস্তাৰৰ লীলাৰ স্থান হল। শঙ্কৰদেৱৰ শিষ্য শিৱানন্দই তেওঁৰ ঘৰত মাধৱদেৱক আদৰ-সাদৰ কৰি ধন বস্তু যচা বাবে, মাধৱদেৱে বাগুৰকাৰপৰা উভতি আহোঁতে শিৱানন্দৰ ঘৰৰ ওচৰৰ চুটি বাটেদিও নাহি দূৰণি ঘূৰণ বাটেদি আহিছিল; তেনে মাধৱ-দেৱৰ উত্তৰাধিকাৰসকলে শিষ্যক লাড়ি ধন উলিয়াই নলগে তেওঁলোকৰ টোপনি নাহে। যি মাধৱদেৱক আহোম ৰজাই কাটিবলৈ ধৰাই নি এৰি দিয়াৰ পিছত যচা ধন বস্তু মাধৱদেৱে হুচুই পৰিত্যাগ কৰি আহিছিল, তেনে মাধৱ-দেৱৰ সত্ৰৰ গোসাঁইসকলে ধন, বস্ত্ৰ, সোণৰ থাল, সাগথাল, ৰূপৰ চুণা-দিয়া টেমা নেপালে বলিয়া হয়। যি বহুলা আতাক আসাম ৰজাই "তোমাক ধন বস্তু মাটি বাৰী মানুহ-দুনুহ কি লাগে কোৱাঁ মই দিওঁ" বুলি সুধিলত তেওঁ "মোক একো নেলাগে, কেৱল মোৰ ভকতসকলক নিৰ্ভয়ে গল মেলি ঈশ্বৰৰ নাম লবলৈ দিব লাগে" বুলি ৰজাক কৈছিল, এতিয়া সেই বহুলা আতাৰ ধৰ্ম্মাধিকাৰসকলৰ সনত ধন বস্তুলৈহে আগশাৰী, নাম আৰু ভকতলৈ পিছৰ শাৰী।

---

# অনন্ত।

ক্ষণস্থায়ী সাংসাৰিক সুখৰ বাবে যি বলিয়া সি কেনেকৈ অনন্ত সুখৰ ধাৰণা কৰিব। যি এই ক্ষুদ্ৰ দেহাত আৰু তাৰ সুখতে আসক্ত, যি সংক্ষেপ পাৰ্থিব জীৱনকে সমস্ত বুলি ভাবি ভাবি তাতে অতীত বৰ্ত্তমান আৰু ভৱিষ্যত গননা কৰে, যাৰ দৃষ্টি, যাৰ চিন্তা নিজ আত্মীয় স্বজনবৰ্গৰ বাহিৰে নেযায় তেনে লোকে অনন্তৰ ধাৰণা কেনেকৈ কৰিব। যি অনন্ত সেয়ে অমৃত, তাতেহে সুখ; মৰ্ত্ত্য অচিৰস্থায়ী বস্তু সুখপ্ৰদ হব নোৱাৰে। পুৰণি কালৰ আৰ্য্য ঋষিয়ে এই কথা ভালকৈ বুজিছিল। বিশ্ববাসী সকলোকে বুজাই তেওঁলোকে কৈছিল:— যদা বৈ ভূমা তৎসুখং নাল্পে সুখমস্তি ভূমৈব সুখং। যো বৈ ভূমা তদমৃতং, যদল্পং তন্মৰ্ত্ত্যং॥ ভূমাতেহে আনন্দ, অল্পত কি আনন্দ? ভূমা কি? আনন্দ কি?

ইয়াৰ উত্তৰ ঋষিয়ে দিছে :— "যত্র নান্যং পশ্যতি, নান্যৎ শৃণোতি, নান্যৎ বিজানিতি, সভূমা। অথ যত্রান্যনাং পশ্যত্যন্যৎশৃণোত্যন্যদ্বিজানাতি তদল্পং॥" যত আন একো দেখা নাযায়, আন একো শুনা নাযায়, আন একো জানা নাযায় সেয়ে অনন্ত বা ভূমা। তাৰ বিপৰীত হৈছে অল্প। যি অনন্ত সেয়ে অমৃত, যি অল্প সেয়ে মৰ্ত্ত্য।

পুৰণি ভাৰতবৰ্ষত এই বিচাৰৰ শেষ মীমাংসা কৰা হৈছিল। জড়বাদী পাশ্চাত্য শিক্ষাৰ ইমান প্ৰাদুৰ্ভাবৰ মাজত আজিকালিও ভাৰতবাসী হিন্দুৰ মনত জড়বাদে ভালকৈ ঠাই পোৱা নাই। সত্য তল পৰি থাকিব নোৱাৰে। জড়বাদী পাশ্চাত্য দেশতো এতিয়া লাহে লাহে জড়বাদৰ ওপৰত মানুহৰ অশ্ৰদ্ধা হৈ আহিব ধৰিছে। পাশ্চাত্য বৈজ্ঞানিকসকলেও এতিয়া প্ৰকৃত প্ৰস্তাৱে আত্ম-বিচাৰত ধৰিছে। ইংলণ্ডৰ বৃটিছ এচোচিয়েচন পাশ্চাত্য দেশৰ এটাইকৈ ডাঙৰ বৈজ্ঞানিক সমিতি। অলপতে এই সমিতিৰ বছেৰেকীয়া অধিবেশনত স্যাৰ অলিভৰ লজ নামেৰে এজন ডাঙৰ বৈজ্ঞানিক পণ্ডিতে সভাপতিৰ আসনৰ পৰা এটি অতি সৰুদা বক্তৃতা পাঠ কৰিছিল। বক্তৃতাৰ বিষয়ৰ নাম continuity অনন্ত। বক্তৃতাৰ পাছৰপৰা পাশ্চাত্য দেশৰ বহুতৰ বিশ্বাস লৰচৰ হৈছে যেন অনুমান হয়। মৰণ হলেই যে আমাৰ আমিত্বৰ শেষ নহয়, মৰণৰ পাছতো আমৰ আমিত্ব সম্পূৰ্ণৰূপে বৰ্ত্তমান থাকে বৰং স্থূলদেহৰপৰা মুক্ত হৈ আত্মচৈতন্যৰ বিশেষ ভাবে বিকাশ হয় এই কথা বহুতে লাহে লাহে বুজিবলৈ ধৰিছে। লজৰ বক্তৃতাৰ এক অংশ এই :—

In jutsice to myself and my coworkes, I must risk annoying my present hearers, not only by leaving on record our conviction that occurences now regarded as occult can be examined and reduced to order by methods of science carefully and persistently applied but by going further and saying with the utmost brevity that already the facts so examined have conviced me that memory and affection are not limited to that association with matter by which alone they can manifest themselves here and now, and that personality persists beyond bodily death.



* * * * * *

The methods of science are not the only way, though they are our way, of being piloted to truth."

স্থূল দেহৰ মৃত্যুতে যে আত্মচৈতন্য নষ্ট নহয় এই মৌলিক সত্য এতিয়া পাশ্চাত্য সভ্য সমাজত প্ৰচাৰ কৰা হল। এই সত্য কিন্তু হিন্দু দৰ্শনবিলাকৰ ক,খৰ নিচিনা আদি কথা। আত্মা অজড়, অমৰ, এই সত্য বহু শতাব্দিৰ পূৰ্ব্বে ভাৰতবৰ্ষত স্থিৰ হৈ গৈছে। এই আদি সত্যৰ ভেটিৰ ওপৰতে ষড় দৰ্শন স্থাপিত। এই তথ্য অতিক্ৰম কৰি আৰু কত তথ্য, কত সত্য আৰ্য্য ঋষি সকলে জানিছিল, অতীন্দ্ৰিয় বাজ্যৰূপ মহাসমুদ্ৰ মন্থন কৰি কত অমূল্য বস্তু-ৰাজিৰ তেওঁলোক সৰাকি হৈছিল তাক এতিয়া কেইজনে বুজিব।

পাশ্চাত্য দেশত আজিকালি মিডিয়মৰ সাহায্যত লিঙ্গ শৰীৰধাৰী প্ৰেতাত্মাৰ আবাহন আদি ক্ৰিয়া চলিবলৈ ধৰিছে। এনে ক্ৰিয়াৰ মৰ্ম্ম বৈজ্ঞানিক উপায়েৰে অনুসন্ধান কৰি স্যাৰ অলিভাৰ লজ, স্যাৰ উইলীয়েম ক্ৰুকস্ প্ৰভৃতি পণ্ডিতে পৰকাল বিশ্বাস কৰিবলৈ বাধ্য হৈছে। ই কিন্তু অতি সামান্য কথা। তান্ত্ৰিক পদ্ধতি ব্যতিৰেকে এনে প্ৰকাৰ প্ৰেতাত্মাৰ আবাহন উচিত নহয়। সি যি হওক লজ চাহাবে এই প্ৰেত শৰীৰক discernate intelligence অশৰীৰি চৈতন্য বুলিছে। বস্তুতঃ স্থূল দেহৰ অন্তত যি লিঙ্গ দেহ হয় তাকে অশৰীৰি চৈতন্য বোলা যায় নে? আৰ্য্য দৰ্শনে কয় "নেতি নেতি" ই নহয়। লিঙ্গ দেহও ভৌতিক পদাৰ্থগঠিত (material), মাথোন সূক্ষ্ম, ইমানেই স্থূল দেহাৰপৰা অন্তৰ। লিঙ্গ শৰীৰ বাসনাময়, এইবাবে লিঙ্গ শৰীৰক কাম-শৰীৰ বা desire body বোলা যায়। বাসনাৰ ক্ষয় হলে যেতিয়া স্থূল দেহাৰ মৃত্যুৰ দৰে লিঙ্গ দেহাৰো মৃত্যু হয় তেতিয়া যি কাৰণ-দেহত আত্মাই অৱস্থান কৰে তাকে অশৰীৰি চৈতন্য বুলিব পাৰি নে? আৰ্য্য দৰ্শনে আকৌ মাত লগায় "নেতি নেতি"। কাৰণ-শৰীৰো পদাৰ্থগঠিত; সেয়ে অত্যন্ত সূক্ষ্ম, লিঙ্গ শৰীৰতকৈও সূক্ষ্ম, ইমান সূক্ষ্ম যে আমাৰ ধাৰণাৰ অতীত। পুৰুষ বা আত্মা (ego) স্থূল, সূক্ষ্ম, কাৰণ-অৱস্থাৰ অতীত অৰ্থাৎ

স্বৰূপ, ব্ৰহ্মৰ অংশ ব্ৰহ্ম। এই নিমিত্তেই উপনিষদৰ চৰম উপদেশ "তত্ত্বমসি"। (১)

এতেকে আত্মা অনন্ত। অনেকে নিৰ্ব্বান মুক্তিৰ নাম শুনিলে ভয় খায়। নিৰ্ব্বাণ কি আত্মাৰ? নহয়, নিৰ্ব্বাণ সেই ভুলটিৰ, যি ভুলৰ বাবে দেহকে আমি বোলোঁ, যি ভুলৰ বাবে মুক্ত হবলৈ গৈও বাটৰপৰা ফিৰি পুনৰায় স্থূল দেহা লওঁ, বাৰে বাৰে অহা যোৱা কৰোঁ। অংশ পূৰ্ণৰে মিলিলে কি শেষ ফল শূন্য হব পাৰে? আত্মাই অনন্ত, আত্মাই ভূমা, আত্মাতেই সুখ। অবিদ্যা আঁতৰ হলে, ভুল গলেই আত্মাক বিচাৰি পায়। মহাপুৰুষ মাধৱদেৱে লিখিছে :—

আত্মা ঈশ্বৰক লাগ প্ৰত্যক্ষে সততে পায়,
নাপায় আনা তাক অবিদ্যাত।
অবিদ্যা নাশিলে লাগ কৃষ্ণক পাৱয় যেন
কণ্ঠগত বস্তুক সাক্ষাত ॥

এই হল জ্ঞানযোগৰ চুৱান্ত। ভক্তই কিন্তু ইয়াতকৈও বেছি বিচাৰে। মাধৱদেৱে ঘোষাত লিখিছে :—

অবিদ্যা জনিত সুখ সত্যলোক আদি কৰি
আত নিৰপেক্ষ নিৰন্তৰ।

---

(১) কূটস্থ চৈতন্যই যে কেৱল সৎ, দেহাদি জড়ৰাশি তাৰ চাৰিওফালে প্ৰাকৃতিক নিয়মে স্পন্দিত হয় মাত্ৰ, জড়ৰাশি অসৎ অৰ্থাৎ মৰ্ত্য এই কথা মাধৱদেৱে ঘোষাত সুন্দৰকৈ দেখাইছে :—

যিহেতু চৈতন্য পূৰ্ণ পৰমাত্মা ৰূপে হৰি
হৃদয়ত আছন্ত প্ৰকাশি।
তাহাতে ইন্দ্ৰিয়গণ ভূত, প্ৰাণ, বুদ্ধি, মন
প্ৰবৰ্ত্তে সকল জড়ৰাশি ॥

পঞ্চভূতাদি চতুৰ্বিংশতি তত্ত্ব অৰ্থাৎ জড়ৰাশিৰ আশ্ৰয় শেষ তত্ত্ব পুৰুষ বা আত্মা। পুৰুষেৰে সংযোগ নহলে সেইবিলাক এনেই মিছা আৰু নিৰৰ্থক। পুৰুষেৰে সংযোগ হোৱা কাৰণেহে সেইবোৰক ভুলত সঁচা যেন দেখি; কিন্তু ভুল গলে সকলো মিছা আৰু অকল পুৰুষ বা আত্মাই সঁচা প্ৰতিপন্ন হয়।



কেৱল চিদাত্ম শুদ্ধি কৰণেসে মাত্ৰ জানা
পুৰুষাৰ্থ মুমুক্ষু জনৰ ॥
বিদ্যা অবিদ্যা জন্য সুখে নিৰপেক্ষ হৈয়া
কৰিল আপোন মন স্থিৰ।
বাসুদেৱময় মাত্ৰ সকল জগত ইটো
পুৰুষাৰ্থ জানিৰ জ্ঞানীৰ ॥
সমস্ত সুখক ত্যজি পুৰুষোত্তমৰ প্ৰেম
ভকতিক কৰিল আশ্ৰয়।
ভকত সবৰ এহি পুৰুষাৰ্থ মনোনীত
আনো সুখ অধিকে পাৱয় ॥
মুমুক্ষু জনৰ যেবে অবিদ্যা জনিত সুখে
বিৰকতি ভৈল অতিশয়।
কেৱল আত্মাত মাত্ৰ সদায় ৰমণ কৰে
তেবে বিধি কিঙ্কৰ গুচয় ॥
জ্ঞাননিষ্ঠ জনে বিদ্যা অবিদ্যা জনিত দুয়ো
সুখে বিৰকতি ভৈল যেবে।
বাসুদেৱময় মাত্ৰ দেখয় জগত ইটো
বিধিৰ কিঙ্কৰ গুচে তেবে ॥
পুৰুষোত্তমৰ প্ৰেম ভকতি সুখক মাত্ৰ
নিশ্চয় কৰিল যিটো জন।
শৰণ কালৰ পৰা বিধিৰ কিঙ্কৰ গুচি
কৰে সদা শ্ৰৱণ কীৰ্ত্তন ॥

মুমুক্ষু, জ্ঞানী আৰু ভক্তৰ পুৰুষাৰ্থ আৰু উপাৰ্জ্জনৰ তাৰতম্য দেখুৱা হৈছে। মুমুক্ষু জনে অবিদ্যাৰ সুখ অৰ্থাৎ দেহাদিৰ সুখত বিৰক্ত হৈ বিদ্যাৰ সুখ কামনা কৰে। জ্ঞানীয়ে বিদ্যা অবিদ্যা দুইবো সুখ নুখুজি যেতিয়া সমস্ত জগৎ ব্ৰহ্মময় দেখে তেতিয়া ব্ৰহ্ম সত্বাত নিজেও ডুব যায়। ভক্তই মুক্তি জ্ঞান আদিৰ সুখক উপেক্ষা কৰি কেৱল সগুণ ঈশ্বৰৰ প্ৰেমভক্তিক আশ্ৰয় কৰি শৰণ কালৰপৰাই বিধিৰপৰা মুক্ত হয় আৰু বাঞ্ছা নকৰিলেও সমস্ত সুখকে অধিক পৰিমাণে পায়।

মুমুক্ষু আৰু জ্ঞানীৰ কলনাত কঠোৰ সাধনাৰ পাছত, ভক্ত শৰণ কালৰপৰা মুক্ত। ভক্তিযোগ যে প্ৰধান অথচ সহজসাধ্য ইয়াকে বুজোৱা হৈছে।

ন্যায় অনিত্যৰ লক্ষৰ এটি অতি সাৰুৱা কথা এই যে আত্মানাত্ম বিষয় বৰ্ত্তমান বৈজ্ঞানিক উপায়েৰে প্ৰমাণিত কৰিবলৈ গলে নচলিব। বৈজ্ঞানিক প্ৰমাণ স্থূল ইন্দ্ৰিয়াদিৰ দ্বাৰাই প্ৰত্যক্ষযোগ্য কিন্তু স্থূল ইন্দ্ৰিয়াদি স্থূলৰাজ্য অতি-ক্ৰম কৰিবলৈ অসমৰ্থ। এই নিমিত্তেই সাধনাৰ আৱশ্যক। শ্ৰৱণ কীৰ্ত্তনাদি উভয় বিধ সাধনাৰ দ্বাৰাই চিত্ত একাগ্ৰ হলে সকলোপ্ৰকাৰ অনুভূতি তীক্ষ্ণ হয়। তেতিয়া সাধকে স্থূল দেহাতে থাকি দৃশ্য স্থূলৰাজ্য অতিক্ৰম কৰিও স্থূলদেহাৰ চৈতন্য নেহেৰুৱায়। মুঠতে কবলৈ গলে তেতিয়া মায়াৰ জাল আপোনাআপুনি কাটি যায় আৰু সকলো বিষয় স্ব স্ব ৰূপত প্ৰতিভাত হয়। সকলো জীৱিত লোকে প্ৰতিদিন অতীন্দ্ৰিয় ৰাজ্যত বিচৰণ কৰিও তাৰ একো গমকে নেপায়। যি সাধক তেওঁ হে নিঠকতে অতীন্দ্ৰিয় ৰাজ্য দেখে আৰু তাৰ স্পন্দনাদি অনুভৱ কৰে। এতেকে সাধনা নহলে যে কোনো দিন দৃশ্যৰাজ্যৰ বহিৰৰ কথা দেখিব বা সম্যকৰূপে বুজিব পৰা যাব এনে আশা বৃথা। মিডিয়মৰ দ্বাৰা হাজাৰ প্ৰেতাত্মাৰ আবাহন কৰিলেও তেনে আশা ফলৱতী নহয়।

এটা উদাহৰণ দিয়া যাওক। মনত কৰা এটি জন্মৰপৰা দুই চকু কণা মানুহ আছে। তাৰ আগত যদি তুমি এবছৰ বহি বগা, কলা, ৰঙা প্ৰভৃতি বৰ্ণৰ বিবৰণ কোৱা, কলাৰ পৰা বগা কি গুণে পৃথক তাক বুজাব খোজা তেন্তে তোমাৰ সকলো চেষ্টা বৃথা হব। কণাই বৰ্ণ কি সমূলি একো নুবুজিব। কিন্তু যদি দৈবাৎ এদিন তাৰ চকু ভাল হয়, তাৰ দৃষ্টি খোলে তেন্তে তোমাৰ বুজাবৰ কোনো সকাম নাই, সি নিজেই দেখিব বৰ্ণ কি, কলা, ৰঙা, বগা কাক বোলে। এই নিমিত্তেই আমাৰ শাস্ত্ৰত সাধকসকলে কি দেখে কি বুজে সকলো গুপ্ত ৰাখিছে, কেৱল সাধনাৰ ক্ৰিয়া মাত্ৰ বুজাই দিছে। গুপ্ত ৰখাখিনি বুজাই দিয়া হলেও সি আমাৰ পক্ষে কণাৰ আগত বৰ্ণৰ বিষয়ে বক্তৃতা দিয়াৰ নিচিনা নিৰৰ্থক হলহেঁতেন আৰু আমি নিজ অপাৰগতাৰ বাবে বুজিব নোৱাৰি তেনে কথা একেবাৰে অবিশ্বাস কৰি উৰাই দিলোহেঁতেন। শাস্ত্ৰমতে শিষ্যই গুৰুৰ মুখৰ পৰা সাধন প্ৰণালী বুজি লৈ সাধনা আৰম্ভ কৰিব। আদিতেই সকলো শিক্ষা পাবলৈ শিষ্য অধিকাৰী হব নোৱাৰে। ক,খ পঢ়িয়েই ৰত্নমালা কেনেকৈ বুজিব? সাধনাৰ দ্বাৰাই ক্ৰমে অধিকাৰী হয়। যিমানখিনি শিষ্যই বুজিব পাৰিব সিমানখিনি হে গুৰুৱে বুজাই দিয়ে। এয়ে প্ৰকৃত পদ্ধতি। এতেকে দেখা গল যে অতীন্দ্ৰিয় ৰাজ্যৰ ৰহস্য যে কোনো দিন জন সাধাৰণে বুজিব পৰাকৈ স্পষ্ট হব এনে আশা মিছা। এই ৰহস্য সম্পৰ্কে আমি সকলো জন্মান্ধ। আমাৰ দৃষ্টি খোলা আৱশ্যক আৰু তাৰ বাবে সাধনা আৱশ্যক। শঙ্কৰ মাধৱদেৱে দেখুৱাই দিয়া ভক্তিযোগৰ সাধনাই সহজ সাধ্য আৰু বৰ্ত্তমান কালৰ উপযুক্ত।



---

# গুটিদিয়েক চিন্তাৰ ঢৌ।

( ১৯ )

আগতে এবাৰ দেখুৱাই আহিছোঁ যে যেনেকৈ কোনো এঘৰ মানুহ ধনে মানে জ্ঞানে বৰ উন্নত থাকিও পিছে এসময়ত তাৰ বংশটি ঘোৰ দৰিদ্ৰ আৰু মূৰ্খ হৈ পৰে কোনো এটি জাতিও এসময়ত তেনে দৰে জ্ঞানে বিজ্ঞানে বলে বীৰ্য্যে ধনে মানে গৌৰৱান্বিত পৃথিৱীৰ এটি উন্নত জাতি হৈও পিছে তাৰ সভ্যতাৰ চিন একেবাৰে লোপ হৈ ঘোৰ অসভ্য জাতিত পৰিণত হোৱাৰ একো আটক নাই। পৃথিৱীৰ মানৱ জাতিৰ বুৰঞ্জী বা কিমান দিনৰ কথা। এতিয়ালৈকে বুৰঞ্জীৰ বয়স দুহাজাৰ বছৰতকৈ বেছি পোৱা নাযায়, ইয়াৰ ভিতৰতে মানৱ জাতিৰ সঁচা বুৰঞ্জীৰ তথ্য পোৱা টান, তাৰ আগৰ ডোখৰ অলেখ বছৰৰ বুৰঞ্জীৰ কথা কি সাধ্য জানিব পাৰি। ভাল দৰে গৱেষণা কৰি দেখিলেও সত্য, দ্বাপৰ বা নউৱাৰ দিনৰপৰা আজিলৈকে সেই কালৰ মানৱ জাতিৰ ইতিহাস যি পোৱা যায় সিও আন্ধাৰ ঘৰত হাতেৰে খেপিয়াই চোৱাৰ দৰে। তথাপি মানুহৰ মুখে মুখে পুৰুষপৰম্পৰা যিবিলাক সাধু কথা চলি আছে সেই বিলাকেই বুৰঞ্জী, তাক যে একেবাৰে মিছা বুলি উৰুৱাই দিব পাৰি এনে নহয়। ভাৰতৰ হিন্দু আৰ্য্য জাতিৰ পুৰাণ বিলাক যদি তল ওপৰকৈ তাৰ সাৰ গ্ৰহণ কৰি দেখা যায় তেনেহলে অতিকৈ ঠাৱৰ কৰিব পৰা যায় যে পৃথিৱীৰ ভিতৰত হিন্দু আৰ্য্যবিলাক প্ৰধান আদি সভ্য জাতি।

এই জাতিৰ ভিতৰৰ এশ্ৰেণী মানুহ দেৱতা বুলি আখ্যাত আছিল। এই দেৱতাবিলাকে মেৰু বা হিমালয় আদি ঠাইবিলাকত বাস কৰিছিল। তেওঁবিলাকে ভাৰতবৰ্ষত ৰাজ্য পতা ভাইবিলাকক শত্ৰুৰ বাটেদি বিমানেৰে আহি দেখা কৰিছিলহি আৰু দুখে আপদে তেওঁবিলাকক সহায়ও কৰিছিলহি। ভাৰতৰ হিন্দু আৰ্য্যবিলাকক একো একো সময়ত যেতিয়া অসুৰ, দানৱ, দৈত্য আৰু ৰাক্ষসবিলাকে উপদ্ৰৱ কৰে আৰু ৰণত বদুৱাই সিবিলাকৰ ৰাজ্য কাঢ়ি লয় তেতিয়া সেই দেৱতাবিলাকে আমোঘ অগ্নি অস্ত্ৰ প্ৰস্তুত কৰি সিবিলাকক দিয়ে আৰু যুদ্ধ কৌশলকো শিক্ষা দিয়ে। আৰু সময়ে সময়ে তেওঁবিলাকে নিজে ভাৰতবৰ্ষবাসী ভাইবিলাকৰ কণীয়া হৈ অসুৰ ৰাক্ষস দানৱৰ সৈতে যুদ্ধ কৰেহি। এই দেৱতা জাতি মানুহবিলাকৰ ৰজাক ইন্দ্ৰ উপাধি দিয়া হৈছিল। কেতিয়াবা অসুৰবিলাকেও ইন্দ্ৰক খেদাই স্বৰ্গ ৰাজ্য অধিকাৰ কৰিছিল। পুৰাণৰ আখ্যায়িকাত দেখা যায় দেৱাসুৰৰ যুদ্ধৰ সময়তো বা দেৱতাৰ বামুণবিলাকেই যুদ্ধৰ মন্ত্ৰণা (war counsel) ভাৰ অধিককৈ গ্ৰহণ কৰিছিল আৰু তেওঁবিলাকৰ ভিতৰৰ অনেকে সময়ে সময়ে অসুৰেৰে সৈতে যুদ্ধও কৰিছিল। নৰ আৰু নাৰায়ণ এই দুই দেৱঋষিয়ে প্ৰহ্লাদ দৈত্যৰে সৈতে তেওঁ ইন্দ্ৰত্ব লবলৈ যাওঁতে ঘোৰতৰ ৰণ কৰি যুদ্ধত প্ৰহ্লাদক পৰাস্ত কৰা পুৰাণত দেখা যায়। দেৱৰ্ষি বৃহস্পতি এজন মহা বীৰ আৰু মহা যোদ্ধা আছিল। শুক্ৰাচাৰ্য্য দৈত্যৰ পুৰোহিত বামুণজন অকল যুদ্ধত মহা যোদ্ধা, ৰাজনীতিত মহাৰাজনীতিজ্ঞ, দৈত্য ৰজাৰ প্ৰধান মন্ত্ৰি আছিল যে এনে নহয়, অস্ত্ৰসস্ত্ৰৰ শিক্ষা দাতা গুৰুও আছিল। পুৰণি দিনৰ ভাৰতৰ ফালে চাই পঠালেও দেখা যায় অজেয় ভৃগুৰাম (পৰশুৰাম), দ্ৰোণাচাৰ্য্য, কৃপাচাৰ্য্য প্ৰভৃতি বামুণবিলাকেইহে ক্ষত্ৰিয়বিলাকৰ যুদ্ধাস্ত্ৰ আৰু যুদ্ধকৌশল শিক্ষা দাতা গুৰু আছিল। এইবিলাক কাৰণত দেখা যায় বামুণৰ গাত আত্মৰক্ষা আৰু জাতি ৰক্ষা কৰাৰ ভাৱো আছিল; এই কাৰণে সেই কালত বামুণৰ গাত প্ৰকৃত ব্ৰাহ্মণত্ব আছিল। বামুণৰ আহাৰ কেনেকুৱা আছিল আৰু কেনেকুৱা হোৱা উচিত তাক এবেলি আলচ পাতি চোৱা যাওক। যিবিলাক বামুণে অতি পুৰণি কালত অতিকৈ ওখ থাপৰ দৰ্শন বিজ্ঞানৰ তত্ত্ব উলিয়াইছিল সেইবিলাকৰ ভিতৰৰ অনেকক জনক ৰজাৰ সভাত চিনাকি পোৱা যায়। তেওঁবিলাক ঘোৰ মাংসাহাৰী আছিলে। তেওঁবিলাকে গো মাংস ভক্ষণ কৰিছিলে। দুই তিনি বছৰীয়া গৰু পোৱালীটিক ৰবকৈ শলাগ লোৱা দেখা যায়। সেই কালত ভাৰতৰ আৰ্য্যবিলাকৰ শৰীৰ এঞ্জিনটিৰ ভাপ (Steam) পুৰা দমেৰে বধা হৈছিলে, সেই কাৰণে ভাৰতৰ আৰ্য্য বিলাক সেই কালত সপ্তদ্বীপেশ্বৰ আছিল। ৰেলৰ এঞ্জিন লৈ যে মই মানৱ শৰীৰটি দিখাইছোঁ তাক পাঠক পাঠিকা সকলে এবাৰ গধুৰকৈ চিন্তা কৰি ঘূৰাই ঘূৰাই দেখিব যে মানুহে যিহকে সৃষ্টি কৰক ঈশ্বৰৰ শক্তি আৰু কাৰ্য্যৰ বাহিৰে কোনো না, অলপ ধৰি একোকে গঢ়িব নোৱাৰে। এই নিমিত্তে উলটি মই ৰেলৰ এঞ্জিনৰ শক্তি (Force) টিকেই ধৰি এতিয়া শৰীৰ যন্ত্ৰটিৰ শক্তি (force) ক বিজাই চাওঁ। যেতিয়া ভাল কয়লা এঞ্জিনত দি গতি (Speed) কিমান জোখৰ হব লাগে তাক ঠাৰৰাই কলত টীপা দিয়া যায় তেতিয়া কলটো সেই দৰে চলে। বেয়া কয়লা কলত দিলে জুইৰ ভাপ দিয়া হৈ পৰে আৰু কলটিও ভাল দৰে নচলে বৰঞ্চ তাত বেছিকৈ ধোঁৱা লাগি মলা হয়। এইদৰে মানুহৰ দেহৰূপ কলটিত যদি গীতোক্ত মতে তামসিক আহাৰৰূপ কয়লা দিয়া যায় তেনেহলে দেহযন্ত্ৰ নষ্ট পায় এই নিমিত্তে তামসিক আহাৰ কোনো মানুহলৈকে ভাল নহয়। সাত্বিক আৰু ৰাজসিক এই দুইটা আহাৰৰ পোনৰটোক বৈজ্ঞৱখোৱা শেষৰটোক তান্ত্ৰিকখোৱা বোলা যায়। ঘিঁউ, গাখীৰ, মগু মাহ আৰু জহা চাউল ইত্যাদি হৈছে বৈষ্ণৱখোৱা তাৰ লগত চেনি বা মিচিৰিৰ চৰবৎ বৈষ্ণৱপানীয়া, মঙহ, মাছ, কণী বা পিঠা হৈছে তান্ত্ৰিক আহাৰ তাৰ লগত হৈছে মদ বা কটিকা তান্ত্ৰিক পান। এই দুই প্ৰকাৰৰ খোৱা পীয়াৰ লুপক অৰ্থাৎ শৰীৰ এঞ্জিনত দুবিধ বেলেগ ৰকমৰ কয়লা দিয়া ভাপ শক্তি (Steam force) কাৰ্য্যক সৃষ্টি আৰু স্থিতি (Constructive and protective) ধৰ্ম্ম বোলা হয়। এই নিমিত্তে দেখা যায় সৃষ্টি আৰু স্থিতি দুটিয়েই লগৰীয়া (Relative causes) এটিৰ বিনাশ হ আনটিৰো বিনাশ অনিবাৰ্য্য। সত্ব: ৰজ: এই দুইটা গুণৰ পৰাই সৃষ্টি আৰু স্থিতি, কিন্তু এই দুটি গুণ কোন সময়ত কোনটি প্ৰধান হৈ সৃষ্টি ৰক্ষা কৰে তাক বুজাৰৰ টান, সত্ব: প্ৰধান গুণেই হৈছে সৃষ্টি ৰক্ষাৰ কাৰণ আৰু ৰজো প্ৰধান গুণেই হৈছে সৃষ্টিৰ উৎপত্তিৰ কাৰণ, কিন্তু কোনো কোনো ঠাইত ৰজো দিয়া এই দুই গুণ দেহৰ ভিতৰৰ কেতিয়াবা

কেতিয়াবা ব্ৰহ্মাই বিষ্ণুৰ কাম আৰু বিষ্ণুৱেও ব্ৰহ্মাৰ কাম কৰা দেখা যায় আনকি তমঃৰুদ্ৰেও সময়ে সময়ে ব্ৰহ্মা বিষ্ণুৰ কাম কৰে। ভগবানৰ সৃষ্টিৰ যেনালি বুজা সাধ্য কাৰ। ৰুদ্ৰত অকল তমো গুণেই হে যে আছে এনে নহয় তাত সত্বঃ আৰু ৰজঃ এই দুইটীৰ অংশ কম পৰিমানে আছেই আছে। এই কাৰণে হিন্দুশাস্ত্ৰই ব্ৰহ্মা, বিষ্ণু, ৰুদ্ৰ তিনিউকো অভেদ বুলি কয়। এখন দেশৰ স্বাধীনতা ৰক্ষা কৰিবৰ বেলা শত্ৰুপক্ষৰ দুৰ্গ ভাঙ্গি শত্ৰুক পৰাজয় কৰিবৰ বেলিকা নিজ সৈন্যৰ অনেক ধ্বংস সাধন কৰা কাৰ্য্য যদিও ৰুদ্ৰৰ কাৰ্য্য তথাপি ইয়াক ৰক্ষাৰ কাৰ্য্য Protective cause বোলা যায়, এই স্থিতিতে ৰজো প্ৰধান তমো গুণে ধৰ্ম্মৰ কাম কৰিলে। দুৰ্ভিক্ষ বা আকালৰ সময়ত অথবা কোনো এখন ভাল বস্তু নেপোৱা ঠাইত বিশ্বামিত্ৰ ঋষিয়ে কুকুৰৰ ঠেংৰ মঙহ খোৱাৰ দৰে শুকান মাছ, গেলামাছ, যাৰে তাৰে চৰুত থকা যেন্তু পইতা ভাত বা পিঠাগুড়ি আদি খাদ্যই ও প্ৰাণ ৰক্ষা কৰে। এই নিমিত্তে "কাৰ্য্যৰ বুজিবা ভাও ছাগৰো পখালিবা পাও"। কাৰ্য্যৰ ভাও বুজি মানুহে সাত্বিক ৰাজসিক আৰু তামসিক আহাৰো খাব। কিয়নো দেহ এঞ্জিনটিত তুঁহ লাৰৰ খেৰ পাত আদি দিও জুই ৰাখিবই লাগে নহলে কল একেবাৰে থামিলে ( Stop ) হলে ড্ৰাইভাৰ জন নিজৰ ঘৰলৈ গুছি যাব লাগিব। সাত্বিক আহাৰ যথা ঘিঁউ, মাখিৰ মগুমাহ আৰু জহা চাউল আদি আনিবা দেহ এঞ্জিনৰ কয়লাই যেন এঞ্জিনৰ ভাল কাঠৰ আঙ্গাৰৰ দৰে কয়লা, ই এঞ্জিনটোক খৰকৈও নহয় লাহেকৈও নহয় মাধতে চলায়। এই সাত্বিক কয়লাৰ প্ৰয়োজন ড্ৰাইভাৰ যেতিয়া তপস্যা বা যোগত বহে। যেতিয়া মানুহৰ বাহিৰ কি ভিতৰ কোনো ফালৰ পৰা উপদ্ৰৱ নথকা হৈ পৰে তেতিয়া মনে সাত্বিক ভাব ধাৰণ কৰে। গোনতে বাহিৰৰ উপদ্ৰৱ নোহোৱা কৰিব নোৱাৰিলে মনে সাত্বিক ভাব ধাৰণ কৰা অসম্ভৱ। পুৰাণত দেখা যায় ঋষিবিলাকে যোগ তপস্যা কৰাৰ বেলা যেতিয়া অসভ্য অসুৰ দৈত্য ৰাক্ষস দানৱ বিলাকে উপদ্ৰৱ কৰিছিলে তেতিয়া তেওঁবিলাকে যোগ তপস্যা আদি ক্ৰিয়া এৰি দুষ্টৰ দমনেদে সাত্বিক সেই অসভ্য মানুহ বিলাকৰ লগত ৰণ কৰি নিষ্কণ্টক কৰিয়াহে উন্নত আধ্যাত্মিক উন্নতি সাধন কৰিছিলে। পৃথিৱীৰ যেই যেই জাতিয়েই অতি পুৰণি দিনৰ পৰা সভ্যতাৰ ক্ৰমোন্নতি ইতিহাস পাঠ কৰিলেই দেখা যায় যে উন্নততৰ ধৰ্ম



আৰু জ্ঞান প্ৰচাৰৰ লগে লগে ক্ষত্ৰিয় শক্তি থাকে, সেইয়ে নহলে এজাতিৰ সভ্যতা, ধৰ্ম্ম আৰু জ্ঞান আন এটি জাতিৰ ভিতৰত কেতিয়াও সুমুৱাব নোৱাৰে। এহাতে সুদৰ্শন চক্ৰ আন হাতে গীতা, এহাতে কোৰাণ আন হাতে তৰোৱাল আৰু এহাতে বাইবেল আন হাতে হিলৈ বৰতোপ নাথিকিলে কোনো সভ্য জাতিয়েই আন সভ্যই হোক বা অসভ্যই হোক কোনো জাতিৰ ভিতৰতেই নিজ সভ্যতা, জ্ঞান আৰু ধৰ্ম্ম প্ৰচাৰ কৰিব নোৱাৰে যে ই ধ্ৰুৱ কথা। মানুহৰ স্বভাৱত থাইকৈ এটি ধৰ্ম দেখা যায় যে মানুহে নিজে যেনে আনকো তেনে কৰিব খোজে। আৰু আন দিনে আনক চেব দিলাই নিজক শ্ৰেষ্ঠ কৰা। এই দুইটি কাৰণৰ নিমিত্তেই আদি যুগৰে পৰা মানুহৰ ভিতৰত পৰস্পৰ কটাকটি মৰা মৰি লগাৰ থাই কথা। যাৰেই বল বুদ্ধি বেছি তাৰেই জয়। বল আৰু বুদ্ধি দুইটি ভাইক সাৰথি সমান জোখেৰে যেই যেই মানুহ বা জাতিয়ে ৰাখিব নোৱাৰিলে আন জাতিৰ অধীন হোৱা ঠাৱৰ কথা, এই গতিকে মানুহে নিজ এঞ্জিনটিত কয়লা (আহাৰ) পুৰাকৈ ৰাখিব লাগে। যি স্থলত শৰীৰৰে সৈতে মনৰ সম্বন্ধ এতেকে "শৰীৰ মাদ্যং খলু ধৰ্ম্ম সাধনং" শৰীৰেই হৈছে এই পৃথিৱীত মানুহৰ কাম কৰিবৰ কাৰণে প্ৰধান যন্ত্ৰ। গাত বল নাথাকিলে মানুহে কি কাম কৰিব পাৰে, "বলং বলং বাহু বলং," বাহু বালেই থাই। তেনে হলে আমাৰ শৰীৰ এঞ্জিনৰ ড্ৰাইভাৰ জনে বেগেৰে এঞ্জিনটি চলাবৰ যেতিয়া প্ৰয়োজন হয় তেতিয়া ভাল নাগ মাটী (কয়লা) দি জুইক কোবাল কৰিব লাগে; এই হেতুকে সেই বেলা মানুহে বৈষ্ণৱআহাৰ এৰি তান্ত্ৰিক আহাৰ ধৰি বীৰাচৰী হ'ব লাগিব; তেতিয়া কোনো জাতিবিচাৰ নাই; এই ভৈৰৱী চক্ৰৰ ধৰ্ম্ম ধৰাৰ বেলা "সৰ্ব্বে বৰ্ণাঃ দ্বিজোত্তমাঃ"। বৌদ্ধধৰ্ম্মেও জাতিভেদ খোৱা লোৱাত নোহোৱা কৰি সকলো জাতিকে সমান কৰিছিলে হয় কিন্তু অহিংসা পৰমো ধৰ্ম্মৰ মানে সেইত আওপাকে বুজাই আৰ্য্য হিন্দু জাতিক সাত্বিক আহাৰ খুৱাই যোগী তপস্বী কৰাৰ হেতুকেই ভাৰত ক্ৰমে নানা জাতিৰ তলতীয়া হোৱাৰ থাই কাৰণ। অকাৰণত হিংসা কৰা কাৰ্য্যক হিংসা বোলে। অৰ্থাৎ কোনো হেতু নথকা কৈ জীৱ হিংসা কৰা অকৰ্ত্তব্য, এইয়েই হে বৌদ্ধ ধৰ্ম্মৰ সাৰ মত। মূলতঃ সেইবিলাক গৰকে হিংসা শূন্য হৈ কোনো প্ৰাণীয়েই পৃথিৱীত থাকিব নোৱাৰে প্ৰকৃতিৰ কাৰ্য্যবিলাকতেই দেখা যায় জীৱে জীৱক আহাৰ কৰে আৰু নিজে

জীয়াই থাকিবলৈ যাওঁতে আনক বিনাশ কৰে। অনেক অৱস্থা এনেকুৱা আছে যে যত তল থাপৰ প্ৰাণীক বধ নকৰিলে ওখ থাপৰ প্ৰাণীয়ে অস্তিত্ব ৰাখিব নোৱাৰে। সোঁ পাকে যদি দেখা যায় মাটী এডোখৰ ভাঙ্গি পোনতে কৃষি কৰিবলৈ যাওঁতে অনেক জীৱ হত্যা কৰি আৰু অনেক জীৱৰ থানিকা তাৰ পৰা ভাঙ্গি হেহে খেতি কৰা হয়। আৰু খেত ৰক্ষা কৰিবলৈ যাওঁতে অনেক প্ৰাণীক খেত খাই নাশ কৰাৰ বেলা হত্যা কৰিবলৈ বাধা হোৱা যায়। বাঘ সাপ আদি হিংস্ৰ জন্তুক মানুহে যদি বধ নকৰিলে হেতেন তেন্তে মানুহে ধৰ্ম্ম (আত্ম ৰক্ষা কৰি পৃথিবীত জ্ঞানৰ উন্নতি সাধন কৰিব নোৱাৰিলে হেতেন। পৃথিবীত যদি মানুহে ইতৰ জীৱ বিলাকক হত্যা কৰি তাৰ সংখ্যা কম নকৰিলে হেতেন তেনে হলে যোগ্যৰ অস্তিত্ব Survival of the fittest কেতিয়াও নাথাকিল হেতেন। মানৱ জাতিয়ে জীৱ হিংসা নকৰা হলে এই পৃথিবীত থাকিব পৰা ঠাই নহল হেতেন। পকৰা পিপৰাৰে পৰা যত জীৱ আছে সকলো বিলাকেই মানুহক খেদায় নেৰে। মানুহে খেতি কৰি খাইবই জীয়াই থাকিব খোজে এন্দুৰ, বন চিৰিকা, টোকোৰা শহা পহু, হৰিণা পহু, বৰা, শিয়াল ভালুক, মহ, হাতী, গড় ইত্যাদি জন্তু বিলাকে তাক খাই নষ্ট কৰি মানুহলৈ আকাল পেলায়। এনে অৱস্থাত সেই বিলাক জন্তুক মানুহে মাৰি যদি তাকৰ নকৰিলে হেতেন তেনেহলে মানুহে কি এই পৃথিবীত তিষ্ঠিব পাৰিলে হেতেন? এনে বিলাক কথা চিন্তা কৰি দেখিলে কেউ ফালৰ পৰা ইয়াকেই হে বিচাৰ কৰি পোৱা যায় যে, মানৱ জগতক স্থিতাপি ৰখাৰ কাৰণে ইতৰ প্ৰাণীক মানুহে হত্যা কৰা কাৰ্য্যটো যেন প্ৰকৃতিৰেই বিধান।

---

## গুৰু-চৰিত্ৰ।

( ৩৩ )

ৰেহাৰত মহাৰাজাৰ নগৰত কিছু দুৰ্ঘটনা হোৱাৰ নিমিত্তে দৈবজ্ঞ জনাই গণনা কৰি জানিব পাৰিছে যে ৰাজ্যত শনিৰ দৃষ্টি পতিত হোৱা কাৰণে অমঙ্গল হৈছে। তেতিয়াই আৰু বৰজ্ঞানৰ পানী ভাল বেয়া পৰীক্ষা কৰি বৰজ্ঞানৰ পাৰত নগৰ পাতিছে। পাট ৰাউসীৰ পৰা শঙ্কৰক নিবলৈ দূত



পঠাই দিয়াইছে, এদিন সকলো সভাত বহি আছে দূতে কল কিছুমান বিতৰণৰ নিমিত্তে দিছে। সকলো লোকে ভগাই লৈ ভক্ষণ কৰিছে, গুৰু ঈশ্বৰে নোখোৱা দেখি ৰজাই জিজ্ঞাসা কৰিছে কলখোৱা নহয় কিয়? মহাৰাজ! কল পবিত্ৰ হৈ আগ দিয়া নাই; চুৰা গাৰে আগ দি পকাইছে, অতএব খোৱা ভাল নহয়। ৰাজাই এই কথা শুনি ব্ৰাহ্মণ সকলক বহুত নিন্দা কৰিছে। গুৰু ঈশ্বৰে ছয় মাহ থাকি ৰাজাত বিদায় লৈ, ছোট দেওয়ানৰ নগৰত প্ৰবেশ কৰি বিদায় লৈছে। দেওয়ানে জন্ম ৰহস্য শাস্ত্ৰ লিখিবলৈ অনুৰোধ কৰাত উজাই আহি পাট ৰাউসী পায় মাধৱক আজ্ঞা কৰিছে। গুৰু আজ্ঞামতে শাস্ত্ৰ ৰচনা কৰি দিছে, ৰাজালৈ পঠোৱাত নিপ্ৰে আৰু মানে সকলে শ্ৰৱণ কৰি অতিশয় সন্তোষ পাইছে। ৰাজাই গুৰু ঈশ্বৰক নিবৰ নিমিত্তে দূত পঠাইছে, আইত ৰাতৰি কোৱাত যাবলৈ বাধা দিছে। বলোৰাম আতৈক মাধৱৰ ওচৰলৈ পঠাইছে বড়াৰ পোক জনোৱাগৈ আমি গনকুছিলৈ গৈ এনিশা বাস কৰিম। এই ৰাতৰি মাধৱদেৱে পায় পথ ঘাট পৰিষ্কাৰ কৰি অপেক্ষা কৰি আছে। গুৰু ঈশ্বৰে আইৰ ওচৰত বিদায় লৈ গৈ গনকুছি পাইছে; মাধৱে যথোচিত আদৰ কৰি আগ বঢ়াই নি আসন দি বহাই গুৰু পূজা কৰিছে। বড়াপো! আজি তুমিয়ে চাউল সিদ্ধ কৰা; তেওঁ কলে বাপ! এনে বাক্য নুবুলিব, আমাৰ ক্ষমতা নাই। অনেক যত্ন কৰিও নোৱাৰাত বৰ ঠাকুৰৰ হতুৱাই চাউল সিজাই একত্ৰে আহাৰ কৰিছে। শয়ন কৰিবৰ সময় একাপৰহে শয়ন কৰিছে দেখি ৰামানন্দ ঠাকুৰে আচৰিত মানিছে। দুই জনা গুৰুই আলাপ কৰোঁতে প্ৰকাশ কৰিছে যে যাদৱ পাণ্ডৱ চাৰিবিধ গোপি, আপোন পুত্ৰ নাতি, সঙ্গৰ ভকত কোন আহি কেনেকৈ অৱতাৰ হৈছে প্ৰকাশ কৰিছে। আৰু মাধৱক জনাইছে বড়াপো! আমাৰ ধৰ্ম্ম সাত পুৰুষলৈকে প্ৰৱৰ্ত্তিব, জীয়াৰিৰ নাতীপুতে ভকতি ৰাখিব। সাত পুৰুষ শেষ হলে বৰ দোকান দাঙ্গ খাব; দশম কীৰ্ত্তনত আমাক পাবা, ব্ৰাহ্মণৰ বাদে আমাৰ হৃদয় আঠ আঙ্গুললৈকে কলা পেলাইছে। তুমি বৰ ঘৰ বৰ মেল নকৰিবা; কৰিলে দুখ পাবা; ৰাজা, স্ত্ৰী, কলি বামুণক গুৰু নকৰিবা; কাৰণ ৰাজাই ইহ ছাগ কাটি ৰাজ নীতিত চলে, স্ত্ৰী পাপমতি সদাই মিছা কথা কয়। মিছা ভিন্ন সঁচা নাই, ব্ৰাহ্মণে প্ৰেতাদি কৰ্ম্ম কৰি মৃতকৰ বস্ত্ৰ ব্যৱহাৰ কৰে,

পুৰুষত ধৰ্ম্ম থাপিবা; আৰু কীৰ্ত্তন ঘোষা শাস্ত্ৰ দুখানি সংগ্ৰহ কৰিবা। ঘোষাত ঢুলডি, মুনা ছবি ঝুনুকি, লেছাৰি ছন্দ দিবা, নমস্কাৰ, ভজন, অনুধিতা, অনু-নাথ হৰবাৰ প্ৰশংসা মহিমা, কাৰুত এই সকল যোগ কৰিব লাগিব। আৰু ঘোষাৰ শেষত ঈশ্বৰৰ নাম গুণ লগাবা, তোমাক মই এৰি নেযাওঁ। এই বিলাক প্ৰবোধ বচন শ্ৰৱণ কৰি মাধৱে কাৰুন্যস্বৰে প্ৰাৰ্থনা কৰিছে বাপ! সপ্তদ্বিপা পৃথিৱী কি প্ৰকাৰে আছে। সকলোৰে তলত ঈষদ্ৰবিৰতাৰ উপৰত নাম অম্বুপাম, তাৰ উপৰে বিশাল, বিশালে ধৰিছে শালক আৰু নলক, নলৰ উপৰে ভেক, তাৰ উপৰে কূৰ্ম্ম ভুজঙ্গ উদ্ভৱ। ভুজঙ্গৰ উপৰে বিৰাট, বিৰাট হস্তে কমনাদ মহাশঙ্খ, বিৰাটৰ গুহানল, তাত হস্তে বৈতৰণি নদী। পাপী সকলক তাতে নৰক ভুঞ্জাই। এই প্ৰকাৰ প্ৰবোধ জ্ঞান দি সকলো ভকতৰ সাক্ষাতে মাধৱৰ মাথাত মালাদি সত্ৰ সভা অৰ্পণ কৰি প্ৰাতেঃ স্নান কৰি মাধৱৰ লগত একত্ৰে ভোজন কৰি, জয়ধ্বনি কৰি নাৱলৈ যাত্ৰা কৰিছে। মাধৱ দেৱে নৌকা খানি সজাই দিছে, নৌকাত উঠাই দি সকলো ভকতবৃন্দে ক্ৰন্দন কৰিছে। ঈশ্বৰ পুৰুষেও শিষ্য সকল পৰিত্যাগ কৰি সলোতক নয়নে নাৱত উঠি গমন কৰিছে। শুভ্ৰ নামে এজন পাটগিৰি আছিল, তেওঁৰ ঘাটত নাও বাধি নিশা ঘৰত আছিল। সেই নিশাই ৰাম পুৰিয়াক মাতি আনি জনাইছে, তোমাৰ সময় পালেহি; আজি নৌকা আহিব; যাবলৈ সাজু হোৱা। এই কথা শুনি ৰামপুৰিয়াই সকলো বৈষ্ণৱক সেৱা ধৰিছে; মাজ নিশা নৌকা অহাত নাম ধৰি আহ্বান কৰাত শৰীৰ পৰিত্যাগ কৰি নৌকাত আৰোহণ কৰিছে। ভকত সকলে হৰিধ্বনি কৰিছে; এই শব্দ গুৰু ঈশ্বৰৰ সহৰ ভকতে শ্ৰৱণ কৰি আচৰিত হৈ গুৰুজনত প্ৰশ্ন কৰিছে বাপ! এওঁ পূৰ্ব্ব জন্মত কোন আছিল; কৃষ্ণ অৱতাৰৰ ৰাণা ক্ৰিয়াৰ সময় দোৱ আচৰাত যোনি ভ্ৰমণ কৰিব লগীয়া হল, এতিয়া মুক্তি পালে।

পিচদিনা ৰাতি পুৱাই নৌকা মেলি আঠ কি দশ দিনৰ মূৰত বেহাৰ পাই ভেলা দোৱাৰত থিতিহল। দূতে গুৰু আগমনৰ সম্বাদ ৰাজাত জনাইছে। পিচদিনা মহাপুৰুষে ৰাজালৈ নিৰ্ম্মালি ঘৃতৰ মিঠৈ দি পঠাইছে, ভক্ষণ কৰি অত্যন্ত তৃপ্তি লাভ কৰি আহ্লাদিত হৈছে। ইয়াৰ আগেয়ে বৃন্দাবনি কাপোৰ তৈয়াৰ কৰিবৰ নিমিত্তে তাঁতি সকলক আদেশ কৰি কমুৰা তাঁতক ওঁৰে থাপিছিল



আৰু গুৰু ঈশ্বৰেও কাপোৰৰ নিমিত্তে যথেষ্ট যত্ন কৰিছে, সেই কাপোৰ লগত লৈ গৈ ৰাজাত ভেটোৰাত বন নুঠা দেখি পুনৰ তাঁতিৰ হতুৱাই তুলি দিয়াইছে। ৰাজাই কাপোৰ দেখি অত্যন্ত আহ্লাদিত হৈ চাঁদৱৰ প্ৰস্তুত কৰি তাতে বৃন্দা বনৰ নানাতৰহৰ চবি অঙ্কিত কৰাই পুতনা বধৰ পৰা কংসবধৰ লৈ সমুদায় কৃষ্ণ লীলা দেখিবৰ মন হোৱাত গুৰুজনক প্ৰাৰ্থনা জনাইছে প্ৰভু! কৃষ্ণ লীলা দেখুৱাবলৈ অনুমতি হক। ভকতৰ মনোৰথ পূৰ্ণ কৰিবৰ নিমিত্তে সমুদায় চৰিত্ৰ সভাৰ মধ্যত প্ৰকাশ কৰাত প্ৰকৃত ৰূপ দৰ্শন কৰি ৰাজাই শঙ্কৰ দেৱক ঈশ্বৰ অৱতাৰ বুলি বিশ্বাস কৰিছে। আৰু এক শৰণীয়া হবলৈ বাক্য কৰি কৃষ্ণৰ নামত শৰণ লবলৈ মনোভিলাষ প্ৰকাশ কৰিছে। ৰাজাৰ ইচ্ছা অত্যন্ত প্ৰবলতা দেখি নানাপ্ৰকাৰে বুজনি দি জনাইছে, মহাৰাজ! আপুনি ৰাজপুৰুষ ৰাজনীতি পৰিহাৰ কৰা কঠিন ব্যাপাৰ, দুৰ্গাক বলি বিধানে পূজা নকৰিলে ৰাজ লক্ষ্মীৰ শ্ৰীহীন হব। এতেকে আপুনি আমাৰ সেৱকীয়া হোৱা যুক্তি সঙ্গত নহয়। ৰাজাই জনাইছে বাপ! আমি নিশ্চয় কৰিছো নিৱাশ নকৰিব, আমাৰ মানুহে আপোনাৰ ধৰ্ম্মক আশ্ৰয় কৰি একো বিপদত পৰা নাই। আমিও তেওঁৰ সদৃশ হয়, ইয়াত অলপো সংশয় নাই। কোনো প্ৰকাৰে এৰাব নোৱাৰি জনাইছে তেন্তে আজি উপবাসে থাকক কালিলৈ যি হয় কৰা হব। এই বুলি অনুমতি কৰি নিজ বাসালৈ আহিছে। ৰাতিপুৱা শঙ্কৰদেৱ ৰাজ বাড়িলৈ নোযোৱা দেখি এজন দূত পঠাইছে। তেওঁ আহি জনাইছে প্ৰভু! নিবলৈ আহিছো; কি আদেশ হয়, মহাপুৰুষে কৈছে, আমাৰ শৰীৰ ভাল নহয়, যাব পাৰা নহব। দূতে এই বাত্ত্বিটী ৰাজাত জনোৱাত দোলা আনিবলৈ হুকুম কৰিছে। দূলীয়াই দোলা লৈ উপস্থিত হোৱাত, গাটো ভাল নহয় যাব নোৱাৰিম, গলে একেবাৰে যাব লাগিব বুলি প্ৰকাশ কৰাত ৰামানন্দ ঠাকুৰে অৱস্থা দেখি প্ৰাৰ্থনা কৰিছে! আতা! আমি একো সৰ্ব্বস্ব নাপালোঁ সকলো বস্তু তোমাৰ মাতাৰ হাতত আছে, ক্ষণিক বস্তুলৈ আশা কৰা নাই; পৰকালৰ বীত পাবলৈ হে আশা কৰিছো। গুৰু ঈশ্বৰে বৰ ঠাকুৰৰ প্ৰাৰ্থনা শ্ৰৱণ কৰি সাবট মাৰি ধৰি চুম্বন কৰিছে। বোপা! ইমান দিন তুমি নাজানিলা, আমি পিতা পুত্ৰৰ সম্বন্ধ আছে আছে বুলি মনত ভাবা নাছিলো; আজিহে সম্বন্ধ ঘটিল। আমাৰ ভড়াল শূন্য, সম্বলো নাই, সকলো সৰ্ব্বস্ব বড়াৰ পোত অৰ্পন কৰিলো, তেওঁত

আৰু আমাত ভিন্ন ভিন্ন ভাব নেদেখিবা ; দাস ভাবে প্ৰাৰ্থনা কৰিবা। পিতাৰ বস্ত বুলি ভুঞ্জিবা, আমাৰ বৈকুণ্ঠত তুমিও আমাৰ পাশলৈ যাব পাৰিবা। ভকত সকলত জনাইছে, বড়াৰ পোক আমাৰ যেন ভাবিব, পুত্ৰ নাতিক হাত যেন মানিব ৰামানন্দৰ মাতৃক পাব যেন ভাবিব ; আৰু ৰাম ৰায়ক অনাৰ জ্ঞাতি সকলক যেন সুখে প্ৰতিপালন কৰে। বোপা ৰামানন্দ তোমাক কেইটামান উপদেশ দিউ ; সেই দৰে আচৰণ কৰিবা। শিশু অশ্বত্থ নামে এজুপি গছ আহিব কোনোৱে সেই গছ জোপাৰ চা দেখা পাব কোনোৱে নেদেখিব। যেতিয়া আমাৰ মুখত বিন্দাবনী নাম উচ্চাৰণ হব, তেতিয়া তাৰ তলত নি ৰাখিবা। এই বুলি তিনটা গীত ৰচনা কৰিছে :—

১ম পাৰে পৰিহৰি ; কৰোহোঁ কাতৰি ; প্ৰন বাধৰি মোৰবে।
বিষয় বিষধৰ ; বিৰে জৰাজড় ; জীৱন নৰহে থিৰবে ॥ ১৭

২য় মন মেৰি ৰাম চৰণহি লাগু। তই দেখনা অন্তক আগু ॥ ১৮

৩য় পামৰ মন ৰাম চৰণে চিত্ত দেহ। অথিৰ জীৱন ৰাম মাধৱ কেৰি ; নাম মৰণক সম্বল লেহ। ১৯

এই গীত তিনটা গোৱা শেষ হোৱা মাত্ৰেই আকাশ মাৰ্গে নৌকা জান আহি অপেক্ষা কৰিছে, আৰু বাৰহন বৈষ্ণৱে তুতি নতি কৰিছে ; শিশু অশ্বত্থৰ চা পৰিছে, গুৰু ঈশ্বৰে দেখা পায় বৈষ্ণৱ সকলত জনাইছে, আপোনা সকল ফিৰি যাওক আমি সেৱকীয়া সকল লৈ হে যোৱা হব। দশম কীৰ্ত্তনত অলক্ষিত ভাবে থাকি অৱস্থিতি কৰিম। এই প্ৰকাৰে আকাশিবানি হৈছে ; এনে সময়তে গুৰুদেৱৰ পদ্ম মুখত বিন্দাবনী নাম উচ্চাৰণ হৈছে। ৰামানন্দ কমলিধৰা, পৰমানন্দ, বৰনীয়াগিৰি নিগনিয়াগিৰি চাৰিওজনে হৰি মন্দিৰৰ সম্মুখে কুশাসন নিৰ্ম্মাণ কৰি ৰাখিছেহি। জগত গুৰু ১৪৯০ শকৰ ভাদ্ৰ মাহৰ দ্বিতীয়া তিথিত দিবা ভাগে মানৱলীলা সম্বৰণ কৰি বৈকুণ্ঠে পয়ান কৰিছে। পুত্ৰ ৰমানন্দ ভক্তগণে ক্ৰন্দন কৰাত ক্ৰন্দনৰ ৰোল ৰাজাই শ্ৰৱণ কৰি ভূমি পায়ে আহি কান্দি কান্দি পাৱত পৰিছেহি হায়! হায়! আমাৰ অধমৰ নিমিত্তেই ইমান সোনকালে বৈকুণ্ঠ গমন কৰিলে। কতক্ষণ পৰে শোক সম্বৰণ কৰি ৰাজ ভঁৰালৰ পৰা ঘি চন্দনাদি কাঠ অনাই সেই চাৰিজনৰ হতুৱাই দহন কৰাইছে। দেৱতা সকলে প্ৰচুৰ পৰিমাণে চিতা ঢাকি পুষ্প বৃষ্টি কৰিছে।



সেই নিমিত্তে এজ্বা নদীৰ নাম পুষ্পকান্তি হৈছে। ইপিনে সেই সময়তে গুৰু ঈশ্বৰ কমলিধৰাক লগত লৈ ৰাজ দ্বাৰত উপস্থিত হোৱাত ৰাজাই নিয়া গঙ্গাজল বহু লোকে খুজি খাইছে। ৰজাত এই বাতৰিটী শুনোৱাত নৰপতি আচৰিত মানি আমাক ছন্ন কৰিলে বুলি শোক কৰিছে। সেই নিশাই গনক কুচিত মাধৱদেৱে "স্বপ্ন দেখিছে আমি আহিলো, ৰমানন্দক সকলো বস্ত দেখুৱাবা" ৰাতিপুৱা শয়ন কৰি উঠি গোপনে গোপনে দহাৰ কল কাটিছে। ৰামানন্দ ঠাকুৰে দহন কাৰ্য্য শেষ কৰি পিণ্ড দান কৰিছে। তাৰ পিছত ৰাজাৰ ওচৰলৈ গৈ বিদায় প্ৰাৰ্থনা কৰাত একশ বিশ টকা দি বিদায় কৰিছে। ঠাকুৰ বহু কষ্টে আহি পাট বাউসী পাইছেহি।

---

# পানিপথ।

## ত্ৰয়োবিংশ অধ্যায়।

দৌলত হৰলালৰ লগত চিতোৰলৈ আহিল। তেওঁ হৰলালৰ মুখৰপৰা শুনিলে যে তেওঁৰ লৰা তিৰোতা তেওঁৰ ওচৰতে আছে। বিশেষ সময়ত বিশেষ বিৱৰণ কৰ বুলি ভাবি হৰলালে দৌলতৰ ঔৎসুক্য স্বত্বেও গুলজানক কি দৰে কত পালে একো নকলে। বিশেষ বাবৰৰ বিৰুদ্ধে যুদ্ধ ইমান সোনকালে কৰিব লগীয়া হোৱাত, দৌলত সৈন্য সংগ্ৰহাদিত ইমান ব্যস্ত থাকিল, যে গুলজানৰ লগত তেওঁ সাক্ষাৎ কৰিবলৈ সময় নাপালে। যদিও কেতিয়াবা অলপ আছিল, হৰলালে তেওঁক সেই সময়ত হঠাতে গুলজানক দেখা কৰিবলৈ নিদিলে। বিমলাৰ হতুৱাই গুলজানক সকলো কোৱাৰ পাছত হে দুয়োকো দেখা কৰোৱাৰৰ হৰলালৰ ইচ্ছা। গতিকে আগেয়ে দেখা নহল।

এতিয়া ৰাজপুত আৰু পাঠান সেনাই মোগল সেনাক পৰাজয় কৰিলে। দৌলত যেতিয়া চিতোৰলৈ আহিল তেতিয়া তেওঁৰ মনত মহা আনন্দ ;— তেওঁ ভবিষ্যত ভাৰতৰ সিংহাসন সপোনত দেখিছে। দুৰ্ভাৱনাৰ অংশ এতিয়া বহুত পৰিমাণে কমিল ; এতিয়া আগত উজ্জ্বল আশা। দৌলতে গুলজান আৰু তেওঁৰ লৰা হোৱাৰী দুটিক দেখিবলৈ যে বৰ ব্যগ্ৰ হৈছে এই কথা হৰ-

লাক জনোৱা হল। হৰলালেও উপযুক্ত সময় ভাবি বহুত দিনৰ মূৰত তেওঁলোকক দেখা কাৰণে মনে মনে সংকল্প কৰিলে।

ইয়াৰ ভিতৰতে আৰু এটি কথা হৈ গল। যেতিয়া বাবৰৰ সহায় হবলৈ হৰলালইত পানিপথৰ যুদ্ধলৈ যাত্ৰা কৰিলে তেতিয়া বিমলা আৰু গুল্‌জানে নানাতৰহৰ কথাবাৰ্ত্তা পাতি কাল কটায়, কিন্তু কাৰো মনত সুখ নাই। এদিন দুয়ো বহি থাকোঁতে এজনী তিৰোতাই হৰলালক বিচাৰি আহিল। অলপ কথাবাৰ্ত্তা হোৱাৰ পাছত বিমলাই জানিলে যে হৰলালে বনৰপৰা দুটি সন্তানেৰে সৈতে এজনী তিৰোতা আনি তেওঁৰ ঘৰতে পোহ-পাল দি ৰখা কথাটো সেই তিৰোতাজনীয়ে জানি সিহঁতক চাবলৈ হে তাই আহিছে। বিমলাই জানিলে যে গুল্‌জানৰ কথায় হৈছে। বিমলাই সুধিলে তিৰোতাজনী চোৱাৰ দৰকাৰ কি? নতুনকৈ অহা তিৰোতাজনীয়ে বিশেষ একো কাৰণ নিদি ক'লে, "শুনিছো, তেওঁ পাঞ্জাবৰ ৰাণী আছিল, সেই নিমিত্তেহে চাব খুজিছোঁ।" গুল্‌জা নৰ চকুৰ পৰা দুটোপা মান পানী ওলাল। নতুন তিৰোতাজনীয়ে তেতিয়া বুজি ল'লে যে এয়ে সেই তিৰোতা হ'ব পায়। তেওঁ সুধিলে, "আই! তুমিয়ে নে কি"? গুল্‌জানে একো মাতিব নোৱাৰিলে; বিমলায়ো একো মিছা নকৈ "হয়" বুলি স্বীকাৰ কৰিলে। তেতিয়া নতুন তিৰোতাজনীয়ে নানাতৰহৰ কথা পাতিবলৈ ধৰিলে; কথায় কথায় গুল্‌জানৰ বাটত কি বিপদ হৈছিল তাকো ক'লে। বিমলা আৰু গুল্‌জানে আচৰিত হৈ নতুন তিৰোতাজনীৰ মুখলৈ চালে—গুল্‌জানৰ চকুত চকুলো। এওঁলোকৰ ভাব বুজিব পাৰি নতুন তিৰোতাজনীয়ে ক'লে, "আপোনালোকে একো ভাবিব নেলাগে। মই মহাতৰ নামে আপোনাক জানিবলৈ যোৱা এজন মানুহৰ মুখত সকলো কথা শুনিছোঁ। মোৰ নাম ফিৰোজা বিবি। যি ঘেনাৰ আপোনাৰ আগতে মৰিল মই তাৰে ভনীয়েক।" গুল্‌জান এই কথা শুনি আচৰিত আৰু ভীত হ'ল। তেওঁ ভীতিসূচক দৃষ্টিৰে গোনতে বিমলাৰ পিনে পিছতে ফিৰোজাৰ পিনে চালে। ফিৰোজাই সেই দৃষ্টিৰ অৰ্থ বুজিলে; তেওঁ ক'লে, "আই! ভয় কি? ভাই যদিও তেনে নৰকৰ কীট, ভনীয়েক তেনে নহওঁ। ভায়ে আপোনাক ইমান অন্যায় কৰিলে তাৰে প্ৰতিবিধান লৈ আপোনাক চাবলৈ যে ইয়ালৈ আহিছোঁ।" বিমলা আৰু গুল্‌জানে ফিৰোজাৰ সোমাজনৰ মূৰ্তিটি দেখিলে; আৰু দৌলতৰ ভনীয়েৰা দেহ পবিত্ৰতাৰ সৌন্দৰ্য্য



মিচিনা দেখিলে। মুখৰ কমনীয় কান্তি আৰু সেই কান্তিৰ তলত সুন্দৰ শুদ্ধ ভাব তেওঁলোকৰ চকুত পৰিল। শান্ত আৰু স্নিগ্ধ দীঘলকৈ টনা চকু দুটি, আৰু সেই চকুযোৰৰ তলত পবিত্ৰতাৰ শ্বেত কমনীয়তা তেওঁলোকৰ চকুৰ আগত পৰিল। সৌন্দৰ্য্য মনা মুখখনৰ আৰত থাকি সূৰ্য্যদেৱে অকুটা বহণ দিয়াত উষা সুন্দৰীক যেনে দেখি, বিমলা আৰু গুল্‌জানে ফিৰোজাক তেনে দেখিলে। তেওঁলোকে অবিশ্বাস দূৰৰ কথা ফিৰোজাক ভক্তি নকৰি নোৱাৰিলে। লাহে লাহে ফিৰোজা উভয়ৰে প্ৰিয় পাত্ৰ হৈ উঠিল। তেৰোঁ দুয়োৰো অনুৰোধত তাতেই থাকিল।

হৰলালে অচিৰে দৌলতক গুল্‌জানৰ লগত দেখা কৰিবলৈ লৈ গ'ল। গুল্‌জানকো বিমলাৰ হতুৱাই কথাটি আগেয়ে কোৱাই থৈছিল। আজি বিমলা আৰু ফিৰোজাৰ বৰ আনন্দ। তেওঁলোকে গুল্‌জানৰ আপত্তি থকাতো জোৰকৈ তেওঁক অলঙ্কাৰেৰে সজাইছে; ভাল কাপোৰ পিন্ধাইছে। ফিৰোজাৰ হলে বৰ বেছি। দিনৰেপৰা গুল্‌জানক সজাই থৈছে। অলপ ৰাতি হোৱাৰ পাছত দৌলত অহাৰ কথা আছিল কাৰণ দিনত আহি গুল্‌জানৰ লগত দেখা কৰিলে, গুল্‌জানক সকলোৱে পঞ্জাবৰ ৰাণী বুলি জানিব পাৰে বুলি হৰলালে ভয় কৰিছিলে।

ফিৰোজাই ভাবিলে আহা! ভাগ্যৱতী গুল্‌জান কেনে? দৌলত হেন যাৰ পতি, তাৰ সৌভাগ্যৰ সীমা কি? য'তে ত'তে তাৰ সুখ। ফিৰোজাই গুল্‌জানৰ সৰলতা আৰু সেই সৰলতাৰেপৰা উৎপন্ন অকাৰণ ভয়ৰ বাবে গুল্‌জানক বৰ ভাল পাইছিল। দৌলতক দেখি যে গুল্‌জানে কি আনন্দ পাব তাকো ভালকৈ বুজিছিল আৰু সেই আনন্দেৰে আনন্দিতা হব পাৰিছিল। সেই আনন্দ, সেই সুখৰ সমানে যে কোনো বাহিক সাজপোছাকে গুল্‌জানক সজাব নোৱাৰে তাকো ভাল কৰি জানিছিল, আৰু সেই বাবেই বৰ যত্নেৰে নানাপ্ৰকাৰ অলঙ্কাৰ আনি, ইটোৰপৰা সিটো, সিটোৰপৰা ইটো, এনে দৰে বাছি বাছি সকলটি পিন্ধালে। তথাচ ফিৰোজাৰ মনোমত নহল। এই যে মন অপাৰ সুখ সমুদ্ৰত ডুবি থাকিব, এই যে হৃদয় ওপৰে সুখ তলে সুখ চাৰিও পিনে সুখ লৈ সুখতে নিজৰ অস্তিত্ব লোপ কৰিব, এই যে দেহ সুখতে গলি পমি যাব, সুখৰ অংশে অংশে প্ৰবেশ কৰিব,—তাৰ বাহিক প্ৰদৰ্শন কিহেৰে হ'ব পাৰে? গোন

ৰূপ, মণিমুক্তা, হীৰা মাণিক, ইত্যাদিয়ে মুখৰ বাহিক প্ৰকটন কৰাবলৈ নিতান্ত অপাৰগ। তৰাৰ মালা গাথি জোনটিক মাজত বিদি কৰি পিন্ধিলেও এই মুখৰ উপযুক্ত দেহ হ'ব নোৱাৰে। ফিৰোজাই একো ভাল নেপালে। তেওঁ গুল্‌জানক ক'লে, "আই! এই দুখৰ সময়ত এনেবোৰে মুগুৱাই। সকলোকে বোৱা। সাধাৰণ কাপোৰ আৰু সামান্য গহনাবেই হ'ব।" বিমলাই ফিৰোজাৰ কথাৰ মৰ্ম্ম গ্ৰহণ কৰিব নোৱাৰি ভাবিলে, এনে সুখৰ দিনত যদি এইবোৰৰ দৰকাৰ নহয়, তেন্তে তাৰ আৱশ্যক কিয়? তেওঁ জোৰ কৰি গুল্‌জানৰ গাত গহনা আৰি দিলে—নিজৰ যি ভাল কাপোৰ আৰু ভাল অলঙ্কাৰ আছিল তাকো গুল্‌জানৰ গাত বোলা দিলে। ফিৰোজাই গুল্‌জানহঁতক ক'লে যে তেওঁ বাহিৰৰপৰা দৌলতক লৈ আহিব। বিমলাক গুল্‌জানৰ ওচৰত থৈ তেওঁ বাহিৰলৈ আহি যি ঘৰত বিমলা থাকে তাৰ দুৱাৰমুখতে দৌলতলৈ বাটচাই থাকিল গৈ।

তেতিয়া সন্ধ্যা লাগিছে; গৃহস্থৰ ঘৰে ঘৰে জুইশালত জুই শোভা পাইছে; ঘৰে ঘৰে চাকিৰ পোহৰ, ঘৰে ঘৰে সান্ধ্য আৰতিৰ শঙ্খ আৰু মৃদঙ্গৰ ধ্বনি। হৰলালৰ লগত দৌলত আহি ঘৰৰ দুৱাৰমুখ পালেহি। দুৱাৰমুখত ফিৰোজা এজনীক দেখা পাই দৌলতক তেওঁৰ লগত ভিতৰলৈ যাবলৈ কৈ হৰলালে বিদায় ল'লে। ফিৰোজাই দৌলতক বাট দেখুৱাই ভিতৰলৈ লৈ গ'ল। ফটক পাৰ হৈয়েই এখন সৰুঘৰা চোতাল পালে। ফিৰোজাই ভাবিলে, এনে পুৰুষ, এনে স্নিগ্ধ গম্ভীৰ মূৰ্ত্তি, এনে দেৱমূৰ্ত্তিৰ মধুৰ বচনত কাণ পৰিতৃপ্ত নহ'লে, সি কাণেই বৃথা, এনে হেন দেৱমূৰ্ত্তিক নেদেখিলে সি চকুৱেই নহয়; এনে হেন দেৱমূৰ্ত্তিক পূজা কৰিব নোৱাৰিলে জনমেই বৃথা। ফিৰোজাৰ ধৈৰ্য্য ভঙ্গ হ'ল; তেওঁ ক'লে "খাঁ চাহেব! অলপ কথা আছে।" দৌলতে সেই স্বৰ কাণপাতি শুনি, চিনি পাও চিনি পাও যেন লাগিল। সেই মাতৰ আবেগময় মধুৰ অথচ গম্ভীৰ ধ্বনিয়ে তেওঁৰ মনত এটি কিবা ভাব জন্মাই দিলে। দৌলতে ক'লে, "তোমাক চিনো চিনো যেন কৰিছে।" ফিৰোজাৰ বাহ্‌ জ্ঞান নেথাকিল; তেওঁৰ সংযমৰ বান্ধ বৰষাত ভাঁহি গল; তেওঁ ক'লে, "মই ফিৰোজা।" "তুমি ফিৰোজা!" দৌলতে আচৰিত হৈ সুধিলে "তুমি ফিৰোজা" তুমি ইয়াত কৰ পৰা?" ফিৰোজাই ক'লে, "অলপ কাষৰলৈ আহক কওঁ।"



ফিৰোজা আৰু দৌলত অলপ ঘূৰি ঘৰৰ পাছ পিনলৈ আহিল। তাত এখন ফুলনি। সুন্দৰ ফুলনিচাৰী। একো একোজুপি গুৱনী ফুলগছ। চাৰিওপিনে নানাৰঙৰ বনৰ দলিছা পতা। মাজে মাজে লতাবিতান, মাজে মাজে ডাঙৰ গছৰ ছাঁ। মাজে মাজে কৃত্ৰিম নদী। ফিৰোজা আৰু দৌলত ফুলনিত সোমাই সেই কৃত্ৰিম নদীৰ পাৰত এডোখৰ শিলত বহিল। ফিৰোজাই তেতিয়া আনুপূৰ্ব্বিক ঘটনাটি ক'লে, কিন্তু কি ক'লে তেওঁৰ তিমান মনোযোগ নহ'ল। তেওঁৰ মনত মন নাই; সকলো সুখময়। কথা শেষ হ'লত ফিৰোজাই দৌলতৰ মুখৰ পিনে চাই ৰ'ল। দৌলতে ক'লে "বলা ফিৰোজা ঘৰলৈ যাওঁ।" ফিৰোজাই গুডা গুডা মাতেৰে ক'লে, "আৰু এটা কথা আছে খাঁ চাহেব!" দৌলতে ক'লে "কি কথা ফিৰোজা?" ফিৰোজাই আগৰ নিচিনা কৈ ক'লে, মোৰ এটি প্ৰাৰ্থনা ৰাখিবানে কোৱা?" দৌলতে উৎসুক হৈ সুধিলে, "কি প্ৰাৰ্থনা!" ফিৰোজাই দৌলতৰ মুখৰ পিনে চালে; তেওঁৰ মুখৰ ওপৰত চকু দুটি ৰাখি ক'লে, "মই এই পানীত ডুবি মৰোঁ, তুমি আগত থাকিব লাগে।" দৌলত আচৰিত হ'ল; ইকি কথা! তেওঁ সুধিলে, "ই কি কোৱা, ফিৰোজা! তুমি পানীত ডুবিবা কেলেই? ফিৰোজাৰ চকুলৈ পানী আহিল; তেওঁ ক'লে, "নকৰি কি কৰিম খাঁ চাহেব! এই সংসাৰত আৰু কি আছে আৰু কিহৰ আশাত থাকিম?" দৌলতে ক'লে, "তোমাৰ কি, দুখ ফিৰোজা?"

ফিৰোজা—দুখ একো নাই। সুখো একো নাই। সুখৰ যি আশা আছিল সিও নোহোৱা।

দৌলত—সুখৰ আশা কেনেকৈ নোহোৱা হ'ল?

ফিৰোজা—তোমাৰপৰা। তুমি কৰিলা।

"মই কৰিলোঁ"? দৌলতে ভাবিলে, মই কি কৰিলোঁ; ফিৰোজাৰ সুখৰ বাটত মই কি কাঁইট পুতিলোঁ। তেওঁ কলে, "মই কৰিলোঁ? মই কি কৰিলোঁ, ফিৰোজা?"

ফিৰোজা—তুমি কি কৰিলা, আৰু তাকে আকৌ সুধিছা নে? তৃষ্ণাতুৰৰ আগত শীতল পানীৰ কলহ ধৰি নিৰ্দ্দয় ভাবে তাক খাবলৈ নিদিলে তাৰ কি সুখ?

লতা এজুপি ফুলি জুলি অকুমকীয়া হৈ যেৱাই যেৱাই উঠিব বুলি গছৰ পিনে কোমল হৃদয়েৰে কোমল আগ মেলি; তাত বাধা পালে লতাৰ কি সুখ?

দৌলতে ফিৰোজাৰ মনৰ কথা অস্ফুট ভাবে বুজি ল'লে। তেওঁৰ পূৰ্ব্ব কথা স্মৰণ হ'ল। স্মৰণ হ'ল যিদিনা লাহোৰত ফিৰোজাৰ সেই কমনীয় কান্তি দেখিছিল, স্মৰণ হ'ল যিদিনা তেওঁ ফিৰোজাক স্বৰ্গৰ পৰা নামি অহা জ্যোতি আৰু পবিত্ৰতাৰে সজা দেৱী প্ৰতিমা বুলি ভাবি হৃদয় মুকলি কৰি মনপ্ৰাণ ভৰি পূজা কৰিছিল; স্মৰণ হ'ল যি দিনা তেওঁৰ কাণত স্বৰ্গৰ অমিয়া বীণাবিনিন্দিত স্বৰলহৰী ঠেৰে ঠেৰে খেলা কৰিছিল; যিদিনা তেওঁ জগৎ স্বৰ্গীয় জ্যোতিৰে ভৰা দেখিছিল; যিদিনা বিশ্বব্ৰহ্মাণ্ড সেই জ্যোতিতে জ্যোতিৰ্ম্ময় হৈ, আৰু সেই সুৰতে সুৰ মিলাই তাৰ তালে তালে ঠেৰে ঠেৰে নাচি ক্ৰীড়া কৰিছিল। দৌলতৰ মনত আঘাত লাগিল। অনিচ্ছা সত্বেও চকুৰপৰা দুটোপা চকুলো দেৱতাৰ পূজাৰ উপযোগী দুৰ্ব্বাৰ আগত থকা নীহৰৰ টোপৰ দৰে বাগৰি বাগৰি আহি মাজতে লোপ পালে। দৌলতে ক'লে "ফিৰোজ! সংসাৰত মানুহৰ সকলো ইচ্ছা পূৰ নহয়। আৰু সকলো হবলৈ হলে সংসাৰত মধুৰতাও নেথাকে। অতৃপ্ত বাসনাৰ আবেগত, নিস্ফল আশাৰ যন্ত্ৰণাত, সংসাৰৰ সকলো পিনে বিৰোধী আৰু দুখপ্ৰদ অৱস্থাৰ ভিতৰত সকলোতে সুখৰ কণা আছে। সেই সুখ ভোগৰ সমৰ্থ হ'লেই সংসাৰত দুখ ভুগিব নেলাগে। সাধাৰণ আকাঙ্খাৰ অপৰিতৃপ্তি, বা বিয়োগাদি দুখৰ যাতনাৰ বাবে তেতিয়া দুখ নেলাগে। ইয়াত যে ইচ্ছাগতে কাম নহয় তাকে ভাবিয়ে সকলোতে সুখ বিচাৰিলে দুখ আৰু নহয়। তুমিও ফিৰোজা সেই দৰে মনটি গঠন কৰা। যেতিয়া যি অৱস্থাত পৰা তেতিয়া সেই দৰে কাম কৰিবলৈ শিকা, দুখ নহব।" ফিৰোজাই কেৱল কথাকে হে শুনিলে; কিন্তু তাৰ মৰ্ম্মগ্ৰহণ কৰিব নোৱাৰিলে বা পাৰিও সেই দৰে তেওঁৰ মন চালনা কৰিব নোৱাৰিলে। তেওঁ ক'লে, "খাঁ চাহেব! তুমি বিদ্বান্ তুমি বুদ্ধিমান্। সংসাৰৰ কি কথা কেনেকৈ লাগে জানা। কিন্তু মই মূঢ় তিৰোতা এজনী মাথোন। হৃদয় যি দৰে ঢাল লৈছে, মোৰ সাধ্য নাই যে তাক ফিৰাব পাৰোঁ। নৈয়ে এবাৰ সাগৰৰ পিনে গতি ললে জানো আৰু ফিৰে? সাগৰ নেপালে বাটতে শুকাই, বা আন নৈৰ লগত মিহলী হৈ তাৰ পানীৰ (জীৱনৰ) কণাৰ কনাও সাগৰৰ লগত



মিহলি কৰি কৃতাৰ্থ হয়, তেতিয়াহে তাৰ জীৱনত শান্তি আহে। যিমান দিনে মন ভৰি তোমাৰ দেৱ প্ৰতিমা পূজিবলৈ নেপাওঁ, যিমান দিনে এই হৃদয়ৰ উষ্ণ আবেগ, তোমাৰ শীতল প্ৰেম-বাৰিত শীতল নহয়, তিমান দিনে প্ৰাণৰ শান্তি নাই। সেই কাৰণেই মৰিব খুজিছোঁ।" কওঁতে কওঁতে ফিৰোজাৰ বাহ্যজ্ঞান লোপ হ'ল। তেওঁ দৌলতৰ ভৰিত ধৰি ক'লে, "খাঁ চাহেব, এই পিপাসাতুৰা চাতকক ৰক্ষা কৰা। কোৱা খাঁ চাহেব, তুমি মোক গ্ৰহণ কৰিবা।" নীল আকাশ—বহল, অতিবহল; উদ্ধত—অতি উৰ্দ্ধত! শুক্লা একাদশীৰ জোন আকাশৰ মাজত বহি অদ্ভুত ৰূপালী কিৰণেৰে জগৎ উদ্ভাসিত কৰিছে; চাৰিও পিনে অসংখ্য ত'ৰাৰ আবেগময় চিকমিকি মাজে মাজে মেঘৰ দৌড়াদৌড়িত চন্দ্ৰ সবল গতিৰে চঞ্চল হৈছে। আচৰিত চাৰিও পিনে অতি আচৰিত! সুন্দৰ, অতি সুন্দৰ! তলত শিলত বহি দৌলত আৰু ওচৰতে আবেগময়ী ফিৰোজা। মাধবীলতাবোৰে ওচৰৰ কুঞ্জৰপৰা আবেগময় কোমল হাতেৰে বকুলজুপি সাবটি ধৰিব খুজিছে। পানীৰ তলত আকাশৰ আবেগময় শোভা প্ৰতিভাত। আবেগতে যেন পানীবোৰে সেই নীল আকাশৰ সুন্দৰ শোভাটিক গাত লগাই লব খুজিছে; মাজে মাজে পানীৰ ঢৌত প্ৰতিবিম্বিত আকাশ চঞ্চল হৈ নাচি উঠিছে,—

সুন্দৰ অতি সুন্দৰ; আবেগপূৰ্ণ ফিৰোজাই ক'লে "কোৱা খাঁচাহেব, তুমি মোক গ্ৰহণ কৰিবা! এই জীৱনৰ তৃষ্ণা মিটাবা।" দৌলতে দেখিলে তলত কাতৰাক্ষী যুৱতী—তেওঁৰ কৃপা প্ৰাৰ্থিনী, তেওঁৰ প্ৰেম ভিক্ষাৰিণী। তেওঁৰ কমনীয় মুখকান্তি প্ৰেমোজ্জ্বল সূৰ্য্যৰ অফুটা আলোৰে উজলিত উষাৰ অফুটা মুখছবিৰ নিচিনা। অলপ সময় দুয়ো নীৰৱে থাকিল। ফিৰোজাৰ তেনে অৱস্থা দেখি দৌলতে ক'লে, "ফিৰোজা! এনে এদিন আছিল, যিদিন তোমাক প্ৰেমৰ প্ৰতিমা বুলি, হৃদয়ৰ আৰ্চ্চনীয় দেৱী বুলি ভাবিছিলোঁ। এনে এদিন আছিল, যিদিনা তোমাক গোটেই হৃদয়েৰে ভাল পাইছিলোঁ। এতিয়া সেই দিন নাই; আজি সেই দিন নহয়। আজি গুলজান্ মোৰ পত্নী; মই গুলজানকেহে হৃদয়েৰে ভাল পাওঁ। তেওঁত বাজে আন তিৰোতা মোৰ ভনী।" ফিৰোজা বহিল; বহি ক'লে "খাঁ চাহেব! গুলজানৰ সুখৰ ভাগী হব নোখোজোঁ। তোমাৰ চৰণত ঠাই দিয়া। দাসীৰ নিচিনা থাকি তোমাক

পান আৰু তোমাৰ সেৱা কৰিম।" দৌলতে কলে "নহয়, ফিৰোজা সি হ'ব নোৱাৰে। এদিন তোমাক ভাল পাইছিলোঁ, তোমাক গোটেই জগৎ বুলি দেখিছিলোঁ। সেই ভাব সেই প্ৰণয় যে হৃদয়ৰপৰা অন্তৰ্হিত হৈছে তাকো কব নোৱাৰোঁ। তেনে অৱস্থাত তোমাক পাহৰিব পৰা হৈ, থাকিলে একো আপত্তি নাছিল; কিন্তু এতিয়া সেই দিন নাই।" ফিৰোজাই একো নক'লে বা কব নোৱাৰিলে। অলপ সময় থাকি দৌলতে আকৌ ক'লে, "ফিৰোজা। তোমাৰ সুবন্দোবস্ত কৰি দিম, আৰু আঁতৰতে থাকিবা। ভৰণ পোষণ মোৰ হাতত। আৰু যদি কেতিয়াবা ভাগ্যোদয়—" ফিৰোজাই বাধা দিয়াত দৌলতৰ কথা মুখতে থাকিল। তেতিয়া ফিৰোজাই ক'লে, "খাঁ চাহেব! তুমি কি ভাবিছা যে ফিৰোজা কেৱল পাৰ্থিব সুখৰ লালসাতে তোমাৰ প্ৰেম ভিখাৰিণী! তুমি কি ভাবা যে তুমি সম্ৰাট হ'বা বুলি সাম্ৰাজ্ঞীৰ আশাত ফিৰোজা তোমাৰ প্ৰণয়া-কাঙ্খিনী?" ফিৰোজাই দৰ্পদীপ্ত চকুৰে দৌলতৰ ফালে চাই কবলৈ ধৰিলে "খাঁ চাহেব! সাম্ৰাজ্ঞী হোৱাৰ ইচ্ছা থাকিলে ফিৰোজা বহুত আগেয়ে হ'ব পাৰিলেহেঁতেন। ইচ্ছা কৰিলে বেগম হৈ তোমাকো গোলাম বাধিব পাৰিলে হেঁতেন।" দৌলত অলপ বিমূঢ় আৰু স্তম্ভিত হল; তেওঁ ক'লে, "নহয় ফিৰোজা। তেন্তে তুমি যদি—বলা গুলজানৰ ওচৰলৈ যাওঁ।" দৌলতে থিয় দিলে; ফিৰোজাই ক'লে "খাঁ চাহেব! এই অভাগিনীৰ কি গতি?" দৌলতে আকৌ বহিল। তেওঁ ক'লে, "ফিৰোজা! মই কৈছোঁ এদিন তোমাক ভাল পাইছিলোঁ সচা; এতিয়া মই তোমাক ভাল পাব নোৱাৰোঁ আৰু উচিত নহয়, সংসাৰত বহুত কাম আছে। তাতে লাগি সুখেৰে থাইনই থকা।" ফিৰোজাই ক'লে, "খাঁ চাহেব! তুমি কি ক'লা? সংসাৰত কি সুখেৰে থাইনই থাকিম? সংসাৰত আৰু প্ৰবেশ কৰিবৰ মন নাই। এই হৃদয়ৰ প্ৰেম এই হৃদয়ৰ দয়ামায়া সকলো পৰ্ব্বতৰ টিঙৰপৰা নামি অহা নিজৰাৰ নিচিনা মাজ বাটতে নোহোৱা হ'ল। হৃদয় শুকান। সংসাৰত আৰু কি সুখেৰে থাইনই থাকিম?" ফিৰোজাৰ চকুৰপৰা দুধাৰে চকুলো বই গল। তেওঁ নিৰ্ভৰতা ভাবেৰে দৌলতৰ পিনে এবাৰ চালে আৰু পাছতে তললৈ মুৰ নমালে। দৌলতে ক'লে," ফিৰোজা! সুখ ঢেৰ আছে। সংসাৰত প্ৰবেশ নকৰিলে আৰু আন প্ৰেমৰ পথ নাই ন? দয়ামায়াই খেলা কৰিব নোৱাৰে নেকি? এতিয়া এজনৰ নিমিত্তেই তোমাৰ



প্ৰেম; সেই প্ৰেমে এজনক পৰিতৃপ্ত কৰিয়ে সন্তুষ্ট। কিন্তু সংসাৰত কিমান মানুহ আছে; কিমান দুখী দুখতে ম্ৰিয়মান; কিমান মানুহ ক্ষুধাতুৰ; কিমান মানুহে ৰোগৰ বিভীষিকা মূৰ্ত্তিৰ কৰাল কবলত পৰি হাহাকাৰ কৰিছে! তোমাৰ প্ৰেম সকলোৰে অভিমুখী হ'ক। সি সকলোকে তৃপ্তি দিয়ক; সকলোৰে হাহা-কাৰেৰে ভৰা প্ৰাণত শান্তিৰ শীতল সলিল সেচন কৰক। কিমান পিতৃ মাতৃ হীন ল'ৰা ছোৱালীয়ে শাৰপিক্কিবলৈ নেপাই দুখে কষ্টে জীৱনৰ আগ ভাগ কটাই জীৱনৰ বাকী ডোখৰত অৱদ্ধ কাম কৰি জীৱন নিয়াইছে; কিমান হতভাগাই এদিনো স্নেহৰ মধুৰ স্বৰ বা প্ৰেমৰ শান্তিদায়ী আলাপ শুনিবলৈ নেপাই, সংসাৰক কৰ্কৰীয়া বালু ভূমিতকৈয়ো নীৰস বুলি ভাবি অতি কষ্টে জীৱন যাপন কৰিছে; কিমান দুৰ্বৃত্তই নানা অত্যাচাৰ কৰি সংসাৰত অন্যায় আচৰণ কৰিছে! তোমাৰ প্ৰেম এই সকলোৰে উন্মুখী হ'ক; তোমাৰ দয়াই সকলোকে উজ্জীবিত কৰক। তুমি সকলোৰে দয়াময়ী মাতৃস্বৰূপিণী হোৱা; আৰু তেনে হৈ সহস্ৰ সহস্ৰ নৰনাৰীৰ প্ৰাণত শান্তি দি তোমাৰ প্ৰেম সন্তুষ্ট হ'ব; তেতিয়া তোমাৰ দয়া বিশ্বকল্যা-নকাৰী হ'ব। ইয়াকে যদি পাবা তেন্তে তোমাৰ সুখৰ অভাব কি? লালসাৰ বশবৰ্ত্তিনী হৈ তেতিয়া দুখ পাব নেলাগে।" ফিৰোজাই একো নেমাতিলে; দৌলতো অলপ সময় মনে মনে থাকিল। পাছত ক'লে, "বলা, ফিৰোজা গুল্জানৰ ওচৰলৈ যাওঁ।" ফিৰোজাই বাট ধৰিলে।

---

# চিঠি।

শ্ৰীযুত সম্পাদক ডাঙৰীয়া।

যোৱা বছৰৰ ১০ম সংখ্যা বাঁহীৰ পত্ৰৰ প্ৰত্যুত্তৰত শ্ৰীযুত কনকান্ত গোস্বামী দেৱে যি উত্তৰ লেখিছে তাত বিস্তৰ ভুল দেখি আমিও কলম ধৰিব লগা হল। অনুগ্ৰহ কৰি আপোনাৰ বহুমূলীয়া কাকতত ছপাই সুখী কৰিব।

গোসাঁইদেৱে চিঠিখন লেখিবলৈ যাওঁতে বোধহয় চৰিত্ৰলৈ লক্ষ্য নকৰি নিজৰ মনত যি আহিছে তাকে লেখি বাঁহীলৈ পঠাইছে।

১। শ্ৰীশঙ্কৰ মাধৱ দেৱ মহাপুৰুষদুজনাই ধৰ্ম্মপ্ৰচাৰ কৰোঁতেই যে কাৰবাক ধৰ্ম্মাচাৰ্য্য পাতিছিল, তেনে নহয়। যি সকল লোকে মহাপুৰুষৰ ধৰ্ম্মভাৱত

যোহিত হৈ ধৰ্ম্ম লবলৈ আহিছিল, সেইসকলক প্ৰথমে শৰণ ভজন ভক্তি দান কৰি সেৱকৰ শ্ৰেণীত ভুক্ত কৰে, সেই সেৱকসকলৰ মাজত যিসকলৰ বিশিষ্ট গুণ দেখিছিল আৰু সমাজ চলাবলৈ ক্ষমতাপন্ন বুলি জানিছিল, তাঁহাসকলকে ধৰ্ম্মাচাৰ্য্য ভাৰ দি সত্ৰ শিষ্য অৰ্পণ কৰে। প্ৰথমতে সেৱকতা স্বীকাৰ কৰিহে পিছত আচাৰ্য্য হৈছে, যিসকল সেৱকে আচাৰ্য্য হব নোৱাৰিলে তাঁহাসকলৰ সত্ৰ শিষ্য নাই আৰু গুৰু ভাৰ নাপালে। তাঁহাসকলৰ সন্তানসকলে আজি কালি গোস্বামী মহন্ত উপাধিত থকা নাই।

শ্ৰীশঙ্কৰ দেৱৰ প্ৰধান শিষ্য ৭ সাত জন যথা:—

তান হস্তে হইব আচাৰ্য্য সাতজন।
যি সবাতো হস্তে হৈব লোকৰ তৰণ॥
ৰামৰাম, হৰি, দামোদৰ বিপ্ৰবৰ।
মন্তু, হৰি, নাৰায়ণ, মাধৱ শ্ৰেষ্ঠতৰ॥
পৰম অমূল্য ভক্তি মহাধৰ্ম্ম চয়।
সবে ভাৰ মাধৱক অৰ্পিলা নিশ্চয়॥
দামোদৰ মাধৱক ধৰ্ম্মত থাপিলা।
নিজ কাৰ্য্য সাধি কালে বৈকুণ্ঠে চলিলা॥

ইতি (দৈত্যাৰি ঠাকুৰ কৃত চৰিত্ৰ)

২। শ্ৰীশঙ্কৰদেৱ বৈকুণ্ঠলৈ প্ৰয়াণ কৰাৰ পিছত মহাপুৰুষীয়া আৰু দামোদৰীয়া দুটি সম্প্ৰদায় হৈ ধৰ্ম্ম চলি আহিছে। ৺দামোদৰ আৰু ৺মাধৱদেৱে ধৰ্ম্ম প্ৰচাৰ কৰিবৰ কাৰণ সেৱকসকলৰ ভিতৰৰ বিশিষ্ট গুণযুক্ত ধৰ্ম্মপুৰুষ সকলক আচাৰ্য্য কৰি থাকি গৈছে। তেতিয়াৰ পৰা বংশ পৰম্পৰাই গুৰু ভাৰ গ্ৰহণ কৰি আচাৰ্য্যসকলৰ সন্তিসন্ততিসকলে গোস্বামী মহন্ত উপাধি গ্ৰহণ কৰি নিজ নিজ নাম সত্ৰ চলাই আছে। এতিয়া এজনক ডাঙৰ এজনক সৰু বুলিলে মোৰ কথাৰ আলোচনা ভিন্ন আন একো ফল দেখা নেপাওঁ। আগে ধৰ্ম্ম লোৱা যান ডাঙৰ পিছত লোৱাজন সৰু, মোৰ মতে তেনে ভাব হোৱাটো ভাল নেদেখোঁ। কাৰো মান কোনেওঁ কাঢ়ি লব নোৱাৰে এনে স্থলত সত্ৰৰ শ্ৰেণী ভাগ কৰাৰ আৱশ্যক কি? কেৱল সত্ৰবিলাকৰ উৎপত্তিৰ মূল কাৰণটি উল্লেখ কৰি ৰাখিলেই সম্প্ৰদায়ীৰ প্ৰকৃত কাৰ্য্য সাধন হব!



দৃষ্টান্ত স্বৰূপে কেইখন মান সত্ৰৰ নাম কৰলৈ আগ বাঢ়িলো, তাঁহাসকলে যেন কোনো বেয়া ভাব অধমৰ ওপৰত অৰ্পণ নকৰে। মই সৰু বৰ নহব বুলি আগৈয়ে কৈ আহিছো। কমলাবাৰীৰ পদ্মপানি আতা সকলো আতাৰ পিছ, শ্ৰীমাধৱদেৱৰ শেষ সেৱক, সেই কাৰণে তাঁৰা সৰু নহয় আমাৰ ১২জনৰ ভিতৰত প্ৰথম মাননীয়। নৰোৱা সত্ৰৰ ৺দামোদৰ আতা, শলগুৰিৰ অনন্ত ৰাম আতা গুৰু বোৱাৰী কনকলতা আৰু লক্ষ্মী আইৰ পোষ্য তাঁৰাৰ আজ্ঞাৰ মহন্ত, সেই নৰোৱা, শলগুৰিৰ গোসাঁইসকল বৰ মাননীয়া, সৰু মাননীয়া বা আন আন সত্ৰৰ গোসাঁইসকলতকৈ পিছৰ শাৰীৰ নহয় আৰু মানো নোপোৱাকৈ থকা নাই। আউনিআটী সত্ৰ কুৰুৱাবাহীৰপৰা বাঢ়িছে, তথাপি মান দান সম্বন্ধে ওপৰতহে লব খোজে, এনেকি আজিকালি আউনিআটী সত্ৰৰ অধিকাৰ গোস্বামীয়ে কুৰুৱাবাহীৰপৰা খুণকে নললে; এতেকে ভাবি দেখক সত্ৰৰ শ্ৰেণী কেনেকৈ হব পাৰে। শ্ৰেণী কৰিবলৈ গলে অনেক সত্ৰৰ সত্ৰাধিসকলে দুখ পাব, পুথিৰ ওপৰত অনাদৰ হব, তেতিয়া কেইবছৰ মানৰ পিছত পুথিখনি লোপ পাব। যদি নিতান্তই সত্ৰৰ ভাগ কৰে তেন্তে প্ৰথমে তিনটি সম্প্ৰদায়ৰ অৰ্থাৎ মহাপুৰুষীয়া, দামোদৰীয়া, হৰিদেৱী তিনটি বিভাগ কৰি ৰাখি সত্ৰৰ উৎপত্তিৰ বিভাগ শ্ৰেয়ঃ।

৩। শ্ৰীমাধৱদেৱৰ পুৰুষৰ সেৱক অনেক। সেইসকলৰ ভিতৰত যি কেই জনক উপযুক্ত বুলি গণ্য কৰিছিল তাঁহাসকলক ধৰ্ম্মভাৰ অৰ্পণ কৰি ঠায়ে ঠায়ে পঠাই দিছিল। সেই সকলোৱে গুৰু বাক্য ৰক্ষা কৰি সত্ৰ স্থাপন কৰি থাকি গৈছে। তাঁহাসকলৰ আৰো অনেক আজ্ঞাৰ সত্ৰও আছে, বংশাদি আছে; নকলোবিলাকে গুৰু ভাৰ লৈ সমূহ ভকতপাতি লৈ আজিও গুৰু ভাৰত থাকি শিষ্য ভকত চলাই আছে। এতিয়া এজন সেৱক এজন আতা ধৰ্ম্মাচাৰ্য্য বুলিলেই হব নে? কোনসকলৰ কথা কোনে গ্ৰাহ্য কৰিব? মিছা কথা লেখাৰ পৰা কি ফল পাব, কেৱল কাজিয়া মাথোন কিনি লব পাৰিব; তাৰপৰা একো ফল নধৰে। শ্ৰীমাধৱদেৱৰ প্ৰধান আচাৰ্য্যসকলৰ নাম লেখা হল, আজিও সেইসকল আচাৰ্য্যৰ সন্তিসন্ততিয়ে সত্ৰ শিষ্য চলাই আছে। ১। বংশী গোপাল ২। যদুমণি ৩। শ্ৰীহৰি ৪। ৰামচৰণ ঠাকুৰ। ৫ গোপাল ৬। মথুৰা দাস ৭। গোবিন্দ ৮ বিষ্ণু ৯। লক্ষ্মীকান্ত ১০। পদ্মপানি

১১। গোপাল (কালজাৰৰ) ১২। কেশৱ ১৩। পড়িয়া মাধৱ ১৪। ৰাম ৰাম আতা ১৫। মহোদৰ ১৬। হৰি আতা ১৭। বৰবিষ্ণু ১৮। হৰিহৰ আতা ১৯। শ্ৰীৰাম আতা ২০। নাৰায়ণ ঠাকুৰ দাস ২১। বুঢ়াপো গোবিন্দ ২২। কাবৈৰ মৰীয়া বলোৰাম ২৩। মাণিকপুৰৰ কৃষ্ণ ২৪। বাহিৰ বিলাতৰ শ্ৰীকৃষ্ণ।

লেখকে বোধ হয় এই সকল সত্ৰৰ নাম শুনা নাই; তাঁৰাক জনাবৰ কাৰণে সত্ৰৰ নাম দিয়া হল। সছা মিছা খবৰ কৰিব পাৰে। ১, ২, ৩, ৪, ৬, ৯, ১০, ১১, ১২, নম্বৰ সত্ৰৰ নাম ধাম পৰিছন্ন আছে বুলি পুনৰ লেখা নহল। যি কেইখন সত্ৰৰ নাম শুনা নাই আৰু ভুল হৈছে তাকেহে উল্লেখ কৰা হল।

৫নং সত্ৰ গোপাল:— পড়িয়া মাধৱ আতাৰ ভ্ৰাতৃ হয় সত্ৰ, সৰু হেৰাম দৈ,

৭নং সত্ৰ গোবিন্দ:— এই জনাৰ বাসস্থান গোমাত আছিল; গুৰু বাক্য অলপ আওকাণ কৰা বাবে লেচাকণীয়া নাম হৈছে। দৈত্যাৰি ঠাকুৰ কৃত চৰিত্ৰত ১১৮৯ শকৰ পৰা ১১৯৫ শকলৈকে উল্লেখ আছে। তাঁৰাৰ প্ৰধান সত্ৰ খটৰা, শাখা সত্ৰ, চাঁপাতল, হাতীমুৰা, বসুৰা, ঔগুৰি, মাজ বাট, বগৰা বাৰী, মহৰীয়া, কোটালকুচি।

আজ্ঞাৰ সত্ৰ:—ৰৰকলা, বনমাজা, কাঠি ভুৱন, পালাভিঠা, পুনীয়া।

৮ম নং সত্ৰ বিহাৰৰ বিষ্ণু আতা:—মধুপুৰ সত্ৰৰ প্ৰথম অধিকাৰ এওঁ আকৌ কমলাবাৰী, বৰনা, মাছনিয়া, কেলেঙ, গুজনাং, জয়পুৰ, কৃষ্ণভিতি, পাতী সত্ৰ, দলৈ গুৰি, আদি স্থাপন কৰে।

১৩নং সত্ৰ পড়িয়া মাধৱ:—লেখকে লিখিছে পড়িয়া গোপাল এইটি ভুল, পড়িয়া মাধৱ হে হব লাগে। তাঁৰাৰ সত্ৰ বৰ হেৰাম দৈ, সৰু হেৰামদৈ, গুৱপুত, সৰু ফুলগুৰি, বৰ ফুলগুৰি, সোঁৱাল কুছি।

১৪ নং সত্ৰবান ৰাম আতা
১৫ নং মহোদৰ আতৈ—
১৬ নং হৰি আতা
} এই তিন জনৰ সত্ৰ নাই; মধুপুৰ আৰু বৰ পেটাতে বহাৰ উপকাৰী আৰু সত্ৰিয়া হৈছিল।

১৭ নং হৰিহৰ আতা:—কোচ বিহাৰত মাজিটিমাৰা সত্ৰ স্থাপন কৰে।

১৯ নং শ্ৰীৰাম আতা বৰ পেটা সত্ৰত শ্ৰীমাধৱদেৱৰ লগত উদাস হৈ আছিল সত্ৰ নাই।



২০ নং নাৰায়ণ ঠাকুৰ দাস আতা:—পূৰ্ব্বে শ্ৰীশঙ্কৰদেৱৰপৰা ধৰ্ম্ম পাই পিছত শ্ৰীমাধৱদেৱৰ সহিত ধৰ্ম্ম বিস্তাৰ কৰে। শ্ৰীমাধৱদেৱৰ সৃহৃদ আছিল, এৰাৰ বংশ পৰিয়াল বহুত আছে। শ্ৰীমাধৱদেৱৰ আচাৰ্য্যৰ লগতো সম্ভি কৰে। জনিয়া, কনৰা, মঙ্গলবাৰী আদি সত্ৰ স্থাপন কৰে। এই সত্ৰতে শ্ৰীপুৰুষোত্তম ঠাকুৰদেৱ বাস কৰিছিল।

২১। বুঢ়াপো গোবিন্দ আতা:—উদাস হৈ পিছত মধুপুৰত সত্ৰীয়া হয়। কোনো সত্ৰ স্থাপন কৰা নাই, বংশাদিয়ো নাই।

২২। কাবৈমৰীয়া বলোৰাম আতৈ:—কাবৈমাৰি সত্ৰ

২৩। মাণিকপুৰৰ শ্ৰীকৃষ্ণ আতা:—মাণিকপুৰ; সিক্ৰিশাণ সত্ৰ

২৪। বাহিৰ বিলাতৰ শ্ৰীকৃষ্ণ আতা:—চিৰাঙ্গলী সত্ৰ

লেখক শ্ৰীযুত ৰুদ্ৰকান্ত গোসাঁই দেৱ এটকা মহন্তৰ অৰ্থ কি কৰিব খোজে? অকল মাজুলিত থকা সত্ৰ কেইখনকে এটকাৰ ভিতৰত ধৰিব খোজেনে কি? মনৰ ইচ্ছাৰে লেখিলে কোনোবাই তেঁৰাৰ কথালৈ কাণ কৰিবনে? আমি সাধু সকলৰ মুখত শুনিছোঁ এটকাৰ অৰ্থ চাৰি মহা সেই মতাৰ ভাগমতে চাৰি বস্তু যি সকল মহন্তৰ শৰণৰ প্ৰণালী তাঁৰা সকলেই এটকাৰ ভিতৰত। আৰু এক প্ৰকাৰে কয় কোনো এক সময়ত বজা ঘৰৰ পৰা মহন্তৰ সংখ্যা লবলৈ কোৱাত এটকা ৰূপৰ কড়িৰ সংখ্যা হল সেই বাবেহে এটকা হল। শ্ৰীযুত ৰুদ্ৰ কান্ত গোসাইয়ে লেখে ৰুদ্ৰ সিংহ ৰজাই মাজুলিত ঠাই দিয়া মহন্ত সকলহে প্ৰকৃত মহন্ত, আন বিলাক আধুনিক। এই কথাফাকি কেনে পক্ষপাত যুক্ত আৰু অসঙ্গত কথা পাঠক সকলে ভাবি দেখক। কামৰূপ দৰং নগাওঁ জিলাত থকা মহন্ত গোসাঁইসকল নতুন; এই কথাৰ ওপৰত কাৰবাৰ বিশ্বাস আছে যদি কৰক, আমি হলে এনে কথাত প্ৰত্যয় নেযাওঁ।

পুৰোষোত্তম, চতুৰ্ভুজ ঠাকুৰ দেৱৰ আজ্ঞা পোৱা মহন্ত সকলক ঠাকুৰীয়া বোলে নে? মহাপুৰুষীয়া বোলে বোধ হয় গোসাই দেৱে নেজানে। কিন্তু যিসকলে শিৱসাগৰ, জোৰহাট, গোলাঘাট আদি ঠাইত ভ্ৰমণ কৰিছে বা বাস কৰিছে তেওঁলোকে সহজে জানিব যে চাৰি সত্ৰৰ শিষ্যক বামুণীয়া, বৰ বাৰজনীয়া, সৰু বাৰজনীয়াক মহাপুৰুষীয়া, গোপাল আতাৰ আজ্ঞা পোৱা মহন্ত সকলৰ শিষ্যক ঠাকুৰীয়া বোলে।

শ্ৰীমাধৱদেৱৰ আজ্ঞা পোৱা আচাৰ্য্য ১২জন ৩জন আচাৰ্য্য নহয়, আৰু কোন কোন আচাৰ্য্য কোন কোন সেৱক কোন শাস্ত্ৰৰ আশ্ৰয়ত পৃথক কৰিছে কেনেকৈ জানিলে আৰু আচাৰ্য্য কাক বোলে সেৱক কাক বোলে অনুগ্ৰহ কৰি যেন জানিবলৈ দিয়ে। আমি জানো যিসকলে দুজনা গুৰুৰ আজ্ঞা পাই ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ ক্ষমতা পালে, আন সত্ৰৰ গৰাকি হল আৰু শৰণ ভজনৰ ভাৰ পালে তাঁৰাসকলেই আচাৰ্য্য। যিসকলে শৰণ ভজনৰ ক্ষমতা নেপালে তাঁৰাসকল সেৱকৰ শ্ৰেণীত থাকিল। এই নিয়মে যদিও লেখকে হৰিহৰ আতাক বা তাঁৰাৰ আত্মজসকলক শৰণ ভজনৰ ভাৰ কাঢ়িলৈ সেৱকৰ শ্ৰেণীত পেলালে কিন্তু লেচাকণীয়া গোবিন্দ আতাৰ বংশই বোধ হয় লেখকৰ কথাত মান্তি নহব, কিয়নো তেঁৱাসকলৰ বংশ পৰিয়াল বহুত শিষ্য সত্ৰও বিস্তৰ আছে। সদিয়াৰপৰা বিজনিৰ সীমালৈকে লেচাকণীয়া গোবিন্দৰ বংশৰ আৰু আজ্ঞা পোৱা মহন্তৰ অনেক সত্ৰ শিষ্য আছে। লেখকে বোধহয় নেজানে যে ৺দীননাথ বেজবৰুৱা ডাঙৰীয়াৰ লিখিত আচাৰ্য্য সংহতিৰ শ্লোকত উল্লিখিত গোবিন্দই লেচাকণীয়া গোবিন্দ আতা আৰু শ্লোকৰ উল্লিখিত বিষ্ণু আতাও বৰ বিষ্ণু আতা নহয়, বিহাৰৰ বিষ্ণু আতাকেহে লক্ষ্য কৰিছে। কাৰণ বৰ বিষ্ণু আতা, নাৰায়ণ ঠাকুৰ আতা আৰু ওপৰ থাপৰ মহন্ত। লেখকে বুঢ়াপো গোবিন্দ আতাক ১২জন আচাৰ্য্যৰ ভিতৰত লেখি লেচাকণীয়া গোবিন্দ আতাক সেৱকৰ শ্ৰেণীত কোন প্ৰমাণেৰে ভুক্ত কৰিছে জানিব নোৱাৰিলোঁ। শ্ৰীমাধৱদেৱ বৰ্ত্তমান থকা সময়ত বুঢ়াপো গোবিন্দ আতা উদাস সেৱক আছিল, (মধুপুৰত)। গুৰু জনে আচাৰ্য্য ভাৰ দিয়া নাই। যেতিয়া বিষ্ণু আতা উঠিল তেতিয়া মধুপুৰত গোবিন্দ আতা সত্ৰিয়া হয়। সেই দিনাৰপৰাহে আচাৰ্য্য হৈছে। লেচাকনীয়া গোবিন্দ আতা আগেয়ে গোমাৰ গোবিন্দ নামে খ্যাত আছিল। ধৰ্ম্ম প্ৰচাৰাৰ্থে গুৰুজনে আজ্ঞা দিলত ভয় পাই নামাতি থকাত ৺নাৰায়ণ ঠাকুৰ আতাই লেচাৰ কাণত (ভতৰা গৰুৰ কাণত) গুৰু বাক্য কোৱা হলনে কি বোলাত সেই দিনাৰপৰাহে লেচাকনীয়া গোবিন্দ হৈছে। গোবিন্দ আতাই গুৰুজনৰ ওচৰত সুন্দৰিত ধৰ্ম্ম ধৰিছে তাৰ প্ৰমাণ দৈত্যাৰি ঠাকুৰ ৰচিত চৰিত্ৰৰ ১১৮৯ পদৰ পৰা ১১৯৫ পদলৈকে পঢ়ি দেখক।



এনে এজন চৰিত্ৰ লগা সাধুৰ বংশ পৰিয়াল শিষ্য সত্ৰ থকা মহন্তসকলৰ উপৰি পুৰুষক সেৱক আৰু আতৈ বুলি সত্ৰৰ সমূহ ভকতৰ আৰু অধিকাৰৰ মনত কষ্ট দিয়া যুক্তিসঙ্গত নহয়।

যেতিয়ালৈকে দুজনা গুৰুৱে ধৰ্ম্ম প্ৰচাৰ কৰি আছিল, তেতিয়ালৈকে সকলো আচাৰ্য্য আৰু সেৱকসকল আতৈ নামে খ্যাত আছিল। অকল ৺শ্ৰীশঙ্কৰ দেৱকহে আতা সম্বোধন কৰিছিল। চৰিত্ৰ পঢ়িলেই জানিব পৰা যায় শ্ৰীশঙ্কৰদেৱে বৈকুণ্ঠে প্ৰয়াণ কৰাৰ পিছত শ্ৰীমাধৱদেৱক আতা সম্বোধন কৰে। যেতিয়া দুজনা গুৰু বৈকুণ্ঠে প্ৰয়াণ কৰিলে তেতিয়া আচাৰ্য্যসকলক নিজ নিজ শিষ্যই আতা বুলি সম্বোধন কৰাত আচাৰ্য্যসকল আতা হল। যিসকলৰ শিষ্য নাছিল তাঁৰাসকল আতৈ থাকিল। আজিকালিও কোনো কোনো সত্ৰৰ শিষ্যই অধিকাৰক আতা বোলে। প্ৰমাণৰ কাৰণে কেফাকি মান চৰিত্ৰৰ পদ তুলি দিলোঁ।

শ্ৰীৰাম আতৈৰ কথা কহো আৰে  
শুনা সাধু নিৰন্তৰ।  
আন বস্তু তান, নাই কন্থা আন  
দুইখন ধৰিত পৰ॥ (৯৯০ পদ)

ভৱানী পুৰৰ গোপাল আতৈ,  
মাধৱ দেৱৰ ঠাই।  
আসন্তে পথত কম্বিলাৰ গুৰু লৈলা  
তান সঙ্গ পাই (১১২২ পদ)

গুৰুবাস এৰিবাক নপাৰিলো মানে।  
এহি মতে বোলা বুলি মাস দিন মানে॥

দক্ষিণকুলিয়া বিষ্ণু আতৈ বুলিয়ন্ত।  
ভৱানীপুৰৰ গোপাল আতৈয়ো বোলন্ত॥ (১১৬৯)

শ্ৰীৰাম আতা, বৰ বিষ্ণু আতা, গোপাল আতা যেন পুৰুষ সকলকো মহা-পুৰুষ গুৰু বৰ্ত্তমান থকা বাবে আতৈ শব্দ ব্যৱহাৰ হৈছিল। সেই বাবেই যে অন্যৰ আতাসকল আতৈ হব পাৰে নে? গোবিন্দ আতাও এই প্ৰণালীত

আগৰে আতৈ থকা সত্য কিন্তু যেতিয়া আচাৰ্য্য হৈ শিষ্য ভজালে তেতিয়া আতা হল।

৺বৰপেটা সত্ৰত ৺লক্ষ্মীকান্ত আতা, ৺পাটৰিয়া মাধৱ আতা ৺লেচাকনীয়া গোবিন্দ আতা ৺মাণিক পুৰিৰ শ্ৰীকৃষ্ণ আতাৰ সমান মান, সমান পদপি, এক স্থান। চাৰিজন সমান ভকতৰ দুজনা আতা হয় এজন আতৈ হয় এজনৰ নামেই নাই ইত্যাদি কেনে যুক্তিহীন কথা পাঠকসকলে ভাবি চাওক। আচল সঁচা কথা ওলোৱাতে আমাৰ উদ্দেশ্য। লেখকৰ মনত কষ্ট দিয়া উদ্দেশ্য নহয়। সত্ৰাৱলী পুথিত যাতে নিৰপেক্ষ কথা থাকে তালৈকেহে সকলোৰে চেষ্টা কৰা উচিত।

শ্ৰীপুৰাৰাম মহন্ত।

---

# ফৈজী বেগম।

সিৰাজদ্দৌলাৰ ৰাজত্ব কালত দিল্লী নগৰত "ফয়জান" নামেৰে এজনী নৰ্ত্তকী বাস কৰিছিল। সেই কালত দিল্লী নগৰত তেনেকুৱা ধুনীয়া কোনো মাইকী মানুহেই নাছিল। সকলোৰে ভিতৰত তেওঁৰেই "অদ্বিতীয়া আছিল" এটি কথা শুনিবলৈ পোৱা যায় হেনো সেই নৰ্ত্তকীৰ প্ৰায় ওজন কেবল মাত্ৰ ২৫ সেৰ আছিল, কিন্তু সেই ক্ষীণ দেহতো যি মধুৰ সৌন্দৰ্য্যই প্ৰকাশ কৰিছিল তেনে সৌন্দৰ্য্য দিল্লীৰ বেগম সকলৰ ভিতৰতো দেখাপোৱা নগৈছিল। তেওঁৰ শৰীৰৰ প্ৰত্যেক অঙ্গতে সৌন্দৰ্য্যৰ চিন দেখা গৈছিল।

এদিনাখন সিৰাজদ্দৌলাই মুৰ্শিদাবাদৰ বিলাস ঘৰত বহি বিলাসত থাকোতেই সেই নৰ্ত্তকীক দেখা পায়। তেওঁৰ সেই মধুৰ, স্নিগ্ধ, সৌন্দৰ্য্যত জগত বিখ্যাত নবাব সিৰাজদ্দৌলাও ভোল গৈছিল।

তেওঁৰ মন একেবাৰেই তেওঁৰ লগত আলাপ পৰিচয় কৰিবৰ কাৰণে উন্মত্ত হল। অৱশেষত এদিন গান কৰোৱাৰ ছলেৰেই "ফয়জানক" মুৰ্চিদাবাদলৈ মতাই অনালে। মুৰ্চিদাবাদত নবাবৰ "বিলাস" ঘৰত মহাসমাৰোহেৰে গান আৰম্ভ হল, আৰু নবাবে কেইজন মান অতি বিশ্বাসী বন্ধুৰ লগত একে লগে বহি একান্ত মনেৰে গান শুনিবলৈ বহিল।



ফয়জানৰ গানৰ সুৰ শুনি সকলো মোহ গল কাৰো কঁতো মুখৰ মাতেই নাই। চাৰিওপিনে নিমাত নিতাল দেখি এনে বোধ হ'ল যেন প্ৰকৃতি দেৱীও সেই গানৰ সুৰতে বলিয়া। নবাবৰ মুখত একো মাতবোল নাই। তেওঁ কাৰো ফালে চোৱা নাই। কেবল মাথোন তৃষ্ণাতুৰ চকোৱাইয়ে ঘনে ঘনে পানীলৈ চোৱাদি নবাবে একেথৰে ফৈজীৰ মুখৰ ফালে চাবলৈ ধৰিলে।

অকল গানেই নবাবক ইমান মোহিত কৰিছিল এনে নহয়, তাৰ লগে লগে ফয়জানৰ সৌন্দৰ্য্যই। এনেয়ে সৌন্দৰ্য্যৰে পৰিপূৰ্ণ ১৪ বছৰীয়া ছোৱালী, তাতে আকৌ বিচিত্ৰ অলঙ্কাৰেৰে বিভূষিতা হৈ চুলিকোচা মেলি নাচোতে ঠিক যেন বিলৰ মাজত বতাহত লাৰ থকা পদুম পাহীৰ দৰে দেখা গৈছিল।

এইদৰে ভালেখিনি সময় গান হোৱাৰ পিছত সকলোৰে অনিচ্ছা সত্বেও তাক বন্ধ কৰা হল। সকলোৱে আনন্দেৰে "ফয়জানৰ" গানৰ সুখ্যাতি কৰিবলৈ ধৰিলে। চাৰিওফালে ফয়জানৰ গানৰ সুখ্যাতি বিয়পি পৰিল। ফয়জানে যাবৰ সময়ত কপালত হাত দি এবাৰ নবাবৰ ফালে কেৰাহি কৰি চাই নিজ থকা ঠাইলৈ গুচি গল। চিৰাজ এনেয়ে অৰ্দ্ধবিত্ত তাতে আকৌ নতুন দৃশ্য দেখি উন্মত্ত হ'ল। চিৰাজে সেই গান শুনিয়েই শান্তি লাভ কৰক ছাৰি তেওঁৰ মন জুইত ঘিউ পৰাৰ দৰে হল। চিন্তাৰ ছলে একে বাৰেই সৰা বুৰাই পেলালে। তেওঁ মনে মনে ভাবিবলৈ ধৰিলে—'যি ফুল দেখোতেই মনত ইমান আনন্দ ইমান সুখ ইমান আহ্লাদ, সেই ফুল হাতেৰে স্পৰ্শ কৰিবলৈ হলেনো অন্তঃকৰণে কিমান আনন্দ লাভিব।' সংসাৰক উটাইবুৰাই নিয়া ঢলক কোনে বালিৰ ভেটা দি বান্ধিব পাৰে? ওলাই অহা সূৰ্য্যক কোনে কাপোৰেৰে সোপা দি ৰাখিব পাৰে? নবাবেও মনক বান্ধি ৰাখিব নোৱাৰিলে। মন একেবাৰেই ফয়জানৰ প্ৰেমত মতলীয়া হ'ল। শেষত তেওঁ লাখ টকাৰ উপঢৌকন দি নিজৰ সহধৰ্ম্মিণী কৰি ফয়জানক ৰাখিলে। তেওঁক নবাবে উপপত্নী স্বৰূপে ৰখা নাছিল। তেওঁ ফয়জানৰ নাম ফৈজী বেগম দি অন্তঃপুৰত নিজ বেগম সকলৰ লগতে থাকিবলৈ ঠাই দিলে।

যি প্ৰাণ বতাহৰ লগত উৰি ফুৰিছিল, যি প্ৰাণে স্বাধীনতা ভাল পাই অহঙ্কাৰত মত্ত হৈ ফুৰিছিল তেনে প্ৰাণকো আজি অন্তঃপুৰত এজনৰ কাৰণে বান্ধি ৰাখিব লগীয়াত পৰিল।

চিৰাজৰ নিচিনা সুন্দৰ দেহৰ কান্তিৰে কোনো নবাবে জন্ম গ্ৰহণ কৰা নাছিল বুলি বুৰঞ্জী লিখকসকলে লিখি থৈ গৈছে। বঙ্গ, বিহাৰ, উড়িষ্যাৰ নবাবে সেই অতুলনীয় সৌন্দৰ্য্য, ধন, মান, যৌবন সকলোবিলাক ফৈজী বেগমতে অৰ্পণ কৰিলে।

বৰ থকা নৈ ভেটা মাৰি ধৰে থক্তেকৰ কাৰণে বন্ধ হয় কিন্তু পানী ওৰণি পাছত ভেটা বুৰাই পেলায় নাইবা ভাঙ্গি পেলায়। যি চৰায়ে সদায় উৰি উৰি গছে গছে গুটিৰ সোৱাদ লৈ ফুৰে সেই চৰায়ে সোণৰ সঁজাত সোমাই গাখীৰ খাবলৈ পালেও তৃপ্তি লাভ নকৰে। যাৰ যেনে স্বভাৱ সি তেনে থাকিবই, অলপো পৰিবৰ্ত্তন নহয়। নবাবে ইমান আদৰ যত্ন কৰিও ফৈজী বেগমৰ মন নেপালে। নবাবে এক মুহূৰ্ত্ত কালো তেওঁক নেদেখা কৰি থাকিব নোৱাৰিছিল। চিৰাজে সদায় ফৈজীক লগতে লৈ ফুৰাইছিল। আনকি ফৈজীৰ সন্তোষৰ কাৰণে নবাবে ফৈজীক ৰাজ সিংহাসন দিবলৈকো কুণ্ঠিত নহৈছিল।

ইতিহাসত নবাবৰ আৰু ৪ জনা বেগম আছিল বুলি বৰ্ণনা কৰিছে, কিন্তু নবাবে সকলোতকৈ ফৈজীক হে ভাল পাইছিল আৰু নৱমৰ চকুৰে চাইছিল। নবাবৰ দেহ ফৈজীৰ কাৰণে। নবাবৰ যত্ন ফৈজীৰ কাৰণে। সকলো চিন্তা ভাৱনা ফৈজীৰ কাৰণে। ফৈজী কেৱল নবাবৰ চিন্তাৰ ভাৱনা, জপৰ মালা।

ফৈজীৰ মন যদিও নবাবৰ ওপৰত নবহিছিল তথাপি নানা বাহিৰা কথা কৈ চিৰাজৰ মন ভুলাই ফৈজীয়ে তেওঁক মোহৰ মোলেৰে বান্ধি ৰাখিছিল।

নবাবৰ মহম্মদ খাঁ নামৰে এজন বৈনায়েক আছিল। তেওঁৰ দেহৰ গঠন সুশ্ৰী, দেখিবলৈ দীঘল আৰু বলিষ্ঠ। ফৈজী বেগমে তেওঁক প্ৰথমে দেখাতে মোহিত হল। অনুপম ৰূপ, বঙ্গ, বিহাৰ, উৰিষ্যাৰ ৰাজ মুকুট যাক নবাবে নিজৰ হৃদয়েৰে সৈতে ঢালি দিছিল তাকো ফৈজীয়ে গ্ৰহণ নকৰি মহম্মদ খাঁৰ প্ৰণয়ৰ কাৰণে পাগল হল; আৰু অনেক কৌশল কৰি, অনেক চক্ৰান্ত কৰি মহম্মদ খাঁক গুপ্ত ভাৱে অন্তঃপুৰলৈ মতাই আনি নিজৰ মনৰ বাসনা পূৰ কৰিলে।



জুই কি কাপোৰেৰে ঢাকি ৰাখিব পাৰি? পাপ কথা কি বহুদিন লুকাই ৰাখিব পাৰি? এই দৰে কেইবাদিনো দুয়োৰো আলাপ পৰিচয় হোৱাৰ পিছত এই কথা নবাবৰ কাণত পৰিল। গুপ্ত প্ৰণয়ৰ কথা শুনি নবাবৰ অন্তঃকৰণ একে বাৰেই চমকি উঠিল। চকুৰে চাৰিউফালে আন্ধাৰ দেখিবলৈ ধৰিলে। যেনিয়েই চায় তেনিয়েই মাথোন অবিশ্বাসৰ নিদাৰুণ ছাঁ দেখিবলৈ পাই মন একেবাৰেই উন্মত্তৰ দৰে হল, আৰু কালান্তক মূৰ্ত্তি ধৰি উন্মুক্ত তৰোৱালেৰে সৈতে অবিলম্বে তেওঁ ফৈজীৰ কোঠাৰ ওচৰত থিয় দিলেগৈ।

সেই সময়ত ফৈজীয়ে গুন গুন কৰি নিজ শয্যাৰ ওপৰত পৰি এটি প্ৰেম সঙ্গীত গাই আছিল। নবাবৰ কাল মূৰ্ত্তি দেখি তেওঁৰ প্ৰাণ একেবাৰেই ভয়ত চমকি উঠিল। লাহেকৈ কাতি হৈ নিজ পালঙৰ ওপৰতে বহি পৰিল।

চিৰাজ—"ৰাক্ষসী! তোৰ এই ক্ষুদ্ৰ দেহাত ইমান পাপ—ইমান বিশ্বাসঘাতকতা! ইমান নৰকৰ মূৰ্ত্তি সঞ্চিত আছে!"

ফৈজীয়ে ম্লান মুখেৰে কলে:— "মইনো কি কৰিলোঁ।"

ঘৃণাত, লজ্জাত আৰু খঙত চিৰাজৰ মুখৰ চুলি থিয় হল, চকু ৰঙা হল, খঙৰ স্বৰেৰে উত্তৰ কৰিলে:—পাপীয়সী! নেজাননে এতিয়া তই কাৰ ঘৰত আছ? এইখন দিল্লীৰ নাট্যশালা নহয়। এইখন বঙ্গ, বিহাৰ, উৰিষ্যাৰ নবাবৰ অন্তঃপুৰ। ইয়াত বিশ্বাসঘাতকতা কৰিলে কি ফল তাক তই নেজাননে?

মৃত্যুৰ ওচৰ যেন দেখি ফৈজীয়ে কলে:—"প্ৰাণে যাক ভাল নেপায় তেওঁ কি জোৰ কৰিলেও প্ৰাণ পাব পাৰিব। আপুনি মোক লৈ সুখী হব খুজিছে হক কিন্তু প্ৰাণ হলে নেপায়। যদি মই কিবা দোষ কৰিছোঁ মোক এৰি দিয়ক; মোৰ যলৈকে মন যায় গুচি যাওঁ"

চিৰাজে দাঁত মূৰ কামুৰি কলে:—"তই ঘোৰ বেশ্যা, তোৰ নৰকতো স্থান নহব। তোৰ অন্তঃকৰণত দয়া ধৰ্ম্মৰ লেশ মাত্ৰ নাই।"

নিজ জীৱনৰ আশা পৰিত্যাগ কৰি ফৈজীয়ে কলে:—"মই নিশ্চয় বেশ্যা। কিন্তু এনে শাসন বাক্য প্ৰয়োগ নকৰি মোক এৰি দিয়ক, মই যলৈকে মন যায় তলৈকে যাওঁগৈ। মোৰ ওপৰত এনে শাসন বাক্যৰ একো ফল নাই বৰঞ্চ আপোনাৰ মাকৰ আগত হে এনে শাসন বাক্যৰ অলপ ফল ধৰিবৰ সম্ভৱ।

এই কথা শুনা মাত্ৰকে চিৰাজৰ ক্ৰোধ, লজ্জা, আৰু বেজাৰত উন্মত্ত হৈ তাৰ পৰা কঁপি কঁপি অলপ আঁতৰ হল।

চিৰাজৰ মাক "আম্বুমানা বেগম" হুচেন কুলীৰ প্ৰেমত আসক্ত আছিল বুলি সেই সময়ত সকলোৱে জানিছিল. কেৱল নবাবলৈ ভয় কৰি এই কথা জন সমাজত প্ৰচাৰ কৰিব নোৱাৰিছিল যদি ফৈজীয়ে চিৰাজক মাকৰ খুঁত উলিয়াই কথা নকলেহেঁতেন তেনেহলে চিৰাজ ফৈজীৰ প্ৰেমত যেনেদৰে আসক্ত হৈছিল কিজানি তেওঁ ফৈজীক সেই দোষৰ বাবে ক্ষমা কৰিলেহেঁতেন।

একেই চিৰাজৰ মন ব্যৰ্থ প্ৰণয়ৰ অনুতাপত জৰ্জ্জৰিত তাতে আকৌ মাকৰ দোষ উলিয়াই ঠাট্টা কৰাত একেবাৰেই পৰে ঘৃতাহুতি দিলে। তেওঁ এইকেইটা কথা কৈ ওলাই গল:—পাপৰ উপযুক্ত ফল পাবি অক্তেক ৰ। ইমানতো ফৈজীৰ অন্তকৰণ দুৰ্ম্মলিল অচল ভাবেৰেই থাকিল। ঠিক চিৰাজৰ মতেই কাম কৰা হল। হতভাগিনী ফৈজীক এটা ঘৰৰ ভিতৰত অকলে অকলে আহাৰ পানী নিদিয়া কৰি সুমাই দুৱাৰখিৰকিৰ ইটাৰে খুন্দি খুন্দি বন্ধ কৰি যাতে কোনেও খুলিব নোৱাৰে তাৰ কাৰণে বিশেষ চকু দিলে।

তিনি মাহৰ মূৰত ঘৰ ভাঙোঁতে দেখা গল—ফৈজী আৰু নাই—যাৰ বস্তু ভলৈ গল, কেৱল ভিতৰত তেওঁৰ গাৰ অকাটি পৰি আছিল।

চিৰাজৰ মনত আৰু আনন্দই দেখা নিদিলে। তেওঁ জীয়াই থকা কিদিন মনত কেৱল এই কথা পৰি আছিল—"যাক প্ৰাণে ভাল নেপাই তেওঁ কি প্ৰাণ পাব পৰিব। জীৱনৰ আশা পৰিত্যাগ কৰি মৃত্যুক কোলাত লওঁ, তেও যাক প্ৰাণে ভাল নেপাই তেওঁক প্ৰাণ নিদিলোঁ।" যেতিয়া ফৈজীক ঘৰৰ ভিতৰত অকলৈ অকলৈ বন্ধ কৰি থোৱা হয় তেতিয়া তেওঁ চিঞঁৰি চিঞঁৰি এই কথা কেইটি কৈছিল।

কোনে জানে ফৈজীৰ প্ৰেতাত্মাই সেই বন্ধ ঘৰৰ ভিতৰত কান্দি কান্দি কি বিচাৰি ফুৰিছিল? কোনে জানে তেওঁৰ আত্মাই বায়ুহীন অন্ধকাৰ ঘৰৰ নিস্তব্ধতাত বদ্ধ হৈ পিয়াহত, এটোপা পানীৰ কাৰণে ব্যাকুল হৈ ঘৰৰ ভিতৰত কেনেকৈ খুন্দিয়াই ভুকুৱাই ফুৰিছিল?

কেতিয়াবা কেতিয়াবা মাজৰাতি নবাবৰ শোৱা-ঘৰৰ ওপৰতে যেন কোনোবাই চিঞঁৰি চিঞঁৰি কয়—প্ৰাণে ভাল নেপালে, মৃত্যুক বীৰৰ দৰে কোলাত ললে



তথাপি মোৰ নুশুনিলে—ৰাতিৰ নিস্তব্ধতা ভঙ্গ কৰি এই কথা কেইষাৰ বতাহৰ বুকুত উঠি আকৌ ধীৰে ধীৰে বতাহৰ বুকুতে মাৰ যায়।

শ্ৰীদীশ।

---

# অসমীয়া সাহিত্যত শঙ্কৰ মাধৱদেৱৰ ঠাই।

শঙ্কৰ মাধৱ অসমীয়া ভাষাৰ কাব্য ফুলনিত দুপাহি অপূৰ্ব্ব পাৰিজাত। তেওঁলোকে অসমীয়া সাহিত্যৰ যে কিমান মহোপকাৰ কৰিলে তাক ভাষাৰে বৰ্ণাব নোৱাৰি। লৰা ছোৱালীয়ে মাকৰ ওচৰত হৃদগত ভাৱৰ অভিব্যক্তি সম্বন্ধে যি সহায় লাভ কৰে অসমীয়া কবিতা লেখক, অসমীয়া সাহিত্যিক সকলেও শঙ্কৰ মাধৱৰ ওচৰত সেই সহায় যে লাভ কৰি আহিছে ইয়াত অলপো সন্দেহ নাই। আজিকালি বহুত ভাষাৰ কবিতাৰ সোঁত অসমীয়া সাহিত্যৰ ভিতৰত বব ধৰিছে, কিন্তু তেওঁলোকৰ কবিতাৰ তুলনাত সেই সোঁতৰ ফলোৎপাদিকা শক্তি কত? শত সোঁতৰ মাজত বিষ্ণুৰ পাদোদ্ভৱা গঙ্গাৰ নিচিনা তেওঁলোকৰ কাব্য সোঁতে অসমীয়া সাহিত্যক এতিয়াও ফুলে ফলে জকমকাই ৰাখিছে। অসমীয়াই যেতিয়া স্বদেশ, স্বজাতি, স্বধৰ্ম্মৰ মোল নাজানিছিল, যেতিয়া অসমীয়াই নিজ ভাষা, আৰু এক-শৰণ ধৰ্ম্ম নাজানিছিল তেতিয়া সেই ভাষা, সেই স্বদেশ, সেই ধৰ্ম্ম নিজৰ বুলি গৌৰৱ কৰিবলৈ অসমীয়াক কোনে শিকায়? শঙ্কৰ মাধৱৰ ওচৰত অসমীয়া চিৰকাল ঋণী।

এক সময়ত আমাৰ দেশত যি মানুহে আখৰ নিচিনিছিল, পঢ়িব নাজানিছিল সেই মানুহেও শঙ্কৰ মাধৱৰ সাহিত্য, শঙ্কৰ মাধৱৰ কীৰ্ত্তন নামঘোষা নিশিকি নোৱাৰিছিল। যাৰ আখৰ বোধ নাছিল সিও আনৰ মুখৰপৰা শুনিছিল। কীৰ্ত্তন নামঘোষা অসমীয়াৰ বৰ আদৰৰ বস্তু আৰু সাহিত্যৰ উজ্জ্বল ৰত্ন। যি দেশৰ কীৰ্ত্তন নামঘোষা ধৰ্ম্ম শাস্ত্ৰ সেই দেশৰ মহা ভাগ্য। আজিকালি শিক্ষিত অসমীয়াৰ ভিতৰত কীৰ্ত্তন নামঘোষাৰ আদৰ কম। বহুতে তাক নপঢ়ে। শিক্ষিত অসমীয়াক ভাষা লাগে, সাহিত্য লাগে বুলি আটাহ পাৰি মৰে অথচ অসমীয়া কাব্যৰ অক্ষয় ভঁড়ালৰ মৌ সংগ্ৰহ কৰিবলৈ তেওঁ সময় নাপায়।

মহানদী যেনেকৈ সকলো দেশত পাবলৈ টান তেনেকৈ মহা কাব্যও পৃথিৱীৰ অতি অলপ জাতিৰ ভাগ্যত হে ঘটে। যি দেশৰ ধৰ্ম্ম শাস্ত্ৰ কীৰ্ত্তন নাম-ঘোষা সেই দেশৰ সৌভাগ্যৰ অন্ত নাই। ব্ৰহ্মপুত্ৰই যেনেকৈ আমাৰ আসামক পানী আৰু শস্যপূৰ্ণ কৰি ৰাখিছে, ঘৰে ঘৰে সদায় ভোকৰ ভাত আৰু পিয়াহৰ পানী যোগাই আহিছে শঙ্কৰ মাধৱৰ কাৰ্য্যও তেনেকৈ চিৰ দিন আমাৰ মনৰ ভোক আৰু পিয়াহৰ অক্ষয় ভৰাল হৈ ৰৈছে। যিমান দিন অসমীয়া জাতি, অসমীয়া ভাষা, অসমীয়া সাহিত্য ভোটা তৰাৰ দৰে জিলিকি থাকিব সিমান দিন তেওঁলোকৰ কাব্য কণাৰ লাখুটি, আন্ধাৰৰ বন্তি, ভকতৰ সাদৰী।

মহাপুৰুষ দুজনাৰ কাব্য আলোচনা কৰিব লাগিলে, তেওঁলোকৰ সময়ৰ ফালেলৈ চকু ৰখা উচিত। সেই সময়ৰ সমাজ ধৰ্ম্ম আৰু সাহিত্যলৈ চকু ৰাখি আলোচনা কৰিলেহে প্ৰকৃত আলচ কৰা হব। বহুতে কয় যে আমাৰ পুৰণি সভ্যতা, পুৰণি ভাষা, আৰু পুৰণি ভাব বৰ্ত্তমান কালৰ নিমিত্তে সম্পূৰ্ণ নহয়। গতিকে তেওঁলোকৰ কাব্যও এই কালৰ উপযোগী নহয়। সভ্যতাৰ লগে লগে ভাষা আৰু সাহিত্যৰ গঢ় দিনে দিনে পৰিবৰ্ত্তন হয়। পৰিবৰ্ত্তনৰ লগে লগে বৰ্ত্তমান যুগৰ অসমীয়া সাহিত্য আৰু কাব্যও দিনে দিনে নৱ সাজত সজ্জিত হব লাগিছে। সেই বুলি আমি কব নোৱাৰোঁ যে মাধৱৰ সাহিত্য বৰ্ত্তমান যুগত আমাৰ আহি হব নোৱাৰে। পুৰণি কাব্য বাদ দিলে আমি নতুন কাব্য নাপাওঁ। নতুন আৰু পুৰণি দুয়োকো মিহলাব লাগে, দুইৰো সামঞ্জস্য ৰাখিব লাগে নহলে সাহিত্যৰ শ্ৰীবৃদ্ধি নহয়। আচল কথা অসমীয়া সাহিত্যক নতুন সাজ পিন্ধাব লাগিলে আমাক আহি লাগে। শঙ্কৰ মাধৱৰ কাব্যই অসমীয়াৰ আদৰ্শ কাব্য। নতুন আৰু পুৰণিৰ সামঞ্জস্য ৰখাৰ প্ৰধান সাঁকো।

সমাজত অধৰ্ম্ম আৰু অসদাচাৰৰ প্ৰভাৱ বাঢ়িলে যেনেকৈ ধৰ্ম্ম সংস্কাৰক সমাজসংস্কাৰকসকল আবিৰ্ভাৱ হয় তেনেকৈ ভাষাৰ অৱনতি হলেও তাৰ উন্নতিৰ নিমিত্তে সংস্কাৰক লেখকৰ আবিৰ্ভাৱ হয়। যেতিয়া শক্তি-ধৰ্ম্মৰ অসদাচাৰ অসমত বাঢ়িছিল, মানুহৰ লগত মানুহৰ প্ৰেমত বাধা দিছিল আৰু সমাজ অৱনতিৰ ফালে ঢাল খাইছিল তেতিয়া এই মহাপুৰুষ দুজনা ধৰ্ম্ম



সমাজ আৰু ভাষা সংস্কাৰক হৈ জন্ম গ্ৰহণ কৰিছিল। সমাজ সংস্কাৰক হলে পুৰণি সমাজৰ গঢ় ভাঙ্গিপিটি নতুন গঢ় দিব লাগে। নতুন সমাজ গঢ়িব লাগিলে মনোগত ভাব আনক বুজাবৰ কাৰণ পৰস্পৰে পৰস্পৰৰ লগত মিল হৈ সহানুভূতি দেখুৱাবলৈ, মানুহৰ ইচ্ছা পৰিতৃপ্ত কৰিবৰ কাৰণ নতুন ভাষাৰ প্ৰয়োজন; কাব্যৰ প্ৰয়োজন, সাহিত্যৰ প্ৰয়োজন। আগৰ দিনত মানুহে কবিতা ভাল পাইছিল আৰু গদ্যেৰে মন মোহিত কৰা টান আছিল গতিকে তেওঁলোকে ধৰ্ম্মৰ নতুন তত্ত্ববিলাক ধুনীয়া আৰু মনোৰম কৰিবৰ কাৰণে পদ্যৰ আশ্ৰয় লৈছিল।

মানুহৰ মনত যিবিলাক উন্নত ভাব উদয় হব পৰা শক্তি আছে, সেই শক্তি কেৱল শিক্ষাৰ দ্বাৰাই হে সম্পূৰ্ণ ৰূপে কাৰ্য্যকাৰক হৈ বিকাশ পায়। আৰু সেই শিক্ষা কেৱল সমাজৰ সহায়তেহে হয়। এতেকে তেওঁলোকে সমাজ সংস্কাৰক হৈ নতুন সমাজ গঠন কৰিবলৈ নতুন তত্ত্ব উলিয়াই নতুন সাহিত্য আৰু নতুন কাব্য সৃষ্টি কৰে। সমাজ গঠনৰ ইচ্ছাই হৈছে ভাষাৰ সৃষ্টিৰ মূল আৰু সমাজৰ উন্নতিয়েই হৈ ভাষাৰ উন্নতিৰ কাৰণ। ভাষাৰ উন্নতিৰ লগে লগে কাব্য আৰু সাহিত্যৰ উন্নতি হয়। বৈষ্ণৱ-ধৰ্ম্মৰ মাধুৰ্য্য দেখুৱাবলৈ তেওঁ-লোকে কীৰ্ত্তন আৰু নাম-ঘোষা ৰচি অসমীয়া কাব্য সৃষ্টি কৰে আৰু অসমীয়া ভাষাৰ গলত গলপতা পিন্ধায়। আচল কথা কবলৈ গলে তেওঁলোকে কীৰ্ত্তন নাম-ঘোষাত বৈষ্ণৱ ভক্তি তত্ত্বৰ পূৰ্ণ বিকাশ দেখুৱাইছে। তেওঁলোকৰ কাব্যৰ ভাব উজু, ভাষা সুৰলা, দৃষ্টান্ত সাৰুৱা, ছন্দ মধুৰ, মনমোহা আৰু ধুনীয়া। তেওঁলোকে কাব্য লেখি ভগৱানৰ লগত মানুহৰ আৰু বিশ্বজগতৰ লীলাৰ সম্বন্ধ দেখুৱাই, মানুহৰ জীৱনত প্ৰবৃত্তি নিবৃত্তিৰ যোগ সাধন কৰি কৰ্ম্মত মঙ্গল আৰু মানৱ সেৱাৰ প্ৰভাৱ সম্পূৰ্ণভাৱে প্ৰকাশ কৰিছে।

লেখকৰ গুণেই হৈছে ভাষাৰ সৰলতা আৰু ভাবৰ সুস্পষ্টতা। যেনেকৈ দাপোণৰ গুণ নিৰ্ণয় কৰা হয় প্ৰতিমূৰ্ত্তিৰ সুস্পষ্টতাৰে, তেনেকৈ বৰ্ণনা কৰা বিষয়ৰ সুস্পষ্টতাৰে কাব্যৰ গুণ পৰীক্ষা কৰা হয়। কবিয়ে যিমানে নিজৰ মনৰ ভাব পাঠকৰ আগত ফট্‌ফটীয়াকৈ, সুচাৰু আৰু মনোৰমকৈ সজাই ৰাখিব পাৰে সিমানে তেওঁৰ কবিতা বাইজৰ ওচৰত প্ৰিয় হয়। এই সম্বন্ধে শঙ্কৰ মাধৱ অসাধাৰণ। তেওঁলোকৰ কাব্যই মানুহৰ মন মোহি পেলায়। এবাৰ তেওঁলোকৰ কবিতা

পঢ়িলে আকৌ সেই অক্ষয় কাব্যৰ অমৃত পান কৰিবলৈ মন নহৈ নোৱাৰে। সংসাৰৰ ভাবনাত জলাকলা হৈ থকা মনো চেচা হৈ আহে।

মহাপুৰুষ শঙ্কৰদেৱৰ সাহিত্য ৰাজ্যত যে কেনে অমূল্য ৰত্ন তাক তেওঁৰ ৰচিত গ্ৰন্থাদি পাঠ কৰিলে অনায়াসে বুজিব পাৰি। তেওঁৰ ৰচিত গ্ৰন্থ পাঠ কৰিলে হৃদয়ত ভক্তি সঞ্চাৰ হয়। তেওঁৰ গ্ৰন্থৰ উদাৰ, সৰল, গভীৰ আৰু মধুৰ ভাবে মানুহৰ মন মোহি পেলায়। তেওঁৰ ভাষাৰ লালিত্য, ছন্দৰ মাধুৰ্য্য, ভাবৰ সুস্পষ্টতাই মানুহৰ মনত নতুন তেজ, নতুন ভাব, নতুন ভক্তি, নতুন প্ৰেম দান কৰে। তেওঁৰ ৰচিত শাস্ত্ৰ এবাৰ পঢ়িলে এৰিবৰ মন নযায়। লৰা, ডেকা, বুঢ়া সকলোৱে তেওঁৰ শাস্ত্ৰ পঢ়ি অনুপম শান্তি লাভ কৰে। তেওঁৰ সাহিত্যই অসমীয়া ভাষাৰ সংস্থাপক, তেওঁৰ সাহিত্যই অসমীয়া ভাষাৰ ভেটি, অসমীয়া জাতিৰ গৌৰৱ, অসমীয়াৰ জাতিত্ব। মুঠতে কবলৈ গলে তেওঁৰ সাহিত্যই তেওঁৰ ভাষাই, তেওঁৰ কাব্যই আজি ৪০০শ বছৰৰপৰা অসমীয়াক পোহৰ কৰিছে, সভ্য জগতত জাপি ধৰিছে, আমাক বৈষ্ণৱ ধৰ্ম্মৰ সোঁতেৰে প্লাবিত কৰিছে।

শঙ্কৰদেৱে নিজ হাতে বহুত পুথি ৰচনা কৰে। তাৰে খনচেৰেকৰ তালিকা তলত দিলোঁ:—

| | |
|---|---|
| ১। কীৰ্ত্তন | ১৬। লীলামালা |
| ২। দশম (আগছোৱা) | ১৭। ভাগৱত |
| ৩। ৰুক্মিণী হৰণ | ১৮। অজামিল উপাখ্যান |
| ৪। গুণমালা | ১৯। হৰিশ্চন্দ্ৰ |
| ৫। ভটিমা | ২০। পাৰিজাত হৰণ |
| ৬। বৰগীত | ২১। সীতা সয়ম্বৰ |
| ৭। আদি কাণ্ড ৰামায়ণ | ২২। উদ্ধৱ সম্বাদ |
| ৮। অনাদি পাতন | ২৩। কালী দমন |
| ৯। অক্ৰূৰ গীত | ২৪। কুৰুক্ষেত্ৰ |
| ১০। উৎকল মালা | ২৫। কোটোৰা খেলা |
| ১১। চপয় তোত্ৰয় | ২৬। গোৱালী পাৰা |
| ১২। নিমি নৱ সিদ্ধ সম্বাদ | ২৭। সিন্ধু যাত্ৰা |



| | |
|---|---|
| ১৩। বৈষ্ণৱ অমৃত | ২৮। ৰাসযাত্ৰা |
| ১৪। ভক্তি প্ৰদীপ | ২৯। পত্নী প্ৰসাদ |
| ১৫। ৰত্নাকৰ (সংস্কৃত) | |

ইত্যাদি তেওঁ অনেক পুথি লেখে। তেওঁৰ প্ৰত্যেকখন পুথিয়েই সুমধুৰ সুৰত গথা, নানা ছন্দত বিভূষিত নানা গাম্ভীৰ ভাবেৰে পূৰ্ণ। তেওঁৰ প্ৰত্যেক খন পুথি ধৰ্ম্ম লৈ গথা। তেওঁৰ ৰচিত খনচেৰেক পুথিৰপৰা ডোখৰ চেৰেক তুলি আমাৰ পাঠকসকলৰ মন আকৰ্ষণ কৰিবলৈ তলত দিয়া হল।

শঙ্কৰদেৱে প্ৰকৃতিৰ শোভা বৰ্ণোৱাত কীৰ্ত্তনৰ হৰমোহনত কেনে সুললিত ভাষাৰে লেখিছে চোৱা:—

"চন্দন অগুৰু দিব্য কল্প তৰু
দেৱ দাৰু পৰ বসি।
প্ৰতি গাছে গাছে ভিত্তা বান্ধি আছে
সুবৰ্ণ মানিকে খচি॥
সুবৰ্ণ কমল শ্বেত উতপল
ফুলি ফুলি আছে ৰঙ্গি।
শোভে চক্ৰবাক ৰাজহংস জাক
মৃণাল ভুঞ্জে উভঙ্গি॥
যত দিব্য পক্ষী ফল ফুল ভক্ষি
কাঢ়য় সুন্দৰ ৰাৱ।
কুহু কুহু ধ্বনি কোকিলৰ শুনি
বহয় মলয় বাৱ॥"

কলিত যে হৰিনাম সাৰ আৰু পৰম ধৰ্ম্ম তেওঁ পাষণ্ড মৰ্দ্দনত তাক বেচকৈ বুজাইছে—

কলিৰ ধৰ্ম্ম হৰিনাম জান।
পাপীৰ নিন্দাত নিদিবা কাণ॥
কলিত লোক অতি পাপ মতি।
না সাধে আন ধৰ্ম্মে আৰ গতি॥

২১

ৰামনাম যিতো সতত গাৱে।
সেহি সে হাততে মুকুতি পাৱে ॥

ভগৱান যে ভকতৰ স্তুতিত সন্তুষ্ট হয় এই কথা তেওঁ প্ৰহ্লাদ চৰিত আৰু অজামিল উপাখ্যানত বেচকৈ বুজাইছে আৰু হৰিনাম যে বিপদ ভঞ্জন তাকো তেওঁৰ পুথিবিলাকৰ পৰা তুলি দিলোঁ। কেনে সুললিত ভাবেৰে সাধাৰণ মানুহক বুজাবলৈ মহাপুৰুষে চেষ্টা কৰিছে তাক পঢ়িলে সহজে বুজিব পাৰি।

মৰন্তে বিপ্ৰৰ মুখত শুনিয়া
হৰিৰ কীৰ্ত্তন বাণী।
প্ৰভুনাম লৱে বুলি যেদি আইল
বিষ্ণু দূত চাৰি প্ৰাণী ॥

( অজামিল )

আৰো বহুবিধ স্তুতি কৰি আগে
প্ৰহ্লাদ পৰিয়া আছে।
তৈলন্ত প্ৰসন্ন ক্ৰোধ ভাৱ এৰি
হৰি হাসিলন্ত পাছে ॥
প্ৰহ্লাদক চাই আনন্দে বোলন্ত
তিনিয়ো লোকৰ স্বামী।
বোলা হৰি হৰি সংসাৰক তৰি
হুয়োক বৈকুণ্ঠ গামী ॥

( প্ৰহ্লাদ চৰিত )

তবে মেৰাই পদ্ম গোট ওপৰক তুলি।
কৃষ্ণৰ শৰণ লৈল ত্ৰাহি হৰি বুলি ॥
আথেবেথে শীঘ্ৰে হৰি গৰুড়ৰ স্কন্ধে।
ভকতক ৰাখিবাক আসিলা প্ৰবন্ধে ॥

( গজেন্দ্ৰ উপাখ্যান )

অনন্ত জগতত অনন্ত ভগৱন্ত যে লীলা খেলা কৰি প্ৰকাশ পাই এই সমন্ধে তেওঁ 'বেদস্তুতিত' কৈছে চোৱা—



তুমি সত্য ব্ৰহ্ম তোমাতে প্ৰকাশে
জগত ইতো অনন্ত।
জগততো সদা তুমিও প্ৰকাশ
অন্তৰ্য্যামী ভগৱন্ত ॥

শঙ্কৰদেৱ ৰচিত 'কীৰ্ত্তনত' এইদৰে আমি প্ৰতি পাতে পাতে অনেক উপদেশপূৰ্ণ অমৃতময় ছন্দেৰে গথা পদ দেখিবলৈ পাওঁ। তেওঁৰ সাহিত্যই মানুহক অনন্ত জগতৰ অনন্ত স্বামী প্ৰভুৰ প্ৰতি আকৰ্ষণ কৰে। কীৰ্ত্তন পঢ়িলে অন্তৰত ভক্তিৰ অঙ্কুৰ জন্মে। আহা ভাষাৰ কি লাৱণ্য, লালিত্য, কেনে মাধুৰ্য্য। বাস্তৱিক এনে কবি জগতত কেইজনা। কীৰ্ত্তন গ্ৰন্থখনি পাঠ কৰিলে মন পবিত্ৰ হয় আত্মা শুদ্ধ হয় ঈশ্বৰৰ প্ৰতি প্ৰগাঢ় ভক্তি হয়।

শঙ্কৰদেৱে তেওঁৰ ৰচিত 'ভটিমাত' কৃষ্ণৰ ৰূপ সম্বন্ধে বহুত লেখিছে। দশ অৱতাৰৰ বিষয়ো তেওঁ সহজ ভাবাদে লেখি মানুহৰ মন আকৰ্ষণ কৰিছে। তেওঁ ভটিমাৰ এঠাইত লেখিছে:—

"মীন ৰূপে প্ৰলয় পয়সি
সত্যব্ৰত যো তাৰিলে।
কূৰম ৰূপে ক্ষীৰ সাগৰ
মথন মন্দৰ কৰিলে ॥
শূকৰ ৰূপ হিৰণ্য দাৰি
দেৱ ভয় কৰু ত্ৰাণ।
সেহি হৰি তেৰি কৰত নিত
মুকুতি মঙ্গল বিধান ॥"

* * *

এইদৰে তেওঁ দশ অৱতাৰৰ ৰূপ ভটিমাত লেখিছে। আৰো এঠাইত লেখিছে—

"বন্দো গোবিন্দা।
গোপী জনমানন্দা ॥
মঞ্জু ভ্ৰূযুগ সুসমিত সুন্দৰ
মদন বিনিন্দিত চান্দা ॥

ভটিমাৰ ভাষা পঢ়িলে মহাপুৰুষৰ যে সাহিত্যত কেনে ব্যুৎপত্তি আৰু প্ৰতিভা শক্তি আছিল তাক বুজিব পাৰি।

শঙ্কৰদেৱ যে কেনে উদাৰ আৰু সৰল প্ৰকৃতিৰ মহাপুৰুষ আছিল তাক তেওঁৰ ৰচিত 'দশম' পঢ়িলে বুজিব পাৰি। এই 'দশম' গ্ৰন্থত তেওঁৰ ধৰ্ম্মৰ তত্ত্ব দেখুৱাইছে।

তেওঁ দশমৰ এঠাইত লেখিছে :—

"জানিলো ব্ৰাহ্মণ জন্ম হুইবেক নলাগে তাৰ
যিটো কৃষ্ণ কথাত ৰসিক।
যৈতে বৈতেতে হৈাক জন্ম সি সি জন সৰ্ব্বোত্তম
যাৰ শ্ৰদ্ধা হৰি ভকতিত ॥
জাতি কুলাচাৰ ধৰ্ম্মে কোন কাৰ্য্য সাধিবেক
জ্ঞান কোন কাৰ্য্যত শকত।
অজ্ঞানী অজ্ঞাতী পাপী কৃষ্ণক ভজোক মাত্ৰ
তাৰো হৈবে পৰম মহত ॥"

আহা কেনে উদাৰ ধৰ্ম্মৰ মত কেনে মাহাত্ম্য। বাস্তৱতে পঢ়িলেই মনত অতি অনুপম ভাব উদয় হয়।

মহাপুৰুষে প্ৰকৃতিৰ শৰত কালৰ ৰূপ বৰ্ণনা কৰি সেই বৰ্ণনাৰ লগত মানৱ ধৰ্ম্মৰ সমন্ধ দেখুৱাই কেনে প্ৰতিভা শক্তি, কেনে কবিত্ব, কেনে যোজনা শক্তি প্ৰকাশ কৰিছে 'দশম' পঢ়িলে তাক বুজিব পাৰি। তেওঁ দশমৰ এঠাইত লেখিছে :—

"গগন নিৰ্ম্মল স্বচ্ছ ভৈল জল
দূৰ গৈলা মেঘগণ।
মহা সুখকৰ সুৰভি শীতল
বায়ু বহে সৰ্ব্বক্ষণ ॥
পক্ষী কৰে ধ্বনি সৰোবৰ ছানি
বিকাশিত পুষ্প বন।
যেন যোগ ভ্ৰষ্টে পুনাই অভ্যাসি
কৰিলে নিৰ্ম্মল মন ॥



ফুলে উতপল নক্ষত্ৰ সকল
আকাশত দিলে দেখা।
আৰু চাৰি কাৰ্য্য শৰতে সাধিলে
শুনা তাৰ দিওঁ লেখা ॥
শৰত সমান নাই সুখ কাল
হৰে দুঃখ অনুক্ৰমে।
আকাশত মেঘ যতেক আছিল
গুচালে তাক প্ৰথমে ॥
জীয়া জন্তু যত শঙ্কটে আছিল
ঘোৰ বাৰিষাৰ পদে।
শৰত কালত ভৈল বিৰলে
বাঞ্ছিলা ইচ্ছা সুখদে ॥
পৃথিবীৰ সৱ কৰ্দ্দম গুচিল
ভৈগৈল পথ স্থল।
যত জল মানে সব স্বচ্ছ ভৈল
শৰতে হৰিলে মল ॥
চাৰি ঠাই চাৰি কাৰ্য্য সাধিলেক
শুন তাৰ পটন্তৰ।
কৃষ্ণৰ ভকতি যেন চাৰি দুঃখ
হৰে চাৰি আশ্ৰমৰ ॥
তাৰে ব্ৰহ্মচাৰী বেদ পঢ়িবেক
গৃহস্থে কৰিব কৰ্ম্ম।
তাৰে বনবাসী পক্ষ ধৰিবেক
তাৰত সন্ন্যাস ধৰ্ম্ম ॥
যবে কৃষ্ণ কথা শ্ৰৱণ কীৰ্ত্তন
লৈয়া কৰে নৰ ৰতি।
শৰত কালৰ এতেকে উপমা
জানিবা হৰি ভকতি ॥"

* * * *

অনন্ত জগত যে দিনে দিনে পৰিবৰ্ত্তন হব লাগিছে তাক মহাপুৰুষে এঠাইত লেখিছে :—

"যেনে আকাশত চন্দ্ৰ সূৰ্য্য গতি কৰে।
তাক লক্ষিবাক নপাৰয় কোনো নৰে॥
যেনে নদী সমস্তৰ জল যাই বহি।
তথাপি আগতে দেখে নদী আছে বহি॥
এই মতে ব্ৰহ্মা আদি কৰি যত তৃণ।
সবাৰো শৰীৰ ক্ষণে ক্ষণে হোৱে ভিন॥"

ঈশ্বৰ নিৰ্ণয় কৰাত মহাপুৰুষে 'দশম স্কন্ধত' কেনে সুন্দৰ ভাষাৰে লেখিছে চোঁৱা। পঢ়িলেই যেন ঈশ্বৰ মূৰ্ত্তি আগতে বিৰাজমান হয়।

"ললিত বলিত ভুজ ভুজঙ্গৰ কায়।
নখ আৰকত কৰ কিশলয় প্ৰায়॥
কনক কঙ্কাল জলে কেয়ুৰ বলয়।
আঙ্গুলিত আঙঠি গাঠিত ৰত্নময়॥
গলে বনমালা জলে আজানু পৰ্য্যন্ত।
আছে মধুকৰে মধু গন্ধে গুঞ্জৰন্ত॥
ৰতনে ৰঞ্জিত কাঞ্চি কিঙ্কনী কটিত।
চাৰু উৰু জঙ্ঘা যুগ জানু সুবলিত॥

এই দৰে আমি 'দশম'ত বহুত ধৰ্ম্ম সম্বন্ধীয় কথা সুন্দৰ ভাষাৰে লেখা দেখিবলৈ পাওঁ। দশমৰ ভাষাৰ লালিত্যই আমাৰ কাণ পবিত্ৰ কৰে। তাক শুনিলে হৃদয় তন্ত্ৰী যেন নাচি উঠে আৰু অন্তৰ যেন বাজি বাজি উঠে।

নিমি নৱ সিদ্ধ সংবাদ—এই পুথিখন শঙ্কৰদেৱ ৰচিত। আৰু ইয়াক একাদশ স্কন্ধ ভাগৱতৰপৰা উদ্ধৃত কৰিছে। এই পুথিখন যদিও ভাগৱতৰ এক অংশ তথাপি ভাগৱতৰ প্ৰায় সকলো কথা সহজ ভাষাৰে বৰ্ণনা কৰা আছে। ভাগৱতী ধৰ্ম্মৰ তত্ত্ব জিজ্ঞাসু, ধৰ্ম্মানুৰাগী ভকতসকলৰ পক্ষে এই পুথিখন বৰ আদৰৰ বস্তু। নিমি ৰজাই নৱ সিদ্ধক নটা প্ৰশ্নৰ উত্তৰ সোধে আৰু সেই উত্তৰ শুনি নিমি ৰজা মুক্ত হয়। ভক্তি ৰহস্য, ধৰ্ম্ম কি, জগত



ধৰ্ম্ম কি, ভকতৰ লক্ষণ কি, ব্ৰহ্ম কিহক বোলে, ভকতৰ আচাৰ, গুৰুৰ লক্ষণ, সুখ কি ইত্যাদি অনেক বৈষ্ণৱ ধৰ্ম্ম সম্বন্ধীয় বিষয় এই পুথিত ৰচনা কৰা আছে। এই পুথিখনৰপৰা আমি দুই চাৰিটি কথা ইয়াত তুলি দিলোঁ :—

"পিতৃ মাতৃ আসিলে পুত্ৰৰ যেন সুখ।
সন্ত আগমনত দুখীৰ গুচে দুখ॥
সেহি মতে ভগৱন্ত তনু আগমনে।
সমস্তৰে কুশল হোৱয় তাৰক্ষণে॥"

"যতেক বিষয় সবে মায়াময়
মনে সে কৰে প্ৰকাশ।
পুত্ৰ দাৰা ধন সবেও সপন
ক্ষণেকতে হোৱে নাশ॥
হেন জানি যিতো মনক নিয়মি
কৃষ্ণত ভকতি কৰে।
সেহি মহাশয় এড়াই মৃত্যু ভয়
সুখে সংসাৰ তৰে॥"

"সেহিসে অসুৰ সেহিসে পশুৰ
সদৃশ জীৱন ধৰে।
কৃষ্ণক নভজি অমৃতক তেজি
যেন বিষ ভুঞ্জি মৰে॥
আৰে বুদ্ধ লোক যাইবা পৰলোক
কোন গতি হৈব পাছে।
কৃষ্ণৰ চৰণ কৰিয়ো স্মৰণ
যাৱত চেতন আছে॥"

"নাহি ক্ষয় বৃদ্ধি যিতো জন্ম মৃত্যুহীন।
সমস্তৰে সাক্ষী ৰূপে আছা উদাসীন॥
যদ্যপি আছন্ত ইতো জগত বিয়াপি।
নোছোৱে দেহৰ দোষে তাহাঙ্ক তথাপি॥

জ্ঞান মাত্র ৰূপ নিত্য নিৰঞ্জন কায়।
থাকা সৰ্ব্বকালে সৰ্ব্ব দেহতে সদায়॥
ইন্দ্ৰিয়েসে কৰে তাক বিবিধ ভাবনা।
যেন এক প্ৰাণ তাৰ বিবিধ কল্পনা॥
নাহিকে বিকাৰ যাৰ সদা সুখময়।
তাহাঙ্ক জানিলে পাপ তাপ হোৱে ক্ষয়॥"

মহাপুৰুষ শঙ্কৰদেৱে তেওঁৰ বৈষ্ণৱ ধৰ্ম্ম ভৱিষ্যতেও স্থায়ী হৈ থাকিবৰ কাৰণে আৰু সেৱ্য সকলৰ ভক্তি বিষয়ক সন্দেহ নিবৃত্তিৰ আৰু জ্ঞাতব্য বিষয়ক কৌতুক নিবাৰণৰ অৰ্থে পদ, ঘোষা, নাটক, গীত আদি নানা ছন্দে নানা পদে পদবদ্ধ কৰি ধৰ্ম্মৰ যাৱতীয় বিষয়ৈলে বহুত শাস্ত্ৰ ৰচনা কৰি গৈছে।

মাধৱদেৱ সাহিত্য ৰাজ্যত এজনা অসাধাৰণ পুৰুষ। সাহিত্য ৰসত মজি থাকি তেওঁ দিনে ৰাতি অমৃত পান কৰি আছিল। মানব জাতিয়ে যাতে সহজে ধৰ্ম্ম বুজিব পাৰে তালৈ সদায় চকু ৰাখি তেওঁ পুথি ৰচনা কৰিছিল। তেওঁ অসমীয়ালৈ বহুত পুথি লেখি অসমীয়া ভাষাৰ তেজ দুগুণ বঢ়াই গৈছে। এনেকি তেওঁলোকৰ সাহিত্যই হে অসমীয়া ভাষাক, জাতিক সভ্য জগতত চিনাকি দিছে। তেওঁৰ সাহিত্য ৰস পান কৰি তাপিত জনে সান্ত্বনা লাভ কৰে। পাপীৰ মন পবিত্র হয়।

মাধৱদেৱে বহুত পুথি লেখে। আমি তলত তাৰে কেইখন মানৰ নাম দিলোঁ:—

১। নাম ঘোষা
২। শেষ কাণ্ড ৰামায়ণ
৩। বৰ গীত
৪। কুলুপীয়া ঘোষা
৫। বৈষ্ণৱ কীৰ্ত্তন
৬। ৰত্নাকৰ টীকা
৭। ভক্তি ৰত্নাৱলী
৮। ৰাজসূয়
৯। দেহ বিচাৰ
১০। জন্ম ৰহস্য
১১। বাঁহী
১২। চোৰ ধৰা
১৩। পিপৰা গুচুৱা
১৪। ভূমি লোটোৱা
১৫। ভূষণ হেৰুৱা
১৬। ভোজন ব্যৱহাৰ
১৭। দধি মথন
১৮। নাম মালিকা
১৯। গুৰু ভটিমা

শ্ৰীহৰমোহন দাস।